Year of publication 1960

# কন্নকী

D. S. K. College, Library
Accession No. 9442
Dibrugarh

DIBRUGARH ... COLLEGE
Call Number 491'49 / B295 Kan.
Date

হেম বৰুৱা

লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী : অসম

প্ৰকাশক :
শ্ৰীবিচিত্ৰনাৰায়ণ দত্তবৰুৱা, বি-এল
লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী, অসম
প্ৰথম প্ৰকাশ : জুন ১৯৬০
মুদ্ৰক :
শ্ৰীকালীচৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

মূল্য : দুটকা

লোকপ্ৰিয় গোপীনাথ বৰদলৈ দেৱলৈ ঃ

শ্ৰদ্ধাস্পদেষু ঃ

মোক মৰম আৰু অনুপ্ৰেৰণাৰে জগাই তোলা সকলৰ ভিতৰত আপুনি অন্যতম। আপুনি আজি আমাৰ মাজত নাই। আপোনাৰ স্মৃতি আছে। সেই স্মৃতিয়েই আমাৰ ধ্ৰুবতৰা। 'কন্নকী' আপোনাৰ স্মৃতিৰ উদ্দেশ্যে আগবঢ়ালোঁ,—অসীম শ্ৰদ্ধাৰে, অন্তৰ ওপচা আবেগেৰে।

বি. বৰুৱা কলেজ ঃ
গুৱাহাটী ঃ ১৯৬০

শ্ৰদ্ধাৰে ঃ
হেম বৰুৱা

# পৰিচয়

কভালান আৰু কন্নকীৰ প্ৰেম-কথা সাহিত্যৰ এটা অতি বাছকবনীয়া প্ৰাচীন বস্তু। এই কাহিনী প্ৰায় খ্ৰীষ্ট পূৰ্ব্ব দ্বিতীয় শতাব্দীত ৰচিত বিখ্যাত তামিল ভাষাৰ কাব্য 'শিলপ্পদিকৰম'-ৰ এটা প্ৰধান বিষয়-বস্তু। এই কাব্য-খনৰ অনুক্ৰমণিকা 'মণিমেখলাই' তামিল সাহিত্যৰ পাঁচখন লেখত লবলগীয়া কাব্যৰ এখন। 'মণিমেখলাই'-ৰ ভাবধাৰা জটিল; ই দাৰ্শনিক তথ্যমূলক। এই কাব্যখনত এগৰাকী মনোৰমা যুৱতীৰ জীৱনত কেনেকৈনো ভগৱৎ প্ৰেমৰ মনোহৰ জ্যোতি ৰূপায়িত হল, তাকেই দেখুৱা হৈছে। 'শিলপ্পদিকৰম' কাব্যত প্ৰকাশ কৰা হৈছে কভালান আৰু কন্নকীৰ সুমধুৰ দাম্পত্য জীৱনৰ এখন নিকা ছবি। অৱশেষত কাব্যৰ নায়ক কভালানৰ জীৱনলৈ আহি পৰিছিল অনিন্দ্য সুন্দৰী নৃত্যপটিয়সী মাধৱী। ইয়েই কাব্যখনক কৰুণ কোমল কৰি তুলিছে। আনহাতে বিৰহ-বিষাদত জ্বলাকলা হোৱা দাম্পত্য প্ৰেমৰ পুনৰ উদ্ধাৰ, সতীৰ অভিশাপত মাদুৰা নগৰী ভস্মীভূত হোৱা দৃশ্য—ইত্যাদিয়ে কাব্যখনক আকৰ্ষণীয় কৰি তুলিছে।

'শিলপ্পদিকৰম' কাব্যৰ ভাষা অতি সহজ, সৰল আৰু শ্ৰুতিমধুৰ। প্ৰেমৰ কাহিনী স্বৰূপে ইয়াৰ সৌৰভ জগতৰ বিখ্যাত প্ৰেম-গাথা 'নল দময়ন্তী', 'সত্যৱান সাৱিত্ৰী' 'ৰমিঅ' জুলিয়েট' আদিৰ সমকক্ষ। কন্নকীৰ স্বামী মাধৱীৰ প্ৰণয়-পাশত আৱদ্ধ আছিল। মাধৱীৰ মৰম আৰু প্ৰতিভাই তেওঁৰ অন্তৰৰ সূক্ষ্মতম তাঁৰবোৰ কঁপাই তুলিছিল। এই বিচ্ছেদৰ আঁৰে আঁৰে কন্নকীৰ দাম্পত্য-প্ৰেম স্বৰ্ণদীপ্ত হৈ জ্বলিছিল। প্ৰেম প্ৰকৃততে প্ৰাণৰ, আত্মাৰ। যি প্ৰেম সম্পূৰ্ণ ভোগ-লিপ্সাৰ ওপৰত প্ৰতিষ্ঠিত, সেই প্ৰেম কেতিয়াও যাউতি-যুগীয়া হব নোৱাৰে। যুগে যুগে ভাৰতীয় সাহিত্যই প্ৰেম-প্ৰণয়ৰ এনে তৰহৰ আধ্যাত্মিক ৰূপৰহে প্ৰকাশ দি আহিছে। মৰমৰ, মঙহৰ নহয়। প্ৰাচ্যৰ পাশ্চাত্য জগতলৈ ই এটি অপূৰ্ব্ব দান। বাছকবনীয়া বৰঙনি।

হেজাৰ হেজাৰ বছৰ ধৰি ভাৰতৰ দক্ষিণ অঞ্চলত পতিব্ৰতা নাৰীৰ উপাসনা চলি আহিছে। মালাবাৰ অঞ্চলত আজিও এনে ধৰণৰ নাৰী উপাসনা,

দ্ৰৌপদী আমাম অৰ্চ্চনা, ভগৱতী উপাসনা আদি পূজা-বিধিৰ লগত সংমিশ্ৰিত হৈ আছে। মাদুৰাৰ বহ্নি উপাসনা 'ভৱানী উৎসৱ' বুলি আজিও জনাজাত। প্ৰত্যেক বছৰেই এই উৎসৱ অনুষ্ঠিত হয়। জন-সাধাৰণৰ মাজত উদ্দীপনাৰ সৃষ্টি হয়।

আজিও নাট্যমঞ্চত কভালানৰ প্ৰেমৰ কাহিনী ৰূপায়িত হয়। ই সকলোৰে সমানে সমাদৰৰ বস্তু। অৱশ্যে পুৰণি কাহিনীৰ বহুখিনি বাদ দিহে ৰঙ্গমঞ্চত ইয়াক ৰূপায়িত কৰা হয়। এইটো স্বাভাৱিক কথা। নাট্য-সাহিত্যত,— কিয় কব নোৱাৰো, মাধৱীক এগৰাকী সাধাৰণ নৰ্ত্তকী আৰু কন্নকীক এগৰাকী পৰিত্যক্তা নাৰী হিছাপেহে প্ৰকাশ কৰা হয়। সচৰাচৰ কাব্যখনত উজ্জ্বল হৈ থকা তেওঁলোকৰ মনোৰম জীৱন-আখ্যানৰ জিলিঙনি ইয়াত নাই।

ই যদিও সম্পূৰ্ণৰূপে তামিল কৃষ্টি আৰু যুগৰ পৰিচায়ক, তথাপি সমকালীন ভাবে ভাৰত জুৰি পৰিব্যাপ্তমান ব্ৰাহ্মণ্য ধৰ্ম্ম, বৌদ্ধ ধৰ্ম্ম আদিৰো সমুজ্জ্বল ছবি কাব্যখনত ব্যাপক ভাবে আছে। এই কাব্যখনৰ নায়ক-নায়িকা সৰ্ব্বসাধাৰণ বৈশ্য সম্প্ৰদায়ৰ মানুহ। আৰ্য্যাৱৰ্ত্তৰ সাহিত্যত সাধাৰণতে উচ্চ বৰ্ণগোষ্ঠীৰ জীৱনৰ ছবিহে সৰহীয়াকৈ পোৱা যায়। তামিল সাহিত্যত প্ৰকাশ পোৱাৰ দৰে নিম্নস্তৰৰ সম্প্ৰদায় সমূহৰ লেখ লোৱা নহয়। আৰ্য্যৰ জীৱনত যেনেকৈ, সাহিত্যতো তেনেকৈ, ব্ৰাহ্মণ আৰু ক্ষত্ৰিয় সমাজৰ প্ৰাধান্য প্ৰচুৰ।

সকলো সম্প্ৰদায়ৰ মাজত সদ্‌ভাবৰ পৰিচয় কাব্যখনত উজ্জ্বল হৈ আছে। 'মনিমেখলাই' বা 'শিলপ্পদিকৰম' কাব্যত সাম্প্ৰদায়িক মনোভাব বা বিদ্বেষৰ কোনো প্ৰতিচ্ছবি পোৱা নেযায়। মন্দিৰৰ দুৱাৰ সকলো সম্প্ৰদায়ৰ মানুহৰ কাৰণে মুকলি। জৈন, বৌদ্ধ, হিন্দু,—সকলো মন্দিৰতে নিজা বিধি অনুসৰি পূজা-অৰ্চ্চনাৰ কাৰ্য্য সমাপন হৈছে। ক'তো বিদ্বেষৰ ভাব নাই।

ধনিক সম্প্ৰদায়ৰ ঐশ্বৰ্য্য-বিভূতি অপৰিসীম। সকলোবিধ শিল্পকলা,— নৃত্য, সঙ্গীত, চিত্ৰ, ভাস্কৰ্য্য ইত্যাদিৰ সমানে চৰ্চ্চা হৈছিল। শিল্প-কলাৰ প্ৰতি ধাউতি আৰু একাগ্ৰতা সমগ্ৰ দেশতে বিয়পি পৰিছিল। প্ৰজাৰ সুখ-সম্ভোগৰ মাজেদিয়েই, জীৱন অতিবাহিত হৈছিল। তেওঁলোক আছিল ন্যায়পৰায়ণ, ধৰ্ম্মভীৰু, কৰ্ম্মপ্ৰাণ।

সমগ্ৰ ৰাজ্যতে নৃত্যপটিয়সীসকলৰ প্ৰতি সমৰ্থন আৰু সমাদৰ যথেষ্ট আছিল। তেওঁলোকৰ সংখ্যাও আছিল প্ৰচুৰ। ৰজা-প্ৰজা, ব্ৰাহ্মণসজ্জন, বিৱাহিত,

অবিৱাহিত সকলোৱেই সমানে, সামাজিক কোনো বাধা নিষেধ নোহোৱাকৈ, নৰ্ত্তকীৰ নৃত্য উপভোগ কৰিব পাৰিছিল। মুঠতে কাব্যখন পতিব্ৰতা নাৰীৰ এক সুমধুৰ জীৱন কাহিনী। সংস্কৃত সাহিত্যৰ দৰে তামিল সাহিত্যতো নাৰীৰ নিৰ্ম্মল জীৱনৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হয়। সংস্কৃত সাহিত্যৰ দৰে এই সাহিত্যতো কৰ্ম্মফল বিশ্বাসৰ প্ৰভাৱ ব্যাপক।

অতীজতে প্ৰায় ওঠৰ শ বছৰৰ পূৰ্ব্বে আৰ্য্যাৱৰ্ত্ত আৰু দাক্ষিণাত্যৰ মাজত যথেষ্ট বিদ্বেষ ভাবৰ উদ্ভৱ হৈছিল। এই বিদ্বেষ চেৰা ৰাজ্যাধিপতিৰ বিজয়ী অভিযানৰ অৱশেষত বিশেষ ভাবে তীব্ৰ হৈ উঠা দেখা যায়। কাব্যখনক সমগ্ৰ দাক্ষিণাত্যৰ কৃষ্টি-সভ্যতা, সাহিত্য, শিল্প-কলা আদিৰ নিঃসন্দেহে প্ৰতিচ্ছবি বুলিব পাৰি।

অনাৰ্য্য কৃষ্টিৰ, সভ্যতাৰ মনোৰম জেউতি প্ৰতিফলিত হোৱা, প্ৰাচীন যুগ এটাৰ মনোহৰ ছবি ৰূপায়িত কৰা, এনে তৰহৰ বিখ্যাত কাব্য এখনৰ লগত সকলোৰে পৰিচয় থকাটো বাঞ্ছনীয়। এই উদ্দেশ্যকে সাৰোগত কৰি এ, এছ্, পঙ্কপেকশ আয়াৰ এম-এ (অক্সফোৰ্ড), বাৰ-এট-ল, আই-ছি-এছ, এফ্-আৰ্-এছ্-আই মহোদয়ে ধুনীয়া ইংৰাজীত এই কিতাপখন উলিয়াইছে। কিতাপখনৰ পৰা কন্নকী কভালানৰ কাহিনীটো যুগুত কৰিবলৈ তাহানি মোক কৃষ্ণকান্ত সন্দিকৈ এম-এ, (কেল্ এট্ অক্সন) মহোদয়ে দিছিল। এইয়া আজি প্ৰায় এযুগৰ কথা। সন্দিকৈ ডাঙৰীয়াৰ নিৰ্দ্দেশ অনুসৰি কিতাপখন যুগুত কৰি সেই সময়ৰ 'আৱাহন' আলোচনীত ধাৰা-বাহিকৰূপে উলিয়াইছিলো। তেখেতে মোক কেইবাদিনো কৈছিল: "এইখন, কিতাপ আকাৰেৰে উলিওৱাহে। তোমাৰ দৰ্ম্মহাৰ পৰা মই কিছু আগধন দিওঁ।" তেতিয়া যোৰহাট কলেজত মই মাহিলী পয়সত্তৰ টকা দৰ্ম্মহাত ইংৰাজীৰ অধ্যাপক। তেখেত সেই কলেজৰে তেতিয়া অধ্যক্ষ।

এই দৰে বহুত বছৰ বাগৰি গল। কিতাপখন প্ৰায় হেৰাই গৈছিল। এনেতে আমাৰ পুৰণি ছাত্ৰ নন্দ তালুকদাৰে কৰবাৰ পৰা বস্তুটো আনি উদ্ধাৰ কৰি দিলেহি। এওঁৰ অসমীয়া সাহিত্য প্ৰীতিৰ মই তাৰিফ কৰিছো। ঈশ্বৰে এই আড়ম্বৰহীন ডেকাজনৰ কল্যাণ কৰক।

উদ্দেশ্যটো ব্যাখ্যা কৰি দিল্লীৰ পৰা আজি কিছুদিনৰ আগতে আয়াৰ চাহাবলৈ এখন চিঠি দিছিলো। এখেত বৰ্ত্তমান মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ

ন্যায়াধীশ। চিঠিৰ উত্তৰ তৎক্ষণাত আহিল। অতি চমৎকাৰ চিঠি। ইমান সহজে কিতাপখন উলিয়াবলৈ অনুমতি দিয়াৰ কাৰণে তেখেতৰ ওচৰত মই ঋণী। সন্দিকৈ ডাঙৰীয়াৰ ওচৰতো মই ঋণী,—এইদৰে ভাল বস্তু এটা আঙুলিয়াই দেখুৱাই দিয়াৰ কাৰণে। জনা বুজা মানুহৰ ওচৰত থাকিলে এইখিনিয়েই উপকাৰ।

এনে ধৰণৰ মহাকাব্য এখনৰ সৈতে অসমীয়া পঢ়ুৱৈ সমাজক পৰিচয় কৰি দিয়াৰ ধাউতি লৈয়েই আমাৰ চাহাবৰ 'কন্নকী এণ্ড কভালান' বোলা কিতাপখনৰ পৰা 'কন্নকী' যুগুত কৰিলো। পঢ়ুৱৈ সমাজে কিতাপখন পঢ়ি কেনে পায়, কব নোৱাৰো। ভাল পাব বুলি নিজে হলে ধৰি লৈছো। নেপালে নাই।

বয়সে আচোঁৰ পেলাব নোৱাৰা লয়াৰ্ছ বুকষ্টলৰ সৰবৰহী প্ৰোপ্ৰাইটাৰ বিচিত্ৰ নাৰায়ণ দত্তবৰুৱা ডাঙৰীয়াই কিতাপখনৰ প্ৰকাশৰ দায়িত্ব লোৱা কাৰণে মই কৃতজ্ঞ। মানুহজন চিৰন্জীৱী হওক—ইয়াকে কামনা কৰিলো।

বি, বৰুৱা কলেজ ঃ
গুৱাহাটী ঃ ১৯৫৯

হেম বৰুৱা

## কন্নকী কভালানৰ মিলন ঃ

প্ৰায় ওঠৰশ বছৰৰ আগৰ কথা। পুহৰ নগৰ মহা পৰাক্ৰমী চোলা ৰাজ্যৰ ৰাজধানী আছিল। চোলা ৰাজ্যৰ কোঁৱৰসকল সূৰ্য্য আৰু শিৱিৰ বংশজ বুলি বহুতৰে ধাৰণা। নগৰখন আছিল কাৱেৰী নৈৰ মোহনাত। ই আছিল বেপাৰ-বাণিজ্যৰ কেন্দ্ৰথলী। আনকি গোটেই চোলা ৰাজ্যৰে ইয়াক কেন্দ্ৰথলী বুলি কলেও বৰ বেচি ভুল কৰা নহব। সেই সময়ৰ চোলা ৰাজ্যৰ সীমা, উত্তৰে তিৰোপতি পৰ্ব্বতমালা, দক্ষিণে ভেলাৰ নৈ, পূৱে বঙ্গোপসাগৰ, পশ্চিমে চেৰা ৰাজ্যই শেষ। চোলা ৰাজ্যৰ কাড়িবল নামে জনাজাত, যশস্বী ভূপতি গৰাকীয়ে এই ৰাজ্যৰ সৌন্দৰ্য্য, সমৃদ্ধি আদিৰ উন্নতি বিশেষভাবে সাধন কৰিছিল। গোটেই ৰাজ্যতে তেওঁ ধুনীয়া মঠ-মন্দিৰ, ৰাজ-কাৰেং, বিতোপন উদ্যান আদি সজাইছিল। কাৱেৰী নৈৰ শ শ যোজন বিস্তৃত মথাউৰি তেৱেঁই সজাইছিল। তাঞ্জোৰ প্ৰদেশখন হল দাক্ষিণাত্যৰ ধন-সোণৰ ভৰাঁল। পুহৰ নগৰখন হল মণি-মৰকত, হীৰা-মুকুতা ইত্যাদিৰ উপৰিও উদ্ভিদজাত বস্তুৰ প্ৰধান বন্দৰ। এইজনা ৰজায়েই হিমালয়ৰ দাঁতিকাষৰীয়া ৰাজন্যবৰ্গক পৰাস্ত কৰি নিজা ৰাজ্যৰ খ্যাতি বঢ়াইছিল। পৰ্ব্বতৰ শিলনিৰ বুকুত এৱেঁই ৰাজ্যৰ পতাকা-চিহ্ন ( ব্যাঘ্ৰ-চিহ্ন ) অঙ্কিত কৰাইছিল। সেই পৰ্ব্বতৰে এটা গিৰি-পথৰ নাম তেওঁ "চোলা গিৰিপথ" ৰাখিছিল। নাগবোৰক পৰাস্ত কৰি তেওঁলোকৰ ৰাজ্য নাগাপট্টম তেওঁৰ ৰাজ্যৰ অন্তৰভুক্ত কৰিছিল। ভেনী যুদ্ধত চেৰা নৃপতিক পৰাজয় কৰিছিল। সিংহল দ্বীপ আক্ৰমন কৰি শৌৰ্য্য-বীৰ্য্যৰ

পৰিচয় দিছিল। অতি সমাৰোহেৰে "ইন্দ্ৰোৎসৱ" পালন কৰাৰ উপৰিও আন এটা উৎসৱ "নতুনোৎসৱ" নামেৰে অভিহিত কৰি এৰেঁই প্ৰচলন কৰাইছিল। এনে দৰেই মুখৰ নগৰবাসীৰ মাজত আনন্দৰ নিজৰা বৈছিল।

পুহৰ নগৰখন আহল বহল আছিল। ই দুটা ভাগত বিভক্ত আছিল। ইয়াৰে এটা ভাগ, মৰুভূপুৰত, চহৰৰ প্ৰায়বোৰ বিদেশী বণিকৰ সুবৃহৎ বাস-ভৱনসমূহ আছিল। এই অঞ্চলটোৰ হাটে-বাটে বিদেশী বণিক, বিদেশী নাৱিকসকলৰ লগত সাক্ষাত হোৱাটো এটা সৰ্ব্বসাধাৰণ কথা। বজাৰবোৰত নানাবিধ ৰেশমি কাপোৰ, মণি-মুকুতা, নানা প্ৰকাৰৰ সুগন্ধী কাঠ আদিৰ বেচা-কিনাৰ পয়োভৰ সহজে চকুত পৰে। ৰজক, স্বৰ্ণকাৰ, মৎসজীৱী, সঙ্গীতজ্ঞ ইত্যাদি শ্ৰেণীৰ মানুহ এই অঞ্চলতেই বাস কৰিছিল। এই অঞ্চলৰ বাটে-ঘাটে বহুত প্ৰকাৰৰ ৰহন, ফুল, সুগন্ধী আতৰ আদি বেচোঁতাই বেচি ফুৰা দেখা যায়।

মৰুভূপুৰৰ পৰা পট্টিনপক্কম অঞ্চলটো কিছু পৃথক। দুয়োটা অঞ্চলৰ মাজত এখন বহল পথাৰ। ইয়াতেই চহৰৰ দৈনিক বজাৰ বহে। নগৰৰ এই পট্টিনপক্কম ভাগটো বিশেষভাবে সমৃদ্ধিশালী। ইয়াতেই বিশাল উদ্যানে আগুৰি থকা ৰাজ-প্ৰাসাদ, তামিল বণিক কোৱঁৰসকলৰ বিতোপন বৃহৎ কাৰেঙবোৰ অৱস্থিত। নগৰৰ ব্ৰাহ্মণ সজ্জন, ক্ষেত্ৰীয়, ভূ-সম্পত্তিৰ অধীশ্বৰ, মনোৰমা নৰ্ত্তকী আদিৰো ইয়েই বাসস্থান।

নগৰৰ সোঁ মাজতে ভূট-চট্টকম বা নগৰৰক্ষী দেৱতাৰ মন্দিৰটো। মাজনিশা এইজনা দেৱতাৰ ভীষণ গৰ্জ্জনে গোটেই নগৰখনতে ভয়ঙ্কৰ এক প্ৰতিধ্বনিৰ সৃষ্টি কৰে বুলি এটা জনপ্ৰৱাদ আছে। ভুৱা সাধু সন্যাসী, চৰিত্ৰহীন নাইবা আন প্ৰকাৰে কলঙ্কিত নৰ-নাৰী সকলোৱেই এইজনা দেৱতাৰ ভয়ত ত্ৰ্যস্তমান। সৰ্ব্বসাধাৰণৰ বিশ্বাস,—এনেবোৰক উপযুক্ত শাস্তি বিহিবলৈ দেৱতাজনা সদায়েই

প্ৰস্তুত। বজাৰথলীত হেজাৰ হেজাৰ বাণিজ্য দ্ৰব্যৰ টোপোলা ৰক্ষকবিহীন হৈ এনেয়ে পৰি থাকে; তথাপি সেইবোৰৰ কোনো হানি-বিঘিনি নঘটে। নগৰত সিংহদ্বাৰ বা প্ৰহৰীৰ কোনো প্ৰয়োজন নাছিল। সেই দেৱতাজনেই নগৰখনক সকলো উপদ্ৰৱৰ পৰা চিৰকাল ৰক্ষা কৰিছিল। সেই নগৰখনতেই আন আন দেৱ-দেৱীৰো ভালেমান মন্দিৰ আছিল। বিষ্ণু মন্দিৰ,—দুগ্ধ সলিলত অনন্তশয়নম ৰূপত বিষ্ণুৰ মূৰ্ত্তি সম্বলিত। আন আন মন্দিৰবোৰত শিৱ, বলোৰাম, ইন্দ্ৰ, কৰাভী ( বিজয়িনী দেৱী ) আদিৰ মূৰ্ত্তি ৰখা হৈছিল। ইয়াৰ উপৰিও এজোপা বৌদ্ধ-বৃক্ষ, সাতোটা বৌদ্ধ-বিহাৰ আদিও আছিল। সাধাৰণৰ বিশ্বাস যে এই দেৱ-দেৱীৰ মন্দিৰবোৰ মানুহে হাতেৰে সজা নহয়। স্বয়ং ইন্দ্ৰ দেৱতাৰ দ্বাৰা এইবোৰ প্ৰতিষ্ঠিত। সমুখত নানাবিধ মণি-মৰকতৰে কাৰুকাৰ্য্য কৰা, অশোক বৃক্ষ এজোপাৰে, জৈন মন্দিৰ এটাও ইয়াতেই আছিল।

এনেখন পুহৰ নগৰীতেই মানাকন নামেৰে এজন যশস্বী মুদৈ-কোঁৱৰ বাস কৰিছিল। তেওঁৰ ব্যৱসায়-বাণিজ্য সমুদ্ৰ ব্যাপি প্ৰসাৰিত আছিল। এওঁ আছিল অশেষ দানী, পৱিত্ৰ আত্মাৰ ব্যক্তি। এওঁৰ অট্টালিকাটো কাৱেৰী নৈৰ পাৰতে আছিল। তেওঁৰ পত্নীৰ নাম আছিল আনদল। জীৱনৰ প্ৰায় মাজছোৱালৈকে তেওঁলোকে সতি-সন্ততিৰ মুখ দেখা নাছিল। অশেষ পূজা-অৰ্চ্চনা দান-দক্ষিণা কৰাৰ পাছত এটি অতি ৰূপৱতী, তপ্তকাঞ্চন বৰণী কন্যা তেওঁলোকৰ লাভ হয়। এই কন্যাটিৰ তেওঁলোকে নাম ৰাখিলে কন্নকী। চৈধ্য বছৰীয়া দেওনা পাৰ হওঁতে নহওঁতেই তেওঁৰ ফুটন্ত যৌৱনৰ ৰূপৰ ছটাই সকলোকে মোহিত কৰিলে। শৰীৰৰ কমনীয়তাত তেওঁ আছিল সাক্ষাৎ লক্ষ্মী স্বৰূপিনী। অন্তৰৰ বিনম্ৰতা আৰু আন গুণৰাশিত সাক্ষাত অৰুন্ধতী।

সেই পুহৰ নগৰীতে মাছাতুভান নামেৰে আন এজন বণিক-

কোঁৱৰ বাস কৰিছিল। তেওঁৰ বাণিজ্যৰ ক্ষেত্ৰ সমগ্ৰ দাক্ষিণাত্য উপকূল বিস্তৃত হৈ আছিল। এসময়ত সেই ৰাজ্যত দুৰ্ভিক্ষ হোৱাত এই জনা বণিক-কোঁৱৰে প্ৰপীড়িতসকলৰ মাজত যথেষ্ট ধন-সোণ বিলাই দিছিল। এই দৰেই দুৰ্দ্দশাগ্ৰস্থ বহুতৰেই তেওঁ প্ৰাণ ৰক্ষা কৰিছিল। এই মহৎ কাৰ্য্যৰ কাৰণেই মহাৰাজ কাৰিবলে তেওঁক ৰাজকীয় বংশ-মৰ্য্যাদা প্ৰদান কৰি শ্ৰদ্ধা জনাইছিল। তেওঁৰ কভালান নামেৰে সকলো কলাবিদ্যা বিশাৰদ অতি সুন্দৰ এটি পুত্ৰ সন্তান আছিল। বয়স প্ৰায় ষোল বছৰ। ৰূপ-গুণৰ পিনৰ পৰা শিৱ-তনয় সুব্ৰমন্যৰ সমকক্ষ।

এই দুয়োটি ৰত্ন,—কভালান আৰু কন্নকীৰ মিলন প্ৰায় সকলোৰ আকাঙ্ক্ষাৰ বস্তু। সকলোৰে মুখত দুয়োটিৰে গুণ-গৰিমাৰ কথা। কভালানৰ কাণত কন্নকীৰ ৰূপ-যৌৱনৰ কথা পাৰিছিলহি। কন্নকীয়েও সখীয়েকহঁতৰ মুখৰ পৰা কভালানৰ যশস্যাৰ কথা শুনিছিল। অজানিতে এখন অন্তৰ আন এখন অন্তৰৰ কাষ চাপি আহিল। কিবা এক উৎসৱত এদিন অকস্মাৎ কন্নকী আৰু কভালান,—দুয়োৰে দেখা হল। সেই এক মুহূৰ্ত্ততে দুয়োৰে মনৰ মাজত বিজুলী চমকি উঠিল। প্ৰণয়ৰ ইঙ্গিতত দুখন অন্তৰ গভীৰ হৈ উঠিল।

বৈশ্য শাস্ত্ৰানুসাৰে পূৰ্ণ-যৌৱনা হোৱাৰ পূৰ্ব্বেই কন্যাৰ বিবাহ কাৰ্য্য সমাধা হোৱা উচিত। কন্নকী বিবাহযোগ্যা হোৱা স্বত্বেও সেই পৰিমিত কোনো সুবিধা কৰিব নোৱাৰাৰ বাবে কন্যা-মাতা আনদলৰ মনত যথেষ্ট অশান্তি। এদিন সন্ধিয়া আনদল বিষাদ মনেৰে বহি আছিল। তাকে দেখি মানাকনে "কি হৈছে" বুলি সুধিলে। সোধাৰ লগে লগে আনদলৰ খং উঠি গল: "কিনো হব আৰু! নাচি-বাগি ফুৰিবলৈ মোৰ কিবা ৰং লাগিছেনে?" মানাকনে কৈ পেলালে: "তোমাৰ অকণো কাণ্ড-জ্ঞান নাই হে। কথা এটা সুধিবই নোৱাৰি, যিহকে পায়, তিহকে কোৱা।"

শয়নকক্ষত মানাকনে ভালেমান সময় বাট চাই ৰল। তথাপি আনদল নাহিল। আনহাতে তেওঁও কন্নকীৰ বিয়াৰ কথাকে ভাবি-চিন্তি অস্থিৰ হৈ আছিল। আনদলৰ লগত এই বিষয়ে তেওঁ পৰামৰ্শ কৰিবলৈ বিচাৰিছিল। অৱশেষত তেতিয়াও নহা দেখি বেটী এজনী পঠাই দিলে,—পত্নীক মাতিবলৈ বুলি।

শয়নকক্ষত সোমায়েই আনদলে প্ৰশ্ন কৰিলেঃ "মোক কিয় মাতিছিল ?

"তোমাৰ সৈতে পৰামৰ্শ কৰিব লগা এটা বিশেষ কথা আছে। আহাচোন, ওচৰতে বহা।"

"মোৰতো কোনো কাণ্ডজ্ঞান নাই। মোৰ লগত পৰামৰ্শ কৰাৰ পৰা কিবা জানো লাভ আছে ?"

"ইস্, তুমি ধেমালিও নুবুজা। তোমাক এনেয়ে জোকাইহে চাইছিলোঁ। এতিয়া আৰু সেইবোৰ কথা থোৱা। এটা কথা,—আমাৰ এই কন্নকীজনীৰ বিয়াৰ কি দিহা কৰা যায় ?"

"কন্নকীৰ কথা,"—একেবাৰেই আত্মহাৰা হৈ আনদল তেনেই ওচৰ চাপি আহিল। "আজি ভালেমান দিন মই তাইৰ বিয়াৰ কথাকে চিন্তা কৰি আছোঁ।"

"তেন্তে ইমান দিনে মোক কোৱা নাছিলা কিয় ? তুমি ভাবা নেকি এই সমস্যাই মোক অস্থিৰ কৰা নাই বুলি ? আজি, বুজিছা, সন্ধিয়াৰ সেই ভোজ-উৎসৱত মাছাতুভানে মোক এফলীয়াকৈ মাতি নি আমাৰ লগত কিবা সম্বন্ধ স্থাপন কৰিবলৈ পালে যে ভাল পাব, তাৰেই ইঙ্গিত দিলে। মই অৱশ্যে তেওঁক মনৰ কথা এতিয়াও একো কোৱা নাই। তোমাৰ মত নোলোৱাকৈ কিবা এটা কোৱাটো জানো উচিত হব ? তুমি জানাই কভালানৰ গুণ-গৰিমাৰ কথা দেখোন প্ৰায় সকলোৰে মুখে মুখে। সিহঁত ছুটা বেচ মিলিব,—নহয় ?"

"বৰ ধুনীয়া হব। এই মুহূৰ্ত্ততে কিবা এটা দিহা কৰক।

অলপো বাট চোৱা যুগুত নহব। কিয় আপুনি দেখোন মোক নোসোধাকৈয়ে মত দি আহিব পাৰিলে হেঁতেন ?”

“ওঁহো। আজিলৈকে তোমাক নোসোধাকৈ মই জানো কিবা কৰিছোঁ ? সকলো কথাতে আমাৰ মাজত আগতীয়াকৈ আলোচনা হোৱাটো ভাল।”

“তেন্তে কাইলৈ শুকুৰবাৰে যেনে তেনে মাছাতুভানক লগ ধৰি সকলোখিনি মীমাংসা কৰি পেলাব। কাইলৈ তাতে দিনটোও ভাল।”

সেই নিশা দুয়োৰে কল্পনাত জিলিকি উঠিল কন্নকীৰ ভবিষ্যতৰ স্বপ্ন। একেটি মাথোন সন্তান। তাইৰ সোণোৱালী জীৱনৰ কথা কল্পনা কৰি দুয়ো আত্মহাৰা হৈ পৰিল। এইদৰেই বৰ্ত্তমানৰ আৰু ভবিষ্যতৰ অস্পষ্ট মধুৰ এক দোমোজাত নিশাটো অতিবাহিত হল। নিশাৰ নিস্তব্ধতা ভেদি পুৱঁতিৰ চৰাইৰ কিৰিলিয়ে নতুন এটা দিনক নিমন্ত্ৰণ জনালে।

পুৱাই মানাকন মাছাতুভানৰ প্ৰাসাদলৈ আহিল। সকলো কথাৰ পৰিপাটীকৈ আলোচনা হল। দুয়োৰে ইচ্ছা যাতে বিৱাহৰ পূৰ্ব্বে বৰ-কন্যাৰ সাক্ষাৎ হয়। যাতে এনে শুভ-কাৰ্য্য দুয়োৰে অন্তৰৰ বিনিময়ত সমাধা কৰিব পাৰি,—সেই কাৰণে।

সকলো দিহা কৰা হল। এই বিষয়ে সাজু হবলৈ কন্নকী আৰু কভালান,—উভয়লৈকে সংবাদ পঠোৱা হল। কোনেও কাকো নেজানে। গতিকে দুয়োৰে অন্তৰত আশা-নিৰাশাৰ অলেখ স্পন্দন উঠাটো স্বাভাৱিক। পিতৃৰ আজ্ঞা পালি, লাজ সংকোচ মনতে সাঁচি লৈ, দুয়ো আহি উপস্থিত হল। দুয়োৰে মাজত মুহূৰ্ত্ততে বিজুলী শিহৰণ হল। অলক্ষিতে দুয়োৰে অন্তৰত অজানিত আনন্দৰ, তৃপ্তিৰ জোৱাৰ উঠিল। তাৰে প্ৰতিবিম্ব চকুৱে মুখে দুয়োৰে বিৰিঙি উঠিল। সেই সহজাত আকৰ্ষণ লক্ষ্য কৰি মানাকন আৰু মাছাতুভানে অতি শীঘ্ৰেই শুভ-কাৰ্য্য সমাপন কৰিবলৈ ঠিৰাং কৰিলে।

লয়লাস ভঙ্গিমাৰে নগৰৰ যুৱতীহঁতে হাতীৰ পিঠিত আৰোহণ কৰি সম্ভ্ৰান্ত পৰিয়ালসমূহক বিবাহ-কাৰ্য্যলৈ নিমন্ত্ৰণ জনালে। অতি সমাৰোহেৰে দৰা-কন্যাক সজাই পৰাই শোভাযাত্ৰা কৰি নগৰৰ মাজে মাজে লৈ যোৱা হল। আকাশ বতাহ সঙ্গীতৰ সুৰত স্পন্দিত হৈ উঠিল। সন্ধিয়াৰ লগে লগে দৰা-কন্যাক নি ৰেশমি নীলিম চন্দ্ৰতাপৰ তলত, নানাবিধ মনি-মুকুতাৰে বুটা তোলা আসনত বহুৱা হল। ৰভা-মণ্ডপৰ ৰত্নখচিত স্তম্ভবোৰ নানা ৰঙৰ বন্তিৰ পোহৰ পৰি জকমকাই উঠিল। গোটেই পৰিবেশ-টোৱেই কিবা এক অৱাস্তব ছবিলৈ ৰূপান্তৰিত হল। চন্দ্ৰ আৰু ৰোহিণী নক্ষত্ৰৰ সংগম ক্ষণত কভালানে অগ্নিদেৱতাক সাক্ষী কৰি সপ্তপদী কাৰ্য্য সমাধা কৰিলে,—কাষৰত সেই অনিন্দ্যসুন্দৰী কন্নকী। এই কাৰ্য্য সমাধা কৰি ৰাজন্যবৰ্গ, নগৰৰ গণ্য-মান্য সকলোৰে উপস্থিতিত কন্যাৰ ডিঙিত "টালী", বিয়াৰ অলঙ্কাৰ পিন্ধালে। চালে চকুৰোৱা ৰূপহীহঁত আহি দৰা-কন্যাক চন্দন ফুল, নানাবিধ সুগন্ধী আতৰ দি গলহি। তাৰ পিছত শাৰীয়ে শাৰীয়ে বন্তি জ্বলাই আনি নৱ-দম্পতীক প্ৰদক্ষিণ কৰি তেওঁলোকে উচ্চাৰণ কৰিবলৈ ধৰিলে: "তোমালোকৰ এই দাম্পত্য জীৱন মধুৰ হওক। প্ৰণয় যাউতিযুগীয়া হওক,—এইয়ে আমাৰ কামনা।" এনে দৰে মাঙ্গলিক কাৰ্য্য সমাধা কৰাৰ পিছত গাভৰুহঁতে বৰ-কন্যাক লৈ গল সু-সজ্জিত শয়নকক্ষলৈ।

শয়নকক্ষ প্ৰৱেশ কৰিয়েই কন্নকী কভালান বহিল, নানাবিধ ৰত্নেৰে সু-শোভিত এখন পালেঙৰ ওপৰত। কভালানৰ ডিঙিত এধাৰি কামিনী ফুলৰ মালা। কন্নকীৰ ডিঙিত বিজুলী ফুলৰ মালাই শোভা বঢ়াইছিল। কভালানে লাহেকৈ নিজৰ ডিঙিৰ মালাধাৰি কন্নকীৰ ডিঙিত পিন্ধাই দিলে।

শয়নকক্ষৰ মৃদু পোহৰত কভালানৰ বুকুত জোৱাৰ উঠিছে; কন্নকীৰ বুকুতো। দুয়োৰে অন্তৰ গভীৰ হৈ পৰিছে। অৱশেষত

কভালানৰ মুখত লাহেকৈ নিগৰি পৰিল ঃ “মোৰ বুকুৰ কাষ চাপি আহা, সোণ। তোমাৰ ওঁঠৰ মধুৰ স্পৰ্শ ই মোৰ অন্তৰত জগাই তুলিছে অলেখ কামনা, অসীম বাসনা। কামদেৱৰ নয়নযুৰিতকৈ তোমাৰ দেহা সুকোমল। পদুমতকৈ মনোহৰ। বিশ্ব-জগতৰ সকলো সৌন্দৰ্য্য যেন তোমাতেই মূৰ্ত্তিমন্ত হৈ উঠিছে। ৰতি আৰু কামদেৱৰ বিচ্ছেদ সম্ভৱপৰ হলেও আমাৰ নহয়। ই হবই নোৱাৰে।”

প্ৰাণৰ আবেগত কব নোৱাৰাকৈয়ে দুয়ো শয্যাত বাগৰি পৰিল। কভালানে প্ৰিয়তমাৰ ধুনীয়া বাহুযুগলত চন্দন সানি দিলে। কামদেৱৰ প্ৰণয়-চিহ্ন আঁকি দিলে। প্ৰিয়াক বুকুত আকৌ সাৱটি ললে ঃ “প্ৰিয়ে, দেৱ-কন্যা তুমি। কামদেৱ, ইন্দ্ৰ, সুব্ৰমন্য,—সকলো দেৱতা এক গোট হৈ তোমাক এই বিশ্ব-বিমোহিনী ৰূপ দিলে। তোমাৰ সৌন্দৰ্য্যৰ তুলনাত ময়ূৰৰ পেখমো অতি তুচ্ছ। তোমাৰ কণ্ঠ-স্বৰৰ তুলনাত কুলিৰ কণ্ঠ-সুৰ ম্লান হৈ যায়। দেৱী, তুমি পীনোন্নত পয়োধৰা। তোমৰ মধ্যদেশ ইমান লাহী। ওঁঠ দুটা ইমান ৰঙা। নয়নযুৰি এনে নীলিম কান্তিময়। তোমাৰ দেহ-জ্যোতিৰ সমুখত সকলো ৰত্নৰাজিৰ জেউতি নিষ্প্ৰভ হৈ যায়। তুমি কামিনী-কাননৰ মুক্তা। তুমি স্বয়ং পাৰ্ব্বতীতকৈয়ো মনোৰমা। লক্ষ্মীতকৈও বিতোপনী। সৰস্বতীতকৈয়ো সিগ্ধ, নিৰ্ম্মল। কন্নকী, ইমান সুন্দৰ তুমি। ইমান স্নিগ্ধ। ইমান নিৰ্ম্মল। ইমান নিকা। আহা, মোৰ বুকুৰ মাজলৈ আহা, সোণ!”

অন্তৰত উথলি উঠা আবেগ-অনুৰাগৰ তীব্ৰতাত দুয়ো পাহৰি গল বাহিৰৰ ধুনীয়া জোনাক নিশাটোৰ কথা, প্ৰাণ মতলীয়া কৰা প্ৰকৃতিৰ ৰূপৰাশিৰ কথা। সকলো বিস্মৃত হৈ গল শয়নকক্ষৰ যুটীয়া জীৱনৰ আধা-ছাঁ, আধা-পোহৰত। প্ৰণয়ৰ উত্তাপত দুয়ো আপোনপাহৰা,—দুয়ো আত্মহাৰা। তেওঁলোকৰ বাবে জোনপূৰ বাহিৰৰ নিশাটো উকা। কোনো অৰ্থ ই নাই। শয়নকক্ষৰ অন্তৰথলীৰ যুগ্ম জীৱনটোহে সঁচা।

## বিচ্ছেদৰ কালিমা ঃ

এইদৰেই প্ৰণয়-অনুভূতিৰ জোৱাৰত উটি বুৰি কন্নকী আৰু কভালানে কিছুদিন মাছাতুভান পৰিয়ালৰ বাস-ভৱনত অতিবাহিত কৰিলে। নৱ-দম্পতী যোৰাৰ কাৰণে নানা মণি-মুক্তাৰে নিৰ্ম্মিত এটা স্বকীয়া প্ৰাসাদ সজা হল। নানা বেটী-বন্দী পৰিচৰ্য্যাৰ কাৰণে নিয়োজিত হল। নৱ-পৰিণীতা পত্নীৰে সৈতে কভালানে তাতে থাকিবলৈ ললে। কন্নকীয়ে যাতে কোনো বাধা নোহোৱাকৈ ফুৰা-চকা কৰিব পাৰে,—এইয়ে হল কভালান-মাতৃৰ মনৰ ইচ্ছা। তাৰ বাবেই এই স্বতন্ত্ৰৰীয়া বাস-ভৱনৰ ব্যৱস্থা কৰা হল।

এইদৰেই তিনটা বছৰ অপৰিসীম প্ৰেম-প্ৰীতিৰ মাজেদি অতি-বাহিত হল। কন্নকীৰ গুণ-গৰিমা, যশ-খ্যাতি, দৰিদ্ৰ-নিষ্পেষিতৰ প্ৰতি সহায় সমবেদনাৰ কথা গোটেই নগৰতে বিয়পি পৰিল। কভালানৰ স্বদেশ-প্ৰীতি, কলা-বিদ্যা, নৃত্য-সঙ্গীতৰ প্ৰতি অনুৰাগৰ কথাও চহৰত বিয়পি পৰিল। বাঁহী, বীণা আদি বাদ্যযন্ত্ৰত কভালানৰ পাৰদৰ্শিতাৰ কথা প্ৰায় সকলোৰে মুখে মুখে। সঙ্গীত-কলা সম্বন্ধীয় সকলো তথ্যমূলক বিষয়-বস্তুৰ কথাও তেওঁ বঢ়িয়াকৈ জানিছিল। প্ৰাচীন আৰু আধুনিক দুয়োবিধ নৃত্য-কলাৰ বিষয়ে কভালানৰ যথেষ্ট ব্যুৎপত্তি আছিল। নগৰৰ সকলোবোৰ সঙ্গীত অধিবেশনতেই তেওঁৰ উপস্থিতি অপৰিহাৰ্য্য আছিল। এইবোৰত তেওঁৰ উপস্থিতি সকলোৱে সূক্ষ্ম ভাবে কামনা কৰিছিল।

নগৰৰ বিখ্যাত চিত্ৰপতি সুনিপুণা এগৰাকী নৃত্যকলা-বিশাৰদা আছিল। তেওঁৰ নৃত্য-প্ৰদৰ্শনত ৰজা-প্ৰজা, কোঁৱৰ-কুঁৱৰী সকলো

সমানে বিমুগ্ধ হৈছিল। এনেবোৰ নৃত্য-প্ৰদৰ্শনলৈ কভালান প্ৰায় সদায়েই আহিছিল। চিত্ৰপতিৰ অতি মনোৰমা, সুন্দৰী এগৰাকী কন্যা আছিল। নাম মাধৱী। নৃত্য-গীত সকলোতে পটীয়সী। সেই পৰিয়ালত, অতীজতে অগস্ত্য মুনিৰ অভিশাপত, বিদ্যাধৰী উৰ্ব্বশীৰ, মাধৱী নাম লৈ জন্ম হৈছিল বুলি এটা সৰ্ব্বসাধাৰণ প্ৰবাদ আছে। এতিয়াৰ নৃত্য-পটীয়সী মাধৱীও যেন অপ্সৰা উৰ্ব্বশীৰেই এটি মনোৰম প্ৰতিবেদন।

স্বৰ্গৰ ইন্দ্ৰ-সভাত অনুষ্ঠিত হোৱা নৃত্য-গীতৰ এক অধিবেশনত ইন্দ্ৰৰ পুত্ৰ জয়ন্তৰ ৰূপ-যৌৱন নিৰীক্ষণ কৰি বিমনা হোৱাত উৰ্ব্বশীৰ নৃত্য-গতিৰ তাল ভাঙ্গিছিল। আনকি মুনি নাৰদেও সেই দৃশ্যত বিমুগ্ধ হৈ বীণত সুৰ সমাবেশ কৰিবলৈ পাহৰি গৈছিল। কৰ্ত্তব্যৰ প্ৰতি, কলাবিদ্যাৰ প্ৰতি এনে ধৰণৰ অসংযত অৱহেলা দেখি অগস্ত্য মুনি কোপ-অনলত দগ্ধ হল। তেওঁ অভিশাপ দিলেঃ উৰ্ব্বশী মৰ্ত্তত নৰ্ত্তকী হৈ জন্মগ্ৰহণ কৰিব। জয়ন্তই জন্ম লব সাধাৰণ বাঁহ গছ হৈ। পুহৰ নগৰত “ইন্দ্ৰোৎসৱ”-ত তেওঁ নৃত্য কৰিব হাতত “তালাইকল”, অৰ্থাৎ এই জয়ন্ত বাঁহৰ এক অংশ লৈ। এইদৰেই জয়ন্ত পৃথিৱীলৈ গৈ উৰ্ব্বশীৰ নৃত্যবিদ্যাত সহায় হব। দুয়ো লগ-লাগি ইন্দ্ৰ দেৱতাৰ প্ৰতি অতলস্পৰ্শী শ্ৰদ্ধাৰ নিবেদন জনাব। সঙ্গীতৰ প্ৰতি অৱহেলাৰ কাৰণে অগস্ত্য মুনিয়ে নাৰদক অভিশাপ দিলে এই বুলি: অন্যান্য বাদ্যযন্ত্ৰৰ তুলনাত বীণৰ প্ৰভাৱ অনেক গুণে হ্ৰাস পাই আহিব।

এই শাপভ্ৰষ্টা উৰ্ব্বশীয়েই অতীজতে আহি মৰ্ত্ত্য-লোকত জন্ম গ্ৰহণ কৰিলে মাধৱী ৰূপে। সেই পৰিয়ালৰে বৰ্ত্তমান মাধৱী অতি কম বয়সতে নৃত্য-গীতত পাৰদৰ্শী হৈ পৰিল। চোলাৰাজ্যৰ অধিপতি টদিহট মাম্বিয়ানে অগস্ত্য মুনিৰ পৰামৰ্শ মতে “ইন্দ্ৰোৎসৱৰ” দিহা কৰিলে। এই উৎসৱ প্ৰায় এমাহ কাল অতি সমাৰোহেৰে ৰাজ্যত চলে। ইয়াৰ প্ৰকৃত উদ্দেশ্য আছিল ৰাজ্যৰ

পৰা বিপদ-বিঘিনি, দুৰ্ভিক্ষ আদি দূৰীভূত কৰা। নগৰৰক্ষী দেৱতা ভূত-চতুক দেৱৰাজ ইন্দ্ৰৰ বশৱৰ্ত্তী। গতিকেই ইন্দ্ৰ দেৱতাৰ পৰিতুষ্টি সাধন মানে তেওঁৰ পৰিতুষ্টি সাধন। প্ৰবাদ আছে যে অতীজত সেই শাপভ্ৰষ্টা উৰ্ব্বশীয়েই হাতত জয়ন্তদণ্ড লৈ এই প্ৰথম "ইন্দ্ৰোৎসৱ"ত নৃত্য কৰিছিল। অৱশেষত শাপমুক্ত হৈ দুয়ো দুনাই স্বৰ্গ-লোকলৈ প্ৰয়াণ কৰিলে। সেই মাধৱী বংশৰ কন্যায়েই যুগ যুগ ধৰি এই "ইন্দ্ৰোৎসৱ"-ত নৃত্য কৰি সকলোৰে অন্তৰ জয় কৰি আহিছিল।

চিত্ৰপতিৰ কন্যা মাধৱীৰ যেতিয়া বয়স প্ৰায় সাত বছৰ, তেতিয়াৰ পৰাই তেওঁৰ নৃত্য-গীতৰ প্ৰতি এক অভূতপূৰ্ব্ব অনুৰাগ পৰিলক্ষিত হয়। নগৰৰ সৰ্ব্বশ্ৰেষ্ঠ সঙ্গীতজ্ঞজন তেওঁৰ শিক্ষাৰ কাৰণে নিয়োজিত হল। নৃত্য-গীতত, দেহৰ কমনীয়তাত, লয়লাস ভঙ্গীত মাধৱীৰ সমতুল্যা পুহৰ নগৰীত আন কোনো নাছিল। "দেশী" আৰু "মাৰ্গীয়",—দুয়োবিধ নৃত্য-কলাতেই মাধৱীৰ বিশেষ পাৰ-দৰ্শিতা প্ৰকাশ পাইছিল।

কভালান প্ৰায়েই চিত্ৰপতিৰ বাস-ভৱনলৈ যায়। তাতেই তেওঁ মাধৱীৰ নৃত্য-গীতৰ দ্বাৰা বিশেষ ভাবে মোহিত হয়। মাধৱীৰ নৃত্য-কৌশল, মোহন ভঙ্গিমাই কভালানক মতলীয়া কৰিছিল। তেওঁৰ মনত স্বাভাৱিকতে এটা বিজনিৰ অৱতাৰণা হল। কন্নকীৰ নৃত্য-গীত সম্পৰ্কে অনভিজ্ঞতাই তেওঁৰ প্ৰাণত বেদনাৰ সৃষ্টি কৰিলে। নৃত্যকলা, সঙ্গীত,—এইবোৰ কি মাদকতাপূৰ্ণ বস্তু, কি মধুৰ! মাধৱীৰ দৰে আজি কন্নকীৰো যদি নৃত্য-গীত আদিত পাৰদৰ্শিতা থাকিলহেঁতেন, তেওঁৰ সেই ভুবনমোহিনী ৰূপৰ জেউতি কিমান গুণে চৰিলহেঁতেন!

এনে ধৰণৰ বিজনি হৈছে মাৰাত্মক বস্তু। এনেদৰে কব নোৱাৰাকৈয়ে মাধৱীৰ প্ৰতি কভালানৰ এটি মৃদু আকৰ্ষণ হল। এইয়া হৈছে সম্পূৰ্ণৰূপে তৃষ্ণাতুৰ শিল্পী এজনৰ সৌন্দৰ্য্যৰ প্ৰতি

সূক্ষ্ম সম্মোহন। কভালানৰ ভালপোৱা ইমান সৰল, সহজ আছিল যে মাধৱীক তেওঁ এদিন নিজা বাস-ভৱনলৈ নিমন্ত্রণ জনালে,—যাতে সেই নৃত্য-গীতৰ মাধুৰী কন্নকীয়েও উপভোগ কৰিবলৈ সুবিধা পায়। মাধৱীৰ নাচোন ভঙ্গিমাই কভালানৰ অন্তৰত অলেখ স্পন্দনৰ সৃষ্টি কৰিলে। মাধৱীৰ অন্তৰতো অজানিতে বাগৰি গল অনুৰাগৰ এটি নিজম লহৰ। কভালানৰ চকুত লহৰ তোলা আৱেগময়ী দৃষ্টিয়ে কন্নকীক যেন সঙ্কেত জনালে,—দাম্পত্য-জীৱনৰ সুখ-শান্তিৰ নিজৰাত যেন কোনোবাই মুঠিয়ে মুঠিয়ে বালিচন্দা সিঁচিছে। এই ব্যথা বেদনাৰ তীব্রতাৰ মাজতো কন্নকীয়ে নিজকে আশ্বাস দিবলৈ ধৰিলে ঃ এইয়া স্বামীৰ নৃত্যকলাৰ প্রতি স্বাভাৱিক অনুৰাগৰ বাহিৰে আন একোৱেই হব নোৱাৰে। এনে অৱস্থাত এনেদৰে মোৰ অযথা সন্দেহ হোৱাটো নিতান্তই অযুক্তিসঙ্গত হৈছে। ইমান চেষ্টা কৰাৰ সত্বেও নৃত্য-গীত পৰিবেশনৰ কালছোৱাত কন্নকীয়ে অলপো নিজৰ প্রাণক বুজনি দিব নোৱাৰিলে ; যেতিয়া মুকুতাৰ মালাধাৰি হাতত লৈ মাধৱী আৰু চিত্রপতি তাৰ পৰা আঁতৰিল, তেতিয়াহে কন্নকীৰ শান্তি ঘূৰাই আহিল।

নৃত্য-গীতৰ শেষ হল। দুয়ো শয়ন কক্ষলৈ আহিল। আহিয়েই কন্নকীয়ে নিজ হাতে স্বামীক চন্দন, আতৰ আদি যাচিলেহি। কভালানৰ মনটো কোনোবা এক স্বপ্ন-লোকত নিবিষ্ট। অন্যমনস্ক হৈ তেওঁ লাহে লাহে তাৰে দুই এপদ বস্তু তুলি ললে।

“আপোনাৰ মুখত আজি বেজাৰৰ চিন কিয় ?”

“নাই ভাই, একো হোৱা নাই”,—এই বুলি লাহেকৈ কন্নকীক বুকুত তেওঁ সাৱটি ললে।

“প্রিয়তম, আমাৰ বুকুৰ আবেগ বাস্তৱত পৰিণত হব কেতিয়াকৈ ?”

কভালানে একো নুবুজাৰ দৰে সুধি পেলালে ঃ “কিহৰ কথা কলা তুমি ?”

স্বামীৰ এই অন্যমনস্ক, উদাস ভাবে কন্নকীক অস্থিৰ কৰি তুলিলে। চকুৰ পাহিত জিলিকি উঠিল তেওঁৰ টোপা টোপে মুকুতাৰ মণিবোৰ।

"নেকান্দিবা সোণ, তোমাৰ কথা মই বুজিছোঁ। কোঁচত এটি পাৰিজাত ফুল যেন কন্যা, নহয় নে বাৰু ?"

মুহূৰ্ত্তলৈ সকলো ব্যথা-বেদনা, জীৱন উখল-মাখল লগোৱা সন্দেহৰ ছাঁ পাহৰিবলৈ যত্ন কৰি কন্নকী কুচিমুচি স্বামীৰ বুকুত সোমাই পৰিল ঃ "আপুনি মোৰ সৰ্ব্বস্ব। মোৰ দেৱতা।"

সেই আবেগ 'অনুৰাগ, মৰম-চেনেহত কভালান বিহ্বল হৈ পৰিল। পত্নীৰ ধুনীয়া মুখখনত হাত বুলাই দি তেওঁ মৰম কৰিবলৈ ধৰিলে। কন্নকীৰ নীলা চকুযুৰি এটা স্নিগ্ধ স্নেহত উজলি উঠিল। কভালান সেই করুণ-কোমল দৃশ্যত অস্থিৰ হৈ পৰিল। কি যে এক উন্মাদনা! সেমেকি থকা ওঁঠ দুটাত অলেখ চুমাৰ স্পন্দন সৃষ্টি হল। কন্নকী স্পন্দিত হৈ উঠিল।

"তোমাৰ চকুত ইমান চকুলো কিয় ?"

"প্ৰিয়তম, অন্তৰৰ আনন্দৰ বেগ সামৰিব নোৱাৰিহে মই এনেদৰে কান্দি পেলাইছোঁ।"

"ওঁহো, মই বিশ্বাস নকৰো। এইয়া সঁচা নহয়। তোমাৰ এই চকুলো বেদনাৰ, আনন্দৰ নহয়। মোক ক্ষমা কৰিবা,—মোৰ অৱহেলাই তোমাক বেদনাম্লান কৰি পেলাইছে, বুজিছোঁ। সঙ্গীতৰ প্ৰতি মোৰ প্ৰাণত যি প্ৰৱল তৃষ্ণা, সেই তৃষ্ণাই মোক মতলীয়া কৰিছে, সোণ। মোক ক্ষমা কৰিবানে তুমি ?"

"এনে এটি নিৰ্ম্মল তৃষ্ণা,—ই কেতিয়াও দোষণীয় হব নোৱাৰে। মোৰ প্ৰাণত, ভুল বুজিলে মই দুখ পাম, কেতিয়াও ঈৰ্ষাৰ বহ্নি জ্বলি উঠা নাই। মই বিচাৰোঁ আপোনাৰ চিৰানন্দ ৰূপ নিৰীক্ষণ কৰি আপোন-পাহৰা হবলৈ।"

"সোণ, তুমি কিমান মহৎ! কিমান উদাৰ! তোমাৰ এই নিৰ্ম্মল প্ৰণয়ৰ জানো মই উপযোগী ?"

উদাৰতাৰ এই নিটোল আদৰ্শই কভালানক বিচলিত কৰি তুলিলে। অন্তৰৰ আবেগ অনুভূতি সকলোখিনি সজাগ হৈ উঠিল। দেহৰ মৃদু আকৰ্ষণত কন্নকীৰ পদমূলৰ অলঙ্কাৰযোৰ শব্দ কৰি বাজি উঠিল। কভালানে কৈ পেলালে ঃ "তোমাৰ এই অলঙ্কাৰযোৰ বৰ মূল্যৱান।"

"এই যে অলঙ্কাৰযোৰ,—এইযোৰ মোৰ জননীৰ বৰ আদৰৰ উপহাৰ। "ইন্দ্ৰোৎসৱ"-ৰ উদ্যোক্তা অতীজৰ ভূপতি ছম্বিয়ানে আমাৰ পৰিয়ালক এই বহুমূলীয়া বস্তুটো দিছিল। ইয়াৰ ভিতৰত আছে আত্ম-উদ্ভাসিত ভালেমান অতি মূল্যৱান ৰক্তবৰ্ণৰ মণি-মুক্তা। ই বৰ আপুৰুগীয়া বস্তু।"

কন্নকীৰ এই অনাড়ম্বৰ কথাত কভালান উতলি উঠিল। চুমাৰে তেওঁক ওপচাই দিলে। "মোৰ বুকুত এইয়া এবুকু যৌৱন। ইমান সুন্দৰ। ইমান নিপোটল।" কভালানে গুণ-গুণাবলৈ ধৰিলে। "এই অলঙ্কাৰযোৰৰ দৰেই তুমিও যে আপুৰুগীয়া!"

সেই মুহূৰ্ত্তত মনে মনে কভালানে চিত্ৰপতিৰ বাসস্থানলৈ হুনাই নেযাবলৈ সঙ্কল্প কৰিলে।

কেইমাহ মানৰ কাৰণে চিত্ৰপতিৰ বাস-ভবন তেওঁ সম্পূৰ্ণৰূপে পৰিত্যাগ কৰিলে। আনকি সেই পথেদি যোৱাটোকে বন্ধ কৰি দিলে। কন্নকী কভালানৰ যুটীয়া জীৱন হুনাই সঞ্জীৱিত হৈ উঠিল, পুনৰ মুখৰ হৈ পৰিল। কন্নকীৰ অন্তৰৰ পৰা সকলো আশঙ্কাৰ ছাঁ অন্তৰ্দ্ধান হল। (মনৰ ঘন চিয়াঁহিবুলীয়া ডাৱৰবোৰ বলাকাৰ ওপঙি ফুৰা ৰূপালী পাখি হল।)

## বিচ্ছেদ ঃ

জীৱন ওপচা সুখ-সন্তোষৰ মাজেদি এনেদৰে ছটা মাহো অতিবাহিত হবলৈ নেপালে। বিচ্ছেদৰ কলাৰেখা জিলিকি উঠিল। "ইন্দ্ৰোৎসৱ"-ৰ দিন আগতপ্ৰায়। এই উৎসৱতেই বহুদিনীয়া প্ৰথা অনুসৰি ৰজা-প্ৰজা সকলোৰে সাক্ষাতত ৰাজ-নৰ্ত্তকী স্বৰূপে পোন প্ৰথমবাৰৰ কাৰণে মাধৱী আৱিৰ্ভাব হব। সেই উৎসৱতেই চলিত প্ৰথা অনুসৰি নগৰৰ কোনোবা যুৱকক তেওঁ মুখ্য পৃষ্ঠ-পোষক হিছাপে বৰণ কৰিব। এই বাতৰি নগৰৰ যুৱক-যুৱতী সকলোৰে মুখে মুখে বাৰিষাৰ ঢল বাগৰাদি বাগৰিল; কভালানৰ প্ৰত্যেক জন বন্ধুৱেই সেই উৎসৱত যোগ দিয়াটো মনস্থ কৰিলে। কভালানৰ আনহাতে তাত উপস্থিত থাকিবলৈ লেশমানো মন যোৱা নাছিল—মাধৱীৰ পুনৰ দৰ্শনে অন্তৰত কামনাৰ তুঁহ জুইকৰা ত্বনাই জ্বলাই তোলাৰ আশঙ্কাত।

ৰাজ-নিমন্ত্ৰণ অলঙ্ঘনীয়। গতিকে কভালান এৰাব নোৱাৰা হল। যাবই লাগিব। নগলে যে নহব। অন্তৰত ত্বনাই মাধৱীৰ ৰূপ-মাধুৰী পান কৰিবলৈ, নৃত্য-গীত উপভোগ কৰিবলৈ, এটা প্ৰৱল স্পৃহা তুঁহজুই জ্বলাদি জ্বলিবলৈ ধৰিলে। কন্নকীয়ে কলে ঃ "যাবই লাগিব। ৰাজ-নিমন্ত্ৰণ ৰক্ষা নকৰাকৈ নেথাকিব। অনুচিত হব।" কন্নকীৰ মনতে বিশ্বাস,—মাধৱীৰ প্ৰতি হোৱা স্বামীৰ আকৰ্ষণ কেতিয়াবাই অন্ত হৈছে। যোৱা ছমাহৰ মৰমৰ ঢলে মনৰ মাজৰ সন্দেহৰ মাজুলী কেতিয়াবাই উটুৱাই লৈ গৈছে। এজনী নৰ্ত্তকীৰ প্ৰতি মুহূৰ্ত্তৰ সন্মোহন আৰু পতিৰ মৰমৰ বিমল পোহৰ—ত্বয়োটাৰ মাজত পাৰ্থক্য কিমান!

কভালানৰ মনটো নানা তৰহৰ সংঘৰ্ষকামী চিন্তা-দুশ্চিন্তাই জুমুৰিদি ধৰিলেহি। ছিথিৰাই মাহৰ পূৰ্ণিমা নিশা,—সেই "ইন্দ্ৰোৎসৱ", মাধৱীৰ লীলায়িত দেহ সঞ্চালনৰ কল্পনাই তেওঁৰ অন্তৰ ব্যথা-বেদনাৰে ওপচাই পেলালে। এক স্বপ্নাতুৰ পৰিবেশে কভালানৰ মনটো আচ্ছন্ন কৰি পেলালে। মনতে ভাব হল: মোৰ জীৱন কেনে মধুৰ। কেনে প্ৰেমময়। কাষৰত মোৰ কন্নকী। মাধৱীতো কন্নকী নহয়। দেৱ-কন্যা মানৱী ৰূপেৰে মোৰ বাহুত ধৰা দিছেহি। আৰু মই? মই আজি এজনী নৰ্ত্তকীৰ প্ৰেমত মতলীয়া। ওঁহো, নৃত্য-গীতৰ কি অসীম শক্তি! কি বিশ্ববিমোহিনী ৰূপত উদয় হৈ মানুহৰ মন-প্ৰাণ জয় কৰেহি। কন্নকীয়ে নৃত্য-গীতৰ এই সমাৰোহত মোক উপস্থিত থাকিবলৈ মিনতি জনাইছে। ৰাজ-নিমন্ত্ৰণ উপেক্ষা নকৰিবলৈ দঢ়াই দঢ়াই কৈছে। মোৰ অন্তৰত থকা নৃত্য-গীতৰ প্ৰতি অনুৰাগৰ কথা তেওঁ জানে। তথাপি তেওঁৰ অন্তৰত অজানিতে যি যাতনাই আজি দেখা দিবহি, সিয়েই মোক অস্থিৰ কৰি তুলিব। মই যে কি দুৰ্ব্বল! মনটো বান্ধি ৰাখিবলৈ যি কণ শক্তিৰ প্ৰয়োজন, সেই শক্তিকণো মোৰ আজি নোহোৱা হৈছে। মাধৱীৰ নৃত্যকলাই মোক একেবাৰে উন্মাদ কৰি পেলাইছে! মই যে একেবাৰে হেৰাই গৈছোঁ। সাধাৰণ এটা মদ্যপায়ীৰ দৰে মাধৱীৰ এটা চকুৰ চাৱনি, মুখৰ এটা হাঁহিৰ কাৰণে মই হৈ যাওঁ অস্থিৰ, উন্মাদ। মই নেযাওঁ। তাইৰ নৃত্যৰ লয়লাসে, লাহী দেহৰ গতি-চঞ্চলতাই মোক বাতুল কৰি তুলিব। অন্তৰৰ জুইকুৰা মই আৰু জ্বলাই তুলিব নোখোজোঁ।"

এইদৰে অন্তৰত এক গভীৰ বেদনা লৈ অনাই বনাই ফুৰোঁতে অকস্মাৎ তেওঁৰ চকুত পৰিল,—দূৰৈত এটা মানুহ। মিছা সাক্ষ্য দিয়াৰ কাৰণে ৰাজ-কৰ্ম্মচাৰীয়ে তাক শাস্তি বিহিবলৈ দিহা কৰিছে। ওচৰতে তাৰ পত্নীৰ হিয়াভগা কান্দোন, বুকুফটা চিঞৰ। কোঁচত তাইৰ এটা কেচুৱা। "পিতাকৰ অবিহনে এই সন্তানটোক লালন

পালন কৰিব কোনে”,—বুলি তাই বিনাবলৈ ধৰিলে। এই দৃশ্য দেখি কভালানৰ বুকু হুকুহুকুকৈ কঁপি উঠিল। তেওঁ ৰাজ-কৰ্ম্মচাৰী জনৰ কাষ চাপি গল। অপৰাধীজনক মুক্তি দি সেই মৃত্যুদণ্ড তেওঁৰ ওপৰত প্ৰয়োগ কৰিবলৈ মিনতি জনালে। এনে আচৰিত আচৰণ দেখি ৰাজ-বিষয়াজন হতবাক হল,—ই কি বলিয়া? ওচৰ চাপি আহি তেওঁ কভালানৰ গাটো নিৰীক্ষণ কৰি চালে। চকুত পৰিল গাৰ মূল্যৱান সাজপাৰ, মুখমণ্ডলৰ ধীৰ স্থিৰ লক্ষণ,—এইবোৰ দেখি শুনি ৰাজ-কৰ্ম্মচাৰীৰ বুজিবলৈ বাকী নেথাকিল, মানুহজন নিশ্চয় কোনোবা সম্ভ্ৰান্ত পৰিয়ালৰ।

“এনে অসৎ ব্যৱহাৰৰ কাৰণে মোক ক্ষমা কৰিবনে? উদাৰতাৰ এনে পৰিচয় মই আগতে কেতিয়াও পোৱা নাছিলোঁ। আপুনি মহৎ আদৰ্শবান পুৰুষ।”

“সংশয় কৰিবৰ কোনো প্ৰয়োজন নাই। তুমি মোৰ অনুৰোধ ৰক্ষা কৰা।”

“আপোনাৰ নিচিনা আমাৰ জন্ম-ভূমিৰ এজন কৃতী সন্তানক এনে এটা নীচ প্ৰকৃতিৰ মিথ্যাবাদীৰ সলনি হত্যা কৰিব মই কেতিয়াও নোৱাৰোঁ। এনে অশোভনীয় কাম কৰি বলিয়ালিৰ পৰিচয় কেতিয়াও মই দিব নোখোজোঁ। আজি কুৰি বছৰে অবিচলিত ভাবে ৰাজ-আজ্ঞা পালন কৰি যি প্ৰশংসা আৰ্জ্জিছোঁ, সেই প্ৰশংসা মই একে দিনে কেতিয়াও মষিমূৰ কৰি দিব নোখোজোঁ। আপোনাৰ মহত্বত মই মুগ্ধ হৈছোঁ। তথাপি এই অপৰাধীটোক উপযুক্ত শাস্তি বিহিবই লাগিব।” এই শেষৰযাৰ বাক্য উচ্চাৰণ কৰাৰ লগে লগে শুনা গল যন্ত্ৰণাৰ এক বিৰাট কলৰব।

মৃত্যুদণ্ড উচ্চাৰিত হোৱাৰ লগে লগে অপৰাধীৰ স্ত্ৰী মাটিত অচেতন হৈ বাগৰি পৰিল। কভালানৰ শুশ্ৰূষাত তাই পুনৰ চেতনা পাই উঠিলে। চেতন হোৱা মুহূৰ্ত্তত কভালানে তাইৰ

হাতত তুলি দিলে এশ সোণৰ মুদ্ৰা। আৰু এহেজাৰ সময়ত পঠাব বুলি প্ৰতিশ্ৰুতিও দিলে। এনে মহত্ব, এনে উদাৰতাৰ নিদৰ্শনৰ তাইৰ চুচকুৰেদি ধাৰাসাৰে বাৰিষাৰ বাণ নামিল। “আপুনি মোৰ মৃত্যুন্মুখী সন্তানটোৰ প্ৰাণ দিলে। আপোনাক ভগৱানে এনে এটি সন্তান দিয়ক যাৰ মহত্বই জগত জয় কৰিব।” ৰাজ-কৰ্ম্মচাৰীজনে ইমান সময়ে সকলোখিনি কথা লক্ষ্য কৰি আছিল। “মই যে মোৰ কৰ্ত্তব্য কৰিছোঁ,—এই কৰ্ত্তব্য জ্ঞানৰ বঁটা মোৰ ভাগ্যত নঘটিব নেকি ?”

কভালানে আশ্বাস দিলে ঃ “আজি নহয়। আন এদিনালৈহে।”

“মোৰো এটি সন্তান আছে। মোৰ যি দুৰৱস্থা, সেই অৱস্থাত তাৰ ভৰণ-পোষণ অসম্ভৱ হৈ পৰিছে।”

কভালানে কৰ্ম্মচাৰীজনৰ হাতত দহোটি সোণৰ মুদ্ৰা তুলি দিলে ঃ “এইয়া লোৱা, তোমাৰ সন্তানটিৰ বাবে যৎকিঞ্চিৎ।” মানুহজনৰ গোটেই মুখমণ্ডলত এটি আনন্দৰ ৰেখা জিলিকি উঠিল। “আপুনি ইমান মহৎ। আপোনাৰ স্থান বৈকুণ্ঠপুৰীত। যুগ যুগ ধৰি আপোনাৰ খ্যাতি-যশস্যা পৃথিৱীত বিয়পি থাকিব।”

অতি পয়োভৰেৰে “ইন্দ্ৰোৎসৱ” আৰম্ভ হল। বাটে বাটে ভীষণ জনতা। মাধৱীয়ে যিটো মণ্ডপত নৃত্য-গীত কৰিছিল, সেই ঠাইত জনতাৰ সমাগম আৰু উভৈনদী। গোটেই নৃত্য-মণ্ডপটো মনোৰমকৈ সজোৱা হৈছিল। বন্তিৰ পোহৰত ই উদ্ভাসিত হৈ উঠিছিল। ৰঙ্গমঞ্চৰ কেউফালে নানা দেৱ-দেৱীৰ বাছকবনীয়া ছবিবোৰ অঁকা আছিল। স্তম্ভবোৰৰ মাজে মাজে বন্তিবোৰ ওলোমাই দিয়া হৈছিল। ওপৰৰ চন্দ্ৰতাপখন শুধ ৰেশমৰ, মাজে মাজে মনোহৰ চানেকীৰে বুটাতোলা।

মাধৱীৰ “টালাইকল” হল কোনোবা এক পৰাজিত আৰ্য্য-কোঁৱৰৰ ছত্ৰদণ্ড। ইয়াত প্ৰাচীন ঐতিহ্য-স্পন্দিত জয়ন্তৰ মূৰ্ত্তি অঙ্কিত কৰা আছিল। সমগ্ৰ ছত্ৰদণ্ডৰ ওপৰ ভাগ সোণ-ৰূপ আদি

বহুমূলীয়া ৰত্নৰাজিৰে সু-শোভিত। উৎসৱৰ আগদিনা ৰাজ-প্ৰাসাদত সোণৰ কলচি পৰিপূৰ্ণ গঙ্গাজলেৰে ইয়াক স্নান কৰোৱা হল। এইয়ে চিৰাচৰিত ৰীতি। স্নান-কাৰ্য্য সমাধা হোৱাৰ অন্তত পুষ্পহাৰ পিন্ধাই দিয়া হল। ইয়াৰ পিছত আৰম্ভ হল পূজা অৰ্চ্চনাৰ। সকলো বিধি-বিধান শেষ হোৱাৰ পিছত ব্ৰাহ্মণ-সজ্জনে আশীৰ্ব্বাদৰ জাউৰি তুলিলে,—অৱশেষত শোভাযাত্ৰা আৰম্ভ হল। এখন ৰথ। এটা হীৰা মুক্তাৰে সু-সজ্জিত হাতী। মহাৰাজ আৰু তেওঁৰ প্ৰধান পাঁচজন ডা-ডাঙৰীয়াই প্ৰদক্ষিণ কৰি দিয়াৰ পিছত যাত্ৰা আৰম্ভ হল। নানাবিধ বাদ্যযন্ত্ৰ ঝঙ্কাৰি উঠিল। ৰথত আৰোহন কৰা ৰাজসভাৰ সঙ্গীত-শিল্পী, কবিসকলৰ হাতত "টালাইকল" দণ্ড অৰ্পণ কৰা হল। শোভাযাত্ৰাৰ অন্তত ৰাইজৰ জয়ধ্বনিৰ মাজত শিল্পীসকল আহি সভামণ্ডপত উপনীত হলহি। তাৰ পিছত সেই দণ্ড যথাযোগ্য নিয়মেৰে স্থাপন কৰা হল।

সময় হলত সঙ্গীতজ্ঞসকল নিজ নিজ ঠাইত উপৱিষ্ট হল। নানা বাছকবনীয়া আ-অলঙ্কাৰেৰে সু-সজ্জিত হৈ মাধৱী আহি সভা-মণ্ডপৰ এটা সুবৃহৎ স্তম্ভৰ সোঁহাতে ৰলহি। মাধৱীৰ মাক চিত্ৰপতি, সখীয়েক বসন্তমালা আৰু যুৱতীজাক ৰলহি স্তম্ভটোৰ বাওঁহাতে। অৱশেষত স্তুতি গীত গোৱা হল—মৰ্ত্ত্যত পুণ্যৰ নৈ চিৰ প্ৰৱাহমান হওক,—ইয়াকে কামনা কৰি। সেই মুহূৰ্ত্ততে সকলোবোৰ বাদ্যযন্ত্ৰ সমলয়ী সুৰত বাজি উঠিল। বাঁহী, বীণ, মৃদঙ্গ, ঘট,—সকলোবোৰৰ সংমিশ্ৰণত এক মধুৰ সঙ্গীতৰ সমাবেশ হল। জাতীয় নৃত্য এটিৰ তালে তালে চাৰি ভাগত বিভক্ত স্তুতি-গীত এটি গোৱা হল। এই নৃত্যটিৰ অন্তত "বিছক" নৃত্যৰ আৰম্ভ হল।

নৃত্য-ভঙ্গীৰ তালে তালে মাধৱী এডালি সচেতন, স্পন্দনযুক্ত সোণোৱালী লতা যেন হৈ পৰিল। এই নৃত্যটো সকলো প্ৰকাৰে মনোৰম বুলি পৰিগণিত হল। সেই নৃত্যত তুষ্ট হৈ দেশৰ প্ৰথা অনুসৰি চেলাধপতিয়ে মাধৱীক এহেজাৰ আঠটা সোণৰ মুদ্ৰা আৰু

এডালি সেউজী পাতৰ মালা প্ৰদান কৰিলে। এই দৰে প্ৰশংসাৰ প্ৰকাশ দি মহাৰাজ ৰাজপ্ৰাসাদলৈ প্ৰত্যাৱৰ্ত্তন কৰিলে।

চিত্ৰপতি, বসন্তমালা, মাধৱী,—এওঁলোকো নিজ কক্ষলৈ প্ৰত্যাগমন কৰিলে। দেশৰ প্ৰথামতে মাধৱীয়ে তেওঁৰ কুঁজী বেটী ছেলামৰ হাতত মালা এধাৰি দি বাস-ভৱনৰ সমুখত সমৱেত হোৱা সম্ভ্ৰান্ত লোকসকলৰ মাজত এই বুলি ঘোষণা কৰিবলৈ পাচিলে ঃ এই মালাধাৰিৰ মূল্য এহেজাৰ আঠটা সোণৰ মোহৰ। ক্ৰয় কৰোঁতাজনক মনোৰমা মাধৱীয়ে প্ৰিয়তম বুলি গ্ৰহণ কৰিব।

চতুৰ বসন্তমালাই কথাৰ গতি বুজিব পাৰিছিল। "তুমি হবলা ভাবিছা মালাধাৰি কভালানে কিনিব বুলি ?"

"ওঁ, ভাবো তো।"

চিত্ৰপতিয়ে উচ্ছ্বাসত কৈ পেলালে ঃ "কিনিব। নিকিনাকৈ সি কেতিয়াও নেথাকে। ঘোষণাটোলৈহে সি বাট চাই আছে।"

এনেতে ৰাজপথলৈ গৈ বেটীজনীয়ে ঘোষণা কৰিলে,—কথাষাৰ। কভালানৰ অন্তৰৰ মোহ-মদিৰা মাধৱীৰ নৃত্য-ভঙ্গীয়ে, কলা-কৌশলে দুনাই জগাই তুলিলে। নৃত্যৰ মাজে মাজে বিয়পি পৰা মৃদু হাঁহি, চঞ্চল চাৱনি,—মাধৱীৰ এই সকলোবোৰ কভালানৰ উদ্দেশ্যেই নিগৰি পৰিছিল। অন্তৰৰ আবেগ অনুৰাগ এইদৰেই প্ৰৱল হৈ পৰিল। তীক্ষ্ণ হৈ উঠিল। কভালান হৈ পৰিল একে-বাৰেই মতলীয়া। জীৱনৰ সকলোখিনি উচ্ছৰ্গা কৰি হলেও মাধৱীৰ প্ৰণয়প্ৰাৰ্থী হবই,—এইয়ে হল তেওঁৰ মনৰ কামনা। বেটীজনীয়ে ঘোষণা কৰাৰ মাত্ৰকে কভালান দ্ৰুত বেগেৰে গৈ তাইৰ হাতৰ পৰা মালাধাৰি তুলি ললে। ইয়াৰ পিছত কভালানৰ প্ৰৱেশ হল মাধৱীৰ মনোৰমকৈ সজোৱা শয়নকক্ষত।

মাধৱী তেতিয়া শয্যাত ইকাটি সিকাটিকৈ বাগৰি আছিল। সাজসজ্জাৰ একো লাগ বান্ধ নাই। জিলমিল ৰেশমি সাজযোৰৰ ভিতৰেদি তেওঁৰ শৰীৰৰ ওখ চাপৰ শোভাৰাশি উথলি আছিল।

পুহৰ নগৰীৰ অনুপম যুৱক জনক প্ৰণয়প্ৰাৰ্থী হিছাপে পাই মাধৱীৰ মন উলাহত উচাটন হৈ পৰিল। তেওঁ নিজেই আগবাঢ়ি গল স্বপ্ন-লোকৰ সেই দেৱ-কুমাৰক আকোৱালি লবলৈ। কভালান অশান্ত হৈ পৰিল। মাধৱীৰ ডিঙিত তেওঁ মালা পিন্ধাই দিলে। অন্তৰৰ সকলোখিনি অনুৰাগ উবুৰিয়াই দি বুকুত তেওঁক সাৱটি ললে। সেই মধুমিলনৰ পোহৰে যেন দুয়োকো বাট দেখুৱাই লৈ গল সৰগৰ অমৰাৱতীলৈ। কভালানৰ কামনাদীপ্ত মনটোৱে বিচাৰিলে মাধৱীক গোটেই জীৱনটো বুকুত সেইদৰে সাৱটি লৈ থাকিবলৈ। ৰূপৱতী ভাৰ্য্যাৰ কথা তেওঁৰ সম্পূৰ্ণৰূপে বিস্মৃতিৰ গৰ্ভত হেৰাই গল। হেৰাই গল প্ৰাণ আচ্ছন্ন কৰা দাম্পত্য জীৱনৰ কথা। নিষ্ঠুৰ এখন হাতেৰে যেন কোনোবাই সেই মধুময় অতীতৰ বুকুত এখন যৱনিকা আঁৰি দিলে। সকলো শেষ হৈ গল।

পুৱাৰ পোহৰে আকৌ দিনটো জগাই তুলিলে। নিশাৰ অন্ততো কভালান নিজা বাস-ভৱনলৈ আৰু ঘুনাই উলটি নাহিল। মাধৱীৰ বাস-ভৱনৰ কাষতেই কন্নকীৰ সঙ্গ পৰিত্যাগ কৰি নিজা ঘৰ এটাতে থকাটো তেওঁ দিহা কৰিলে। কভালনৰ অন্তৰখন সম্পূৰ্ণৰূপে হৈ পৰিল মাধৱীময়। জীৱনৰ প্ৰত্যেক মুহূৰ্ত্ততে মাধৱীৰ চিন্তাই তেওঁক ব্যাকুল কৰি তুলিলে। কভালানে সকলো পৰিত্যাগ কৰিলে,—পিতৃ-মাতৃ, মৰমী ভাৰ্য্যা, আনকি নিজা ব্যৱসায়-বাণিজ্যও। গোটেই জীৱনটোকে তেওঁ উটুৱাই দিলে মাধৱীৰ প্ৰখৰ প্ৰণয়ৰ উৰ্ম্মিমালাৰ বুকুত। সেই উৰ্ম্মিমালাৰ যেন অন্ত নাই। নিতৌ নতুন ছন্দই যেন ৰূপ লৈছে। জীৱনটো যেন নিটোল হৈছে।

মণিমেখলাইৰ জন্ম ঃ

এই মধুমিলনৰ তিনি মাহমান পিছতেই মাধৱীৰ দেহাত মাতৃত্বৰ চিন পৰিলক্ষিত হল। দুয়োৰে মনত এই নতুনৰ সঁহাৰি পাই এক বিপুল আনন্দ। এই আগন্তুক আনন্দৰ বাতৰিয়ে কেৱল চিত্রপতিৰ মনটোহে নিৰানন্দ কৰি পেলালে। চিত্রপতিয়ে ভাবিবলৈ ধৰিলে ঃ ইমান কম বয়সতে মাধৱীয়ে জানো মাতৃত্বৰ বোজা বহন কৰাটো উচিত হৈছে? মনৰ আবেগ সামৰিব নোৱাৰি তেওঁ এদিন বসন্তমালাক কৈ পেলালে ঃ "কেনে এক শোকাৱহ কথা! সন্তান জন্ম হোৱাৰ পিছতেই মাধৱীৰ দেহৰ কমনীয়তা যে বহু গুণে হ্রাস পাব, সেই বিষয়ে সন্দেহ নাই। তাইৰ নাচোন ভঙ্গীত আজিৰ এই লীলায়িত ৰূপ আৰু নেথাকিব। নাৰীৰ সৌন্দর্য্য, যৌৱন,—সকলোখিনি সন্তান জন্মাৰ লগে লগেই নাশ পায়।"

"ভাবিলে কি হব? এতিয়াতো আৰু উপায় নাই। আমাৰ সমুখত কৰ্ত্তব্য এতিয়া এটা,—মাধৱীৰ যাতে দেহ-লাৱণ্য অকণো খতি-খুন নোহোৱাকৈ সন্তানটি জন্ম পায়, সেয়ে।" এই বুলি বসন্তমালাই তেওঁক প্রবোধ দিলে।

"মোৰ নিজৰ জীৱনতেই এইষাৰ কথাৰ প্রমাণ পাইছোঁ। মাধৱীৰ জন্মৰ পিছৰ পৰাই মই নৃত্যকলাত ক্রমাৎ দক্ষতা হেৰুৱাই পেলালোঁ।"

"সঁচা কথা। কিন্তু এই ত্যাগৰ কাৰণেইতো আজি মাধৱীৰ নিচিনা নৰ্ত্তকীৰ জন্ম। কুশিকৰে কবৰ দৰে ঃ মানুহে অমৰত্ব

লাভ কৰে যুগযুগান্তৰে জীৱন-শক্তি দান কৰি।” বসন্তমালাই এই বুলি আশ্বাস দিলে।

“কুশিকৰে সেই দৰে কোৱাৰ যথেষ্ট কাৰণ আছে। মোৰ কলা-কৌশল তেওঁৰ কাৰণেই নাশ পালে। বহুখিনি। দোষ তেওঁৰ গাত। গতিকেই তেওঁ এইবোৰ আত্মৰক্ষামূলক তথ্য উলিয়াইছে। নিজৰ দোষক ধুনীয়া তথ্যৰ আঁৰকাপোৰেৰে ঢাকনি দিয়াত তেওঁ সিদ্ধহস্ত। এই দৰেই তেওঁৰ তথ্যৰ উৎপত্তি।”

এনেতে কুশিকৰক তেওঁলোকে সেই পিনেই অহা দেখিলে। “এইয়া, তেওঁৰ কথাকে আলোচনা কৰি থাকোঁতেই আহি ওলালেহি। ভালেই হৈছে। পৰামৰ্শ লোৱা যাওক,—এনে অৱস্থাত মাধৱীৰ কেনে ধৰণৰে যত্ন লোৱাটো উচিত, সুধি মেলি লোৱা যাওক।”

কুশিকৰ চিত্ৰপতি আৰু বসন্তমালাৰ সমুখত উপনীত হলহি। তেওঁ কুলত ব্ৰাহ্মণ। বয়স প্ৰায় ৪৫ বছৰ। মানুহ জনৰ জ্ঞান-গধুৰ চকুত জিলিকি আছে এক অপূৰ্ব্ব জেউতি। চুলিৰ কৰবাত দুই এডালি পক ধৰিছে যদিও চলন ভঙ্গীত তেওঁ একেবাৰেই যৌৱনৰ প্ৰতীক। তামোলৰ ৰঙচুৰা বোলে ওঁঠ দুটা তেওঁৰ ৰেঙাই তুলিছে। বসন্তমালাই জোকাই লওঁ বুলি কলে: “আপুনি হবলা তামোল চোবায়েই আছে? কিয়? চিত্ৰপতিয়ে দিবলৈ বাট নেচালে কিয়?”

“আইটি, পালে আৰু এখন খাওঁ। পিছে, মাধৱীজনীৰ খবৰ কেনে?”

মাধৱীৰ খবৰ লোৱা দেখি চিত্ৰপতিয়ে কৃতিম খং দেখুৱাই কলে: “চোৱাহে বসন্ত—মোৰ আজি কালি এওঁ খবৰ নোলোৱাত পৰিল। পুৰুষৰ প্ৰকৃতিয়েই এনে। তিৰোতাৰ বয়স বাঢ়ি অহাৰ লগে লগে এওঁলোকে খবৰ লবলৈ পাহৰি যায়।”

“ওঁহো, সেইটো নহয় হে। মাধৱীজনীক আজি ভালেমান

দিন দেখা নাই। সেই কাৰণেহে খবৰ লবলৈ বাধ্য হৈছোঁ। তোমালোককতো দেখিছোঁৱেই। ভালেই আছা।”

বসন্তমালাই মাত মাতি উঠিল: “ইস্, ভালে আছোঁ বুলি জানিলা কেনেকৈ?”

“হেৰা, বুজিছা? মানুহৰ মুখমণ্ডল হৈছে দাপোনসদৃশ। ইয়াতেই অন্তৰৰ সকলো, নিগূঢ়তম ভাবধাৰাও প্ৰতিবিম্বিত হয়।” এই বুলি কুশিকৰে উত্তৰ দিলে।

“তথাপিতো মানুহৰ অন্তৰত এনে কিছুমান ভাবানুবেগ গুজৰি গুমৰি থাকে, যাৰ তীব্ৰতাত গা মন ভাগিছিগি উৰঁলি যায়।” এইবুলি বসন্তমালাই যোগ দিলে।

“তুমি কোৱা কথাষাৰ মিছা নহয়। চিত্ৰপতি আজি মোৰ কুৰি বছৰৰো অধিক কাল পৰিচিতা। মই জনাত তেওঁৰ অন্তৰত এনে কোনো বেদনাৰ ফল্গু নাই, নিশ্চয়। কি কোৱা?” এই বুলি কৈয়ে কুশিকৰে বিজেতাৰ ভঙ্গীত হাঁহিবলৈ ধৰিলে।

এনেতে চিত্ৰপতিয়ে মৰম মিহলাই কলে: “তোমাৰ সদায়েই জয়। এতিয়া বাৰু সেইবোৰ কথা থোৱা। তোমাৰ পৰা মোৰ পৰামৰ্শ লব লগা বহুত কথা আছে,—বুজিছা? এটা কথা তুমি জানানে,—আমাৰ মাধৱী যে বৰ্ত্তমান অন্তঃসত্ত্বা!”

কুশিকৰৰ মুখখন তৃপ্তিত উচলি উঠিল: “মই আগৰবাৰ মাধৱীক দেখিয়েই কথাষাৰ সন্দেহ কৰিছিলোঁ।”

“তুমি সদায়েই সকলোবোৰ কথা আগতীয়াকৈয়ে জানা,” এই বুলি চিত্ৰপতিয়ে মৰম লগাকৈ কলে।

“বিশ্বাস কৰা। মাধৱীৰ শৰীৰৰ পৰিৱৰ্ত্তনবোৰৰ পৰাই মোৰ এই ধাৰণা গভীৰ হৈ উঠিছিল।”

“মাতৃত্বৰ বিষয়ে পুৰুষতকৈ আমাৰ অভিজ্ঞতা বেচি। কাৰণ ই নাৰীৰ ব্যক্তিগত অভিজ্ঞতা। ৰোগীতকৈ চিকিৎসকে ব্যাধিৰ মোল বেচি বুজে।”

"তোমাৰ দেখিছোঁ অসীম সাহস। এনে এটা গৌৰৱময় বস্তু, মাতৃত্বৰ বোজা, তাক তুমি তুলনা কৰিছা ব্যাধিৰ লগত। নহয় নে বাৰু ?"

কুশিকৰে সুৰ সলাই কলে: "মই মাথোন এটা উদাহৰণহে দিছোঁ। মাতৃত্বৰ গৰিমা পৃথিৱীৰ এক অপূৰ্ব্ব সম্পদ। ই কেতিয়াও ব্যাধি হব নোৱাৰে।"

"শুনাচোন। মাধৱীৰ যাতে স্বাস্থ্য হানি নহয়, তালৈ চকু ৰাখি আমি কেনে উপায় অৱলম্বন কৰাটো উচিত বুলি তুমি ভাবা ?"

"এই গৰ্ভধাৰণ অৱস্থাত মনত কোনো বিষাদৰ ছাঁ পৰিবলৈ নিদিবা। স্বাস্থ্য ৰক্ষাৰ্থে দিনে দুবাটিকৈ গাখীৰ আৰু চাৰি বাটিকৈ চেঁচা পানী তেওঁক খাবলৈ দিবা।"

বসন্তমালা আচৰিত হৈ গল: "ইমানবোৰ পানী কেলৈ ?"

"কিয়, মাক আৰু সন্তান, উভয়ৰে স্বাস্থ্য ৰক্ষাৰ্থে পানী জানো নেলাগে ?"

"সন্তানক আকৌ কিহৰ পানী লাগিছে ? মাধৱীয়ে সন্তান ধাৰণ কৰা আজি প্ৰায় ছমাহ মানহে হৈছে। এতিয়াই ইমানবোৰ পানী কেলৈ ?"

"শুনা। মাকৰ গৰ্ভৰ সন্তানটি এতিয়া প্ৰায় মোৰ বুঢ়া আঙুলিটোৰ সমান। শৰীৰৰ সকলোবোৰ অঙ্গ-প্ৰত্যঙ্গ, আনকি হাত-ভৰিৰ আঙুলি পৰ্য্যন্ত ইয়াৰ স্ৰজন কৰা হৈ গৈছে। আচৰিত হব লগা কোনো কাৰণ নাই। তোমালোকে গৰ্ভধাৰণ যদিও কৰা তথাপি এনেবোৰ তথ্যপাতিৰ বিষয়ে একোকে নেজানা।"

বসন্তমালাৰ কৌতূহল জন্মিল: "হলেই যেনিবা সম্পূৰ্ণ, তথাপি ই জানো গৰ্ভৰ ভিতৰতে আহাৰ খায় ?"

"সৃষ্টিকৰ্ত্তাই ইয়াৰো এটা সুন্দৰ উপায় কৰিছে। জন্মৰ পিছত শিশুৰ যি নাড়ীচ্ছেদ কৰা হয়, ইয়াৰ দ্বাৰায় শিশু আৰু গৰ্ভধাত্ৰীৰ

মাজত সংযোগ সংস্থাপিত হয়। ইয়াৰ সহায়তে দেহৰ পুষ্টিৰ বাবে শিশুৱে আহাৰ, বায়ু সকলোখিনি সেৱন কৰে।”

“উস্, ইমান আচৰিত!” চিত্ৰপতি, বসন্তমালা,—কথা শুনি দুয়ো আচৰিত হৈ গল।

“ইয়াতোকৈ আৰু আচৰিত কথা,—শিশুৱে গৰ্ভত অৱস্থিতিৰ প্ৰায় ছমাহ কাললৈ জীৱন-শক্তিৰ কোনো পৰিচয় নিদিয়ে। তথাপি শিশুটিয়ে এনে অৱস্থাতো যথা নিয়মে আহাৰ গ্ৰহণ কৰে।”

কথা শুনি সঙ্কোচবিহীনা বসন্তমালাৰ উৎসাহ দোপতদোপে বাঢ়ি গল: “আৰু, গৰ্ভত থকা সন্তানটি লৰা হব নে ছোৱালী হব, তাৰ কিবা সম্ভেদ পূৰ্ব্বেই পোৱা যায় নে?”

“ওঁ, যায়তো। ভূমিষ্ঠ হোৱা মাত্ৰকে সন্তানটি লৰা নে ছোৱালী তৎক্ষণাত কৈ দিব পাৰি।” কথাযাৰত হাঁহিৰ ৰোল উঠিল। বসন্তমালাই কথা উলিয়াবৰ চলেৰে আকৌ কলে: “ক’তা, জ্যোতিষীয়ে দেখোন সন্তান জন্মৰ পূৰ্ব্বেই সকলো কথা কৈ দিব পাৰে।”

“কব পাৰেতো। জ্যোতিষীয়ে ভাগ্যক ধিয়াই ফৰ্ম্মুটি মাৰি পঠায়। লাগিলে লাগিল। নেলাগিলে নাই। ৰবা, মোৰ এটা ঘটনা মনত পৰিছে। এবাৰ এজন জ্যোতিষীয়ে কোনেও নেদেখাকৈ দুৱাৰ খনত দুটা চিন দি গল: লৰা, ছোৱালী। সন্তান ভূমিষ্ঠ হোৱা মাত্ৰকে তেওঁ লৰা হব বোলা চিনটো দেখুৱাই সকলোকে স্তম্ভিত কৰিলে। এই বিদ্যাটো মোকো শিকাই দিবলৈ তেওঁক অনুৰোধ জনালোঁ। অৱশেষত এবাৰ নোৱাৰি এই দুতৰপীয়া কৌশলটো তেওঁ মোক শিকাই দিলে। আজিকোপতি মই অৱশ্যে ক’তো প্ৰয়োগ কৰা নাই।”

“আৰু এটা কথা। পিতৃ-মাতৃৰ ইচ্ছানুযায়ী সন্তান লৰা বা ছোৱালী হিছাপে পাব পাৰি নে?”

“আইটি, এইযাৰ কথা সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে সৃষ্টিকৰ্ত্তাৰ ওপৰত। ইয়াত মানুহৰ কোনো হাত নাই।”

চিত্রপতিয়েও অৱশেষত ইমান পৰে ধৰি থকা মৌনতা ভঙ্গ কৰিলে ঃ "মাধৱী বৰ বেচি স্বাস্থ্যৱতী ছোৱালী। তাইৰ সন্তানটি, চাবা, ছোৱালীয়েই হব।"

"এইবাৰ ধৰা পৰিলা,"—বসন্তমালাই বৰ উৎসাহেৰে কৈ পেলালে ঃ "তুমি তেন্তে স্বীকাৰ কৰিছা তোমাতকৈ চিত্ৰপতি বেচি স্বাস্থ্যৱতী। নহয় নে ?"

"হয়তো, মই চিত্ৰপতিতকৈ দুৰ্ব্বল। মোৰ মানসিক দুৰ্ব্বলতাৰ কাৰণেইতো তেওঁক ইমান ভাল পাওঁ। তেওঁৰ ওচৰলৈ বাৰে বাৰে আশাত বলিয়া হৈ লৰি আহোঁ। নোহোৱা হলে কেতিয়াবাই নতুন এখন সংসাৰ পাতি শান্তিৰে থাকিলোঁহেঁতেন। নহয় জানো ?"

গৰ্ব্বিতা চিত্ৰপতি উৎসাহিত হল ঃ "তোমাৰ এই দুৰ্ব্বলতাই মোৰেই গৌৰৱ ঘোষণা কৰে।"

"এতিয়া শুনা, এই অৱাস্তৱ কথাবোৰ পাতি আৰু লাভ নাই। আমি আজি সকলোবোৰ কথা মুকলি ভাবে আলোচনা কৰিব পৰা হৈছোহঁক।"

কথা শুনি চিত্ৰপতিৰ সকলো উদ্যম তল পৰি গল। "বাৰু, এইবোৰ কথা এতিয়া এৰা আৰু। কোৱাচোন, মাধৱীয়ে এই অৱস্থাত কি কি আহাৰ কৰা উচিত ?"

"তাইক প্ৰচুৰ পৰিমাণে ফলমূল, শাক-পাচলি খাবলৈ দিবা। কেতিয়াও মাংস বা সুৰা স্পৰ্শ কৰিবলৈ নিদিবা।"

"হেৰা, তাহানি এই একেবোৰ উপদেশকেই তুমি মোক দিছিলা। এতিয়া ইয়াতোকৈ বেচি কিবা জানানে কোৱা। নতুন কথা।"

"মোৰ কথা শুনা বাবেইতো তোমাৰ মাধৱীজনী ইমান ধুনীয়া হৈছে। তোমাৰ স্বাস্থ্য-সৌন্দৰ্য্যৰো একো বিঘিনি নঘটাকৈ থাকিল।"

"হব পাৰে। সেই বুলি মোৰ এটা ডাঙৰ খতি নোহোৱাকৈ থকা নাই। স্বাস্থ্য-সৌন্দৰ্য্যৰ হয়তো নহয়। কিন্তু নৃত্য-নৈপুণ্য যে মোৰ অনেক গুণে কমি গল, সেই বিষয়ে সন্দেহ নাই।"

"সেইটো অৱশ্যে একেবাৰে মিছা নহয়। তথাপি তোমাৰ নৃত্য-গীতি সকলোৱেই সমানে উপভোগ কৰি আহিছে। নাই কৰা জানো? ইয়াৰ মাদকতা কমি গল সিদিনাৰপৰা, যিদিনা মাধৱী আহি দৰ্শকৰ আগত উপনীত হল। মই ভুল কৈছোঁ?"

"সেইবোৰ কথা থোৱা। মাধৱীৰ বিষয়ে আৰু কি কব লগা আছে কোৱা।"

"বুজিছা চিত্ৰা, গৰ্ভ ধাৰণৰ ছমাহ পুৰ হোৱাৰ পিছত তোমাৰ কক্ষত মাধৱীক শুবলৈ দিবা। কভালানৰ সৈতে মাজে মাজে কথা-বতৰা হবলৈ দিবা,—বুজিছা?"

"হেৰা, এইটো দেখোন তেনেই নতুন উপদেশ। তাহানি তুমিতো মোক এই উপদেশ দিয়া নাছিলা। উপদেশটো অৱশ্যে ইহঁতৰ ক্ষেত্ৰত কামত পৰিণত কৰাটো কিছু টান হব। কভালান যিটোহে,—সি মাধৱীক এৰিবকে নোখোজে। আনকি দিনতো।"

"নিদিব পাৰো। চিকিৎসকে ৰোগীৰ কাৰণে অনুমোদন কৰা বহুত ঔষধকেই নিজে ব্যৱহাৰ নকৰে,—বুজিছা? সেই বুলি ঔষধটো বেয়া বুলি ভবাটো জানো উচিত হব?"

"ইস্, তুমি ইমানবোৰ কথা জানা! ইয়াৰ বাহিৰে তুমি আৰু কি উপায় অৱলম্বন কৰাটো উচিত বুলি ভাবা? কোৱা না।"

"আৰু কিবা কব লাগিব নেকি? বাৰু ওচৰ চাঁপি আহা। কাণে কাণে এটা কথা কৈ যাওঁ।"

এই বুলি চিত্ৰপতিক বাহুত ধৰি ওচৰলৈ টানি আনিলে: "এটা কথা বুজিছা চিত্ৰা—চাবা, কভালানে মাক আৰু সন্তান উভয়ৰ কাৰণে যাতে যথেষ্ট অৰ্থ-সম্পত্তি থৈ যায়। নহলে আহুকাল হব। বহুত যুৱককেই দেখিছোঁ,—এটিমান সন্তান হোৱাৰ পিছতেই সকলো পৰিত্যাগ কৰি আন যুৱতীৰ অন্বেষণত ওলায়।"

"ইয়াৰ দিহা মই কৰিম। তুমি নোকোৱাকৈয়ে এই বিষয়ে

বহুত খিনি মই আগবাঢ়িছোঁৱেই বুলিব লাগে। আৰু এটা কথা,—ক'তা তুমিতো মোক পৰিত্যাগ কৰা নাই। কিয় তেন্তে মাধৱীৰ প্ৰতি কভালানে তেনে আচৰণ কৰিব পাৰে বুলি আশঙ্কা কৰিছা ?"

"হেৰা, মোৰ কথা একেবাৰে বেলেগ। কভালানৰ দৰে মইতো অপৰ্য্যাপ্ত সম্পত্তিৰ গৰাকী নহওঁ।"

"তুমি দেখিছোঁ নিজৰ মূল্য সদায়েই কমাই বৰ তৃপ্তি পোৱা —নহয় ?"

এইদৰে গোপনে সকলোখিনি মীমাংসা হৈ যোৱাৰ পিছত দুয়ো আহি বসন্তমালাৰ কাষ চাপিলহি।

বসন্তমালাই আকৌ প্ৰশ্ন আৰম্ভ কৰিলেঃ "বাৰু, সন্তান-সন্ততিয়ে পিতৃৰ পৰা কি লাভ কৰে,—আৰু মাতৃৰ পৰা কি ?"

"সন্তানে মাতৃৰ পৰা পায় শৰীৰৰ বৰণ, মাংসপেশী, তেজ-স্ৰোত ইত্যাদি। পিতৃৰ পৰা পায় হাড়ৰ সমষ্টি, গঠন-প্ৰকৃতি ইত্যাদি। মাধৱীৰ শৰীৰৰ কান্তিয়েতো ইয়াৰেই পৰিচয় দিয়ে।"

"বাৰু, গৰ্ভধাৰণ কালত তিৰোতাৰ মনৰ অৱস্থা কেনে ধৰণৰ হোৱাটো স্বাভাৱিক ?"

"বেচ ভাল কথাকেই সুধিলা। এনে অৱস্থাত তিৰোতাৰ ব্যৱহাৰধাৰা, মনৰ হাবিলাস,—সকলোবোৰ বৰ আচৰিত ধৰণৰ হয়। কোনো কোনো তিৰোতাই শুকান চাউল চোবাই ভাল পায়। কোনো কোনোৱে আকৌ অদ্ভুত বস্তু খাবলৈ হাবিয়াস কৰে। আন কোনো কোনোৱে স্বামীক সকলো সময়তে কাষতে বিচৰাটোও দেখা যায়। যিমান দূৰ সম্ভৱ, দেখাত অদ্ভুত যেন লাগিলেও, এনেবোৰ আশা-আকাঙ্খা পাৰ্য্যমানে পুৰণ কৰিবলৈ চাব লাগে।"

এনেদৰে কথোপকথন হৈ থাকোঁতেই কৰবাৰপৰা অকস্মাতে মাধৱী আহি উপস্থিত। "ইস্, ইমান পৰে আপোনালোকে এইবোৰ কি কথা পাতিছে ?" মাধৱীয়ে হাঁহি হাঁহি কুশিকৰক কলে।

"তুমি আমাৰ কথাবোৰ শুনি আছিলা নেকি ?"

"শুনি আছিলোঁ তো। কেৱল মাৰ কাণে কাণে কোৱা কথা-খিনিহে নুশুনিলোঁ।"

চিত্ৰপ্ৰতিয়ে জীয়েকৰ চকুলৈ চাই কলেঃ "সঁচাই শুনিছ নেকি ? শুনিছ যদি ভালেই হল। মোৰ তেও এটা ডাঙৰ চিন্তা কমিল।"

মাধৱীয়ে কলেঃ "বৰ আচৰিত। সন্তানটো এতিয়াও বুঢ়া আঙুলিটোৰহে সমান। ই এতিয়াও জীৱন-শক্তিৰ পৰিচয় দিয়া নাই কিয় ?"

"সকলোৰে হৃদয় ভগৱানৰ আলয়। কিন্তু বহুতৰে হৃদয়ত সেই ভগৱান থকাৰ কোনো পৰিচয় পোৱা নেযায়।" এই বুলি কুশিকৰে তেওঁৰ কথাত এটা আধ্যাত্মিক সুৰ মিলাই কলে।

"সেই কাৰণেই হবলা তুমি ভগৱানৰ নামত সদায়েই স্তুতি-গীত গোৱা।"

"তাকে নকৰি কি কৰিব লাগে কোৱা, চিত্ৰা।"

কথাৰ সামৰণি মাৰি কুশিকৰ লৰালৰিকৈ যাবলৈ ওলাল। যাবৰ সময়ত মাধৱীক কৈ গলঃ "মাধৱী, মানুহৰ জীৱনত এনে এটা সময় উপস্থিত হয়হি যেতিয়া সকলো চিন্তা-ভাৱনা কেৱলমাত্ৰ সন্তান-সন্ততিতে কেন্দ্ৰীভূত হৈ পৰে।"

সেই নিশা কভালানক মাধৱীয়ে সকলোবোৰ কথা আঁতিগুৰি মাৰি কলে। কভালানৰ হিয়া আবেগত নাচি উঠিল। পিতৃত্বৰ গৌৰৱে মুখখন অসম্ভৱ ভাৱে জ্যোতিৰ্ম্ময় কৰি তুলিলে। কুশিকৰৰ উপদেশ মানি চলিবলৈ তেওঁ দৃঢ় সঙ্কল্প কৰিলে। কভালান আৰু মাধৱী,—দুয়োৰো কথোপকথন সেই দিনাৰ পৰা আগন্তুক সন্তানক কেন্দ্ৰ কৰি চলিবলৈ ধৰিলে।

ছমাহ মানৰ পিছত গৰ্ভথলীৰ সন্তানটিৰ স্পন্দন অনুভূত হল। হৃদয়-যন্ত্ৰৰ জীৱন-শক্তি মাধৱীৰ কৰ্ণগোচৰ হল। কভালানৰ আনন্দ

চাই কোনে ? তেওঁ যেন সকলো সময়তে গৰ্ভথলীত কাণখন থৈ সেই জীৱন-স্পন্দন অনুভৱ কৰিয়েই থাকিব। বিশ্ব-সৃষ্টি অতীব ৰহস্যময়। সন্তানটিৰ জীৱন-শক্তিৰ পৰিচয় এতিয়াৰ- পৰাই পোৱাটো কেনে আচৰিত কথা! দেহত দেখা দিয়া প্ৰত্যেকটো পৰিৱৰ্ত্তনকে মাধৱীয়ে কভালানক মাতি মাতি দেখুৱায়। মাধৱীৰ প্ৰত্যেকটো পৰিৱৰ্ত্তনে কভালানৰ অন্তৰত বিপুল পুলক জগায়।

মাহৰ পিছত মাহকৈ অতিবাহিত হল। সময় অতিবাহিত হোৱাৰ লগে লগে কভালানৰ অন্তৰ আনন্দত উপচি পৰিল। প্ৰত্যেক দিনেই তেওঁ অনুভৱ কৰে,—সন্তানটি দিনক দিনে একলা দুকলাকৈ বাঢ়ি আহিছে। এই যে এন্ধাৰ গৰ্ভথলীৰ সন্তানটি,— এদিন অকস্মাতে ই পোহৰলৈ আহিব। এই আগন্তুক আনন্দৰ কথা কল্পনা কৰি কভালান তন্ময় হৈ যায়।

কেইদিন মানৰ ভিতৰতে সমগ্ৰ সম্পত্তিৰ অৰ্দ্ধেক কভালানে মাধৱীৰ নামত অৰ্পণ কৰিলে। ইয়াৰ উপৰিও মাধৱীৰ ঘৰৰ প্ৰায়- বোৰৰে নামত তেওঁ অৰ্থ-সম্পত্তি বিতৰণ কৰিলে। সন্তানটিৰ যাতে কোনো অপায় অমঙ্গল নহয়, তাৰ উদ্দেশ্যে ভালেমান দেৱ-দেৱীৰ মন্দিৰত পূজা দিলে। কিমান যে দৰিদ্ৰ-নাৰায়ণ সেৱা কৰিলে তাৰ কোনো লেখ-জোখ নাই। মাধৱীৰ আপত্তি সত্বেও কভালানে কুশিকৰৰ উপদেশ মানি চলাত লেশমানো ত্ৰুটি নকৰিলে। "তোমাৰ আৰু সন্তানটিৰ কল্যাণৰ কাৰণে মই পৃথিৱীৰ সকলো- খিনি ত্যাগ কৰিবলৈ প্ৰস্তুত।"

অৱশেষত সেই শুভ-মুহূৰ্ত্ত উপনীত হল। নগৰৰ বাছকবনীয়া ধাত্ৰীসকলক অনা হল। সহায় কৰিবলৈ অহা তিৰোতাৰে ঘৰ নধৰা হল। ধাত্ৰী-কক্ষৰ বাহিৰত এখন দুৰু দুৰু অন্তৰ লৈ কভালান বাট চাই ৰল। মাধৱীয়ে প্ৰসৱ-বেদনা সহ্য কৰিব লগা হল দুদিন ধৰি। অৱশেষত এটি সন্তানৰ জন্ম হল,—অতি ক্ষীণ, অতি দুৰ্ব্বল। স্নানকাৰ্য্য শেষ কৰি শিশুটিক নানাবিধ ৰেশমি

D.K. Accession No. Dibrugarh

সাজেৰে সজাই আনন্দত অধীৰ হৈ থকা পিতাকৰ আগত উপস্থিত কৰা হল।

শিশুটিৰ ৰূপৰ জেউতিত সকলো মোহিত হল। কভালান আৰু মাধৱী,—দুয়ো আনন্দত আপোনপাহৰা হল। এই নৱাগতৰ কল্যাণার্থে কভালানে ভালেমান সোণ-ৰূপৰ মুদ্রা ব্রাহ্মণ-সজ্জন, দুখীয়া-দৰিদ্রক দান কৰিলে; নৱাগতা ছোৱালীজনীৰ নাম মণি-মেখলাই দিবলৈ তেওঁলোকে সিদ্ধান্ত কৰিলে। মণিমেখলাই হৈছে এগৰাকী অধিষ্ঠাত্রী দেৱী। অতীজতে কভালানৰ উপৰি পুৰুষ সমুদ্রত জাহাজ বুৰি উটি যাওঁতে এই গৰাকী দেৱীয়েই তেওঁক পৰিত্রাণ কৰিছিল। গতিকেই কভালানে জীয়েকৰ নাম মণি-মেখলাই ৰাখিলে। "আজি দুদিনে মোৰ এই সন্তানটি জীৱন মৰণৰ সীমনাত উটি বুৰি ফুৰিছিল। মোৰ আশঙ্কা হৈছিল,—কেনেবাকৈ বন্তি গছি যদি নুমায় যায়।"

শিশুটিৰ জন্ম হোৱা আজি ছদিন হল। এই কেইদিনৰ বিপুল আনন্দই,—ক'ৰবাত কেনেবাকৈ আছিল যদিও, কন্নকীৰ স্মৃতি সম্পূর্ণৰূপে কভালানৰ মনৰ পৰা নিশ্চিন্ন কৰি পেলালে। সপ্তম দিনৰ দিনা শিশুটিৰ বুকুত এটি ৰক্তবর্ণ চিহ্ন পৰিস্ফুট হোৱা দেখা গল। কভালান আৰু মাধৱী আতঙ্কিত হৈ উঠিল। কিবা এক অজানিত আশঙ্কাই তেওঁলোকৰ মন আচ্ছন্ন কৰি পেলালে। দিনে নিশাই শিশুটিৰ জীৱন দানৰ কাৰণে দুয়ো প্রাচীন দেৱী মণি-মেখলাইৰ চৰণত কাতৰ প্রার্থনা জনাবলৈ ধৰিলে। নিশাৰ ঘোপ-মৰা এন্ধাৰৰ মাজত দেৱীৰ কণ্ঠস্বৰ নিনাদিত হোৱা শুনা গল: "তোমালোকে মোৰ নামে সন্তানটিৰ নাম ৰাখিছা। তাইক অতি পৱিত্র ভাবে তুলিতালি ডাঙৰ দীঘল কৰিবলৈ যত্ন কৰিবা। সন্তানটিক কন্নকীৰ ওচৰলৈ লৈ যাবা। তেওঁ যদি তাইক নিজৰ বুকুত সুমুৱাই চুম্বন কৰে, তেনেহলে জানিবা এইক কোনো বিপদ-বিঘিনিয়ে স্পর্শ কৰিব নোৱাৰে।"

কভালান উপায়বিহীন হৈ পৰিল। কন্নকীয়ে জানো মাধৱীৰ সন্তানক আকোৱালি লব! ই যে অসম্ভৱ কথা। তথাপি তেওঁৰ কন্নকীৰ মহত্বৰ ওপৰত অসীম বিশ্বাস। গতিকে কন্নকীলৈ খবৰ পঠালে,—সন্তানটি তেওঁৰ ওচৰলৈ পঠোৱাত কিবা আপত্তি আছে নে, এই বুলি।

কন্নকীক তেওঁৰ সহচৰী বিশালাক্ষী আৰু মাৰাকাভামে এনে এটা ঘৃণিত প্ৰস্তাৱ গ্ৰহণ নকৰিবলৈ দঢ়াই দঢ়াই অনুৰোধ জনালে। প্ৰস্তাৱ যদি গ্ৰহণ কৰা হয়ও, তেন্তে এটা স্বত্বৰ ওপৰতহে। প্ৰস্তাৱটো হৈছে,—সন্তানটোক চুম্বনেৰে জীৱন দান দিয়াৰ পিছত মাধৱীক পৰিত্যাগ কৰি কভালান কন্নকীৰ ওচৰলৈ প্ৰত্যাৱৰ্ত্তন কৰিব লাগিব। কথাষাৰ শুনি কন্নকী একেবাৰে অতিষ্ঠ হৈ উঠিল: "মই এনে নীচত্ব প্ৰাপ্ত হলোঁ নে যে এটি শিশুৰ জীৱন দানৰ কাৰণে এনে এটা স্বত্ব দাঙি ধৰিম? সেই শিশুটিক এতিয়াই মোৰ ওচৰলৈ পঠিয়াবলৈ কোৱা। মোৰ স্বামীৰ সন্তান মোৰেই সন্তান। এবাৰ এই শিশুটিক কোলাত তুলি লবলৈ মোৰ কি যে আগ্ৰহ উপজিছে। তেওঁলোকৰ যদি কোনো আপত্তি নেথাকে, চিৰকাল এই সন্তানটিক স্বামীৰ এটি বহুমূলীয়া উপহাৰ হিছাপে বুকুত সযতনে সাঁচি থবলৈ মই অকণো কুণ্ঠা বোধ নকৰো।"

সেই মুহূৰ্ত্ততে কেচুৱা মণিমেখলাইক কন্নকীৰ ওচৰলৈ অনা হল। কন্নকী শিশুটিৰ ৰূপত মুগ্ধ হল। দুয়োখন গাল তাইৰ তেওঁ চুমাৰে ওপচাই দিলে। বুকুত চেনেহৰে তাইক সাৱটি ললে।

ওচৰতে থিয় হৈ থকা বিশালাক্ষী আৰু মাৰাকাভামক কন্নকীয়ে সুধিলে: "এই সন্তানটি মোৰ যে নহয়, তাৰ কিবা প্ৰমাণ আছে জানো? নাক, মুখ, দেহৰ গঠন,—সকলো মোৰ স্বামীৰ লেখীয়া নহয় জানো?"

বিশালাক্ষীৰ আপত্তি কৰিব লগা একো নেথাকিল: "উস্, এই যে সন্তানটো, সৰগৰ যেনিবা এপাহি পাৰিজাত ফুলহে।

তোমালোকে চাই থাকা,—এই সন্তানটিয়ে সমগ্ৰ বিশ্বতেই কিবা এটা জ্যোতি বিলাব।"

কন্নকীৰ এনে ধৰণৰ আনন্দ, উলাহ-উদাৰতা দেখি তেওঁলোক আচৰিত হল। হাতত দি পঠোৱা কভালানৰ মানুহটোৱে শিশুটি আকৌ ঘূৰাই ললে। যদি সম্ভৱ হয়, তেন্তে নিতৌ এবাৰ যাতে এই সৰগীয় শিশুটিৰ মুখ-দৰ্শন কৰিবলৈ সুযোগ পায়,—ইয়াকে অনুৰোধ কৰি তেওঁ বিদায় দিলে।

সেইদিন ধৰি মণিমেখলাই লহপহকৈ বাঢ়ি আহিবলৈ ধৰিলে। মাধৱী আৰু চিত্ৰপতি,—হুয়ো মানুহটোৰ পৰা কন্নকীৰ শিশুটিৰ প্ৰতি অভূতপূৰ্ব্ব মৰম-চেনেহৰ কথা শুনিলে। সেইদিনাৰ পৰা পুনৰ মণিমেখলাইক তালৈ নপঠোৱাটোকে তেওঁলোকে সিদ্ধান্ত কৰিলে। "এইয়া মৰম-চেনেহ একোৱেই নহয়। এটা ভীষণ ষড়যন্ত্ৰ। মণিক আমাৰ পৰা কাঢ়ি নিয়াটোৱেই আচল উদ্দেশ্য। তাইৰ এই অভিপ্ৰায় যদি কেনেবাকৈ কাৰ্য্যত পৰিণত হয়, তেন্তে আমাৰ এই পুহৰৰ বিখ্যাত নৰ্ত্তকী পৰিয়ালটো ধ্বংস হৈ যাব। বয়সত এইৰ ৰূপৰ জেউতিয়ে ৰাজ-কোঁৱৰকো বিচলিত কৰিব, বলিয়া কৰিব। পৰিয়ালৰ নৃত্যখ্যাতি জীয়াই ৰাখিবই লাগিব।"

কেইবাবাৰো মণিমেখলাইক চোৱাৰ মানসেৰে বাতৰি পঠিয়াইও কন্নকী ব্যৰ্থ হল। উপায়বিহীন হৈ বেচেৰীয়ে নিজকে নিজে সান্ত্বনা দিবলৈ ধৰিলেঃ "মণিকতো মই নিজৰ কলিজাৰ তেজ সানি গঢ়া নাই। মণিতো মোৰ সন্তান নহয়। এনে অৱস্থাত তাইক জানো মই এইদৰে আপোনকৈ পাবলৈ বিচৰাটো উচিত হৈছে? আমাৰ বৈৱাহিক জীৱনৰ তিনি বছৰৰ ভিতৰতো ভগৱানে দেখোন মোৰ কোঁচত এটি সন্তান নিদিলে! অকলশৰীয়াকৈ ফুল মৰহা দৰে মোৰ এই জীৱনটোও মৰহি যাব। এনে এক নিঃসঙ্গ অৱস্থাত এটি যদি সন্তান থাকিলহেঁতেন, তাৰ মুখকে চাই বহুতখিনি শোক পাতলালোহেঁতেন। মানুহৰ প্ৰাণ,—ই কি? ই এক

দুৰ্ব্বলতাৰ স্মৃতি-স্তম্ভ। এই মনটোৰ পৰিতৃপ্তিৰ কাৰণেই মানুহে নিৰ্ভৰ কৰে এখন অন্তৰৰ মৰম-চেনেহ, প্ৰেম-প্ৰীতিৰ ওপৰত। আৰু মানৱ-জীৱন? ইয়ো এক ৰহস্যৰ ৰহঘৰা। মাধৱীৰ জীৱনৰ পূৰ্ণতাৰ গৌৰৱ ঘোষণা কৰিছে,—এই শিশুটিয়েই। মোৰ স্বামীৰো। আৰু এই শিশুটোকেই মই বিচাৰিছোঁ বুকুত সাৱটি লবলৈ। মোৰ নিচিনা হতভাগিনীৰ জীৱনত সুখৰ জিলিঙনি জানো পৰিব? মাধৱী! মাধৱীয়ে মোৰ বুকুৰ পৰা কাঢ়ি নিলে মোৰ স্বামী-দেৱতাক। এইবোৰ কথা চিন্তা কৰি জানো অন্ত আছে? শিশুটিৰ কল্যাণ হওক,—এইয়ে মোৰ গভীৰতম অন্তৰৰ সুন্দৰতম কামনা। শিশুটিৰ মহিমাই জগত মুখৰিত কৰক,—এয়ে মোৰ প্ৰাণৰ উচ্চতম বাসনা।"

পৰিত্যক্তা ঃ

ক্ৰমাৎ কন্নকীৰ জীৱন-যাত্ৰা হৈ পৰিল দুৰ্ব্বহ। অন্তৰ-ব্যথাই তেওঁক সম্পূৰ্ণৰূপে জুৰুলা কৰিলে। তেওঁৰ প্ৰাণৰ দেৱতা, জীৱন-সৰ্ব্বস্ব আজি মাধৱীৰ প্ৰণয়-পাশত আৱদ্ধ। প্ৰত্যেক পুৱাতে নিদ্ৰাহীন পাটীখন এৰিয়েই ভাবে,—আজিয়েই হয়তো তেওঁৰ স্বামী উলটি আহিব। ক'তা, তেওঁতো উলটি নাহিল। তাৰ পৰিৱৰ্ত্তে প্ৰত্যেক দিনাই আহে ধন-সোণ বিচাৰি পঠোৱা মানুহ। কন্নকী জৰ্জ্জৰিত হৈ পৰিল।

ব্যথা বেদনাত কন্নকী ক্ৰমাৎ মৰহি যাবলৈ ধৰিলে। উপায় যে নাই। মুখৰ সৌৰভ, চকুৰ আনন্দ-জ্যোতি, দেহৰ মাধুৰিমা,—সকলোখিনি তেওঁৰ তিলতিলকৈ টুটি আহিবলৈ ধৰিলে। বিশালাক্ষীক তেওঁ এদিন কলে ঃ "বুজিছা, মোৰ জীৱনটো এপিনে প্ৰৱল ভালপোৱা আৰু আনপিনে বিৰাট নিৰাশা,—দুয়োটাৰ প্ৰচণ্ড সংঘাতত চূৰমাৰ হওঁ হওঁ। মোৰ প্ৰাণে যে অকণো বুজনি নেমানে।"

বিশালাক্ষীয়ে আশ্বাস দি কলে ঃ "উপায় ক'ত ?"

"অন্তৰ উপচি পৰা ভাবাবেগে মোক অস্থিৰ কৰিছে। অকণমান সুৰুঙা এটি পালেই ভাব-অনুভূতি গুজৰি উঠে। বেজাৰ পাতলা দূৰৰ কথা,—যিমানেই দিনবোৰ বাগৰি গৈছে, সিমানেই হা-হুতাশবোৰে গুজৰি-গুমৰি অন্তৰখন মোৰ ডোখৰ ডোখৰ কৰিছে। স্বামীৰ ওচৰত ইনাই বিনাই কান্দি তেওঁৰ সমবেদনা, পুতৌ বিচৰাটো মোৰ উদ্দেশ্য নহয়। পিতৃ-মাতৃৰো সহায় মই বিচাৰিব খোজা নাই।"

ইমান দুখ-বেদনাৰ মাজতো কন্নকীয়ে এদিনৰ বাবেও কভালানৰ বিষয়ে কটু বাক্য উচ্চাৰণ নকৰিলে। বিশালাক্ষীয়ে কিন্তু নেৰে। সুবিধা পালেই কভালানৰ বিপক্ষে চোকা মন্তব্য প্ৰকাশ কৰে। "নিষ্ঠুৰ জনৰ বিপুল ঐশ্বৰ্য্য-সম্পত্তি, নানা সুকুমাৰ-কলাত ব্যুৎপত্তি, অতি শোভনীয় মুখমণ্ডল,—সকলো অসাৰ্থক। বাহ্যিক সৌন্দৰ্য্যই অন্তৰৰ কোনো সঁহাৰি নিদিয়ে।"

এনেবোৰ কটু কথায় কন্নকীৰ অন্তৰ-বেদনা বঢ়ায়হে, নকমায়।

"বিশা, প্ৰিয়তমক দোষাৰোপ নকৰিবা! মোৰ প্ৰাণে নসহে।"

"হব পাৰে। কিন্তু এবাৰো ভাবি চাইছানে,—স্বামীৰ এই অৱহেলা, এই নিষ্ঠুৰ অৱহেলা, কেনে এক কল্পনা কৰিব নোৱাৰাঁ পাশৱিক অত্যাচাৰ? এই অবিচাৰে তোমাক তিল-তিলকৈ মৰণৰ মুখলৈ আগবঢ়াই দিয়া নাই জানো?"

"তুমি ভুল বুজিছা। মোৰ জীৱন মৰুভূসদৃশ কঠোৰ হৈ পৰিছে। আজি এই শাস্তি মই ভুগিছোঁ—পূৰ্ব্বজন্মৰ কিবা পাপৰ ফলত। প্ৰিয়তমক মই দোষাৰোপ কৰিব নোৱাৰো। সেইয়া যে অবিচাৰ হব। চিৰকাল তেওঁক মই অন্তৰৰ শ্ৰদ্ধাঞ্জলি যাচি আহিছো। আৰু যাচিমও।"

"তুমি যদি ইমানেই বুজিছা, তেন্তে এনেদৰে চকুলো টুকি থকাৰ অৰ্থ কি?"

"বেজাৰ কৰিব লগা আজি মোৰ একো নাই। নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে মই বেজাৰ কৰা নাই। বেজাৰ কৰিছো, কান্দিছো মাথোন এটা কথাৰ কাৰণে,—আজি মোহান্ধ হৈ এজনী সাধাৰণ নৰ্ত্তকীৰ প্ৰেমত মোৰ স্বামীয়ে সকলো ঐশ্বৰ্য্য-সম্পত্তি, প্ৰেম-পৰিমল উটুৱাই দিছে। এইয়া প্ৰেম প্ৰাণৰ নহয়, আত্মাৰ নহয়।"

"তুমি যিয়েই নোকোৱা,—মই বুজি নেপাওঁ কিয় ইমানবোৰ ঐশ্বৰ্য্য-সম্পত্তি তাইৰ ভালপোৱাৰ নামত উটুৱাই দিব লগা হৈছে।

অন্তৰৰ প্ৰতি কণা ভালপোৱা উবুৰিয়াই দিলেও, সকলো ঐশ্বৰ্য্য-সম্পদ হেলাৰঙে উটুৱাই দিলেও, এনেবোৰ হিয়াহীনা, দেহ-সৰ্ব্বস্ব নাৰীৰ অন্তৰ স্পৰ্শ কৰাটো কিমান কঠিন। এইষাৰ কথা কভালানে বুজিব পৰা নাই কিয় ?”

“এই সাধাৰণ কথাষাৰৰো তুমি অৰ্থ বিচাৰি পোৱা নাই নে, বিশালাক্ষী ? নৰ্ত্তকীয়ে বিচাৰে সোণ-ৰূপ, মণি-মুক্তা। সিহঁতে কাৰো অন্তৰ নিবিচাৰে। এইয়ে সিহঁতৰ ধৰ্ম্ম।”

“আমি এইদৰে আলোচনা কৰি থাকিলে জানো হব ? এই কু-পথৰ পৰা তেওঁক কেনেকৈ আঁতৰাই আনিব পাৰি, তেনে কিবা ব্যৱস্থাৰ কথা চিন্তা কৰাটো জানো উচিত নহব ?”

“প্ৰণয়-পাশত আৱদ্ধ থকা অৱস্থাত কোনেও যুক্তি-তৰ্ক মানিব নোখোজে। সকলো বিচাৰ-শক্তি শিথিল কৰি দিব পৰা প্ৰণয়ৰ এক সম্মোহিনী শক্তি আছে। মাদকতাৰ অন্ত পৰিলেহে সকলো-খিনি ভুলভ্ৰান্তি উপলব্ধি কৰিব পৰা শক্তি মানুহে ঘূৰাই পায়।”

“কিন্তু এই যে মাদকতা, এই তন্ময়তাৰ ওৰ জানো সোনকালে পৰিব ? মই কিন্তু টান পাইছো।”

কন্নকীয়ে কথাৰ গতি সলনি কৰি কলে: “এই প্ৰণয়ৰ যে অন্ত পৰিবই, সেই বিষয়ে সঠিককৈ কোৱা টান। এই ভালপোৱা একেবাৰে যাউতিযুগীয়াও হব পাৰে।”

ইমান পৰে মাৰাকাভামে কথাবোৰ নীৰৱে শুনি আছিল। অৱশেষত তেওঁৰো মৌনতা ভাগিবলৈ বাধ্য হল। “সৰহ দিন আৰু নাই। মই কৈছো সোনকালেই এই ভুৱা ভালপোৱাৰ পতন অনিবাৰ্য্য। এই প্ৰেম-প্ৰীতিতো প্ৰাণৰ বস্তু নহয়। ই একমাত্ৰ ধন-দৌলতৰহে বস্তু।”

“হেৰা, যিহকে নোকোৱা লাগিলে,—মই মোৰ প্ৰিয়তমৰ চিৰকালেই মঙ্গল কামনা কৰিম। ভগৱানে তেওঁৰ জীৱন যাতে সুখৰ কৰে, শান্তিৰ কৰে, এইয়ে মোৰ প্ৰাৰ্থনা।”

LIBRARY

মাৰাকাভামে এনেবোৰ ৰতাহত ওপৰি ফুৰা নৈতিক যুক্তিৰ কেতিয়াও সমৰ্থন কৰিব নোখোজে। তেওঁৰ দৃষ্টি ৱাস্তৱমুখী। "তোমাৰ জীৱন যি এনেদৰে শোকাৱহ কৰি তুলিছে, তেওঁৰেই তুমি আকৌ মঙ্গল কামনা কৰা! এইবোৰ কথা মই বুজিব নোৱাৰোঁ, ভাই।"

"মাৰা, তুমি নেজানা। নাৰীৰ সৰ্ব্বোচ্চ ধৰ্ম্ম হৈছে পতি-সেৱা। সতীত্ব নাৰীৰ মনোমোহা ভূষণ। নাৰীৰ পতিয়েই শ্ৰেষ্ঠতম গুৰু, উচ্চতম দেৱতা। স্বামীৰ বাহিৰে নাৰীৰ আন কোনো দেৱতা নাই। বুজিছা?"

"যদি সেইয়ে হয়, তেন্তে তোমাৰ আৰাধনাৰ মোহিনী শক্তিত সেই দেৱতা ঘূৰি নাহে কিয়? তোমাৰ এইবোৰ পুথিৰ কথা, বাস্তৱ জীৱনৰ নহয়।"

"অধৈৰ্য্য নহবা। মোৰ সম্পূৰ্ণ বিশ্বাস তেওঁ উলটি আহিবই। এদিন তেওঁ মোৰ স্বপ্নত ধৰা দিছিল। আজি বাস্তৱত ধৰা দিব। নিদি উপায় নাই।"

"তেওঁ যদি সঁচাই উলটি আহে, তেন্তে ইয়াতোকৈ আৰু মনোৰম কথা কিবা হব পাৰে জানো? তোমালোকৰ পুনৰ মিলন হব, কেনে মধুৰ!" উৰঁলি যোৱা দিনবোৰ এটা এটাকৈ কন্নকীৰ স্বপ্নত আলোকিত হৈ উঠিল। সেইবোৰ যে ৰঙীন দিন, ৰঙালী সপোন! "মই জানো,—প্ৰিয়তমে মোক চুনাই আকোৱালি লব। মোৰ পুনৰ প্ৰতিষ্ঠা হব। যোৱা নিশা, বুজিছা, সপোনত দেখিছিলোঁ,— মই যেন মোৰ প্ৰিয়তমৰ বুকুৰ মাজত। উষাৰ নিষ্ঠুৰ আগমনে চকুৰ পৰা মোৰ সেই ৰূপ-তৃষ্ণা কাঢ়ি লৈ গল। বাস্তৱে যেন মোক বিদ্ৰূপ কৰিলে। সেই সপোনৰ মৌ-সনা স্মৃতিয়ে আজিও মোৰ হিয়া উথলায়। ভালপোৱাই সদায়েই প্ৰতিদান বিচাৰি আহিছে। প্ৰতিদানৰ অভাৱত হিয়া জহি যায়। মন ভাগি চূৰমাৰ হয়। তথাপি অন্তৰত আশা, চকুত স্বপ্ন আছে বাবেই মানুহ জীয়াই

আছে। ই মলঙা মনৰ সঞ্জীৱনী সুধা। ক্ষীণ হলেও, এই আশাৰ নিজৰাকণেই মোক জীপ দি জীয়াই ৰাখিছে।”

“সেইয়ে যদি হয়,—অন্তৰৰ আশা-নিৰাশা যদি শুকাই যোৱা নাই, তেন্তে এনেদৰে বেজাৰ কৰি লাভ কি?” বিশালাক্ষীৰ কাৰণে কন্নকীৰ এই অৰ্থহীন কথাবোৰ অসহ্য হল।

“মোৰ যে বুকুত সন্তান নাই, বিশা। চকুলোৰ বাহিৰে গতি মোৰ ক’ত? মোৰো যদি কোঁচত এটি কেঁচুৱা থাকিলহেঁতেন, স্বামীৰ প্ৰতিমূৰ্ত্তি—তাকেই বুকুত সাৱটি লৈ মৰহি যোৱা মনটোক সতেজ কৰি ৰাখিব পাৰিলোহেঁতেন। নাৰীৰ কাৰণে মাতৃত্ব, ইয়াতোকৈ গৌৰৱৰ কথা কি হব পাৰে? মাতৃমূৰ্ত্তিৰ স্থান কিমান উচ্চ! শিশুৰ মোহন মহিমাই দাম্পত্য-জীৱনৰ গৰিমা ঘোষণা কৰে। বুকুৰ কেঁচা তেজেৰে গঢ় দিয়া শিশুৰ মৌ-মাত অমৃতত-কৈয়ো যে মধুৰ। সিদিনা সপোনত স্বামীৰ ছবিখন জিলিকি উঠাৰ দৰেই মোৰ কোঁচত জিলিকি উঠিছিল এটি শিশুৰ প্ৰতিচ্ছবি। ইমান সুন্দৰ! ইমান ধুনীয়া!”

এনে ধৰণৰ অনুভূতিৰঞ্জিত কথাৰ বাবে বিশালাক্ষীৰ বাস্তৱমুখী মনটো অকণো প্ৰস্তুত নাছিল। “এনে তৰহৰ ভাবপ্ৰৱণ কথাবোৰে মোক লেশমানো স্পৰ্শ কৰিব নোৱাৰে, বুজিছা?”

“তুমি বুজা নাই, বিশা। প্ৰেমেই জীৱনৰ উচ্চতম আদৰ্শ। সৰগ নামি আহিছে, ধৰণীৰ ধূলিকণালৈ,—প্ৰেম হৈ। প্ৰেমৰ অভাবত জীৱন হৈ পৰে এক চেতনাশূন্য পদাৰ্থ। যাৰ অন্তৰত প্ৰেম নাই, তেনে জনৰ জীৱনত কোনো মাধুৰ্য্যও নাই। প্ৰেমৰ স্নিগ্ধ তৰঙ্গমালাত নিজকে উটুৱাই দিব পৰা জনৰ জীৱন কেনে মহৎ! প্ৰেম-প্ৰীতিৰ স্নিগ্ধ, নিৰ্ম্মল পদুমপাহিক স্বাৰ্থৰ কালিমাই কলুষিত কৰাটো যে অসম্ভৱ কথা। প্ৰেম চিৰ সুন্দৰ, চিৰ মধুৰ। স্বাৰ্থান্ধ সকলৰ হাতত ই হৈ পৰে সাধাৰণ বণিজৰ ব্যৱসায়-সামগ্ৰী। আনকি আমাৰ অৱমাননাকাৰী শত্ৰুজনৰ প্ৰতিও প্ৰেম থকা উচিত,

—এই প্ৰেমে মানৱক আৰু মহৎ কৰি তোলে। শত্ৰুক জয় কৰিব পৰা একমাত্ৰ সম্মোহিনী শক্তি হৈছে প্ৰেম।”

এইদৰেই দিনবোৰ বাগৰি গল। কভালানে প্ৰায়েই কন্নকীৰ ওচৰলৈ মানুহ পঠিয়ায়,—আন কথাৰ কাৰণে নহয়, ধন বিচাৰি। এইদৰে দিওঁতে দিওঁতে তেওঁৰ হাতত থকা স্বামীৰ সম্পত্তি সকলোখিনি ওৰ পৰিল। শেহত উপায় নেপাই পিতৃ-গৃহৰ পৰা অনা সম্পাত্তিখিনিও দি মেলি শেষ কৰি দিলে। সকলো শেষ হৈ গল। অৱশেষত নিজৰ গাত পিন্ধি থকা আ-অলঙ্কাৰবোৰো দি পঠালে। এইদৰেই সকলো সম্পত্তি বিচ্ছিন্ন হৈ গল। মণিমেখলাইৰ জন্মৰ তিনি বছৰৰ পিছত এনে এটা দিন আহিল যিদিনা সুখ-দুখৰ লগৰী বিশালাক্ষী আৰু মাৰাকাভামকো অৰ্থৰ অভাবত কন্নকীয়ে বিদায় দিব লগা হল। তেওঁলোক শোকত বিহ্বল হৈ পৰিল। চকুলো টুকি টুকি আনকি ওৰেটো জীৱন বিনা পাৰিশ্ৰমিকেৰে কন্নকীৰ শুশ্ৰূষা কৰিবলৈ দুয়ো গৰাকী প্ৰস্তুত হল। কন্নকী কিন্তু মান্তি নহল। মোৰ ব্যথা বেদনা অকলশৰীয়াকৈ ববলৈ বিচাৰো। মোৰ জীৱনৰ কৰুণ ইতিহাসে তোমালোকক স্পৰ্শ নকৰাকৈ থাকক—ইয়াকেই মই কামনা কৰো। তোমালোক মোৰ পৰা আঁতৰি থাকা। কেতিয়াবা সুখৰ দিন যদি ঘূৰাই আহে, মোৰ স্বামীক যদি পুনৰ মই ঘূৰাই পাওঁ,—সেই দিনা, সেই আনন্দোৎসৱৰ দিনা, তোমালোক দুয়ো আহিবা দেই। সেই দিনা যে কি ভাল লাগিব।”

চকুলোৰে বাট তিয়াই দুয়ো গৰাকী পুৰণি সহচৰী আঁতৰি গল। কন্নকী এতিয়া একেবাৰেই অকলশৰীয়া। তেওঁৰ অৱস্থা অধিক দুৰ্ব্বহ হৈ পৰিল। জীৱনটো সম্পূৰ্ণ শোকাচ্ছন্ন হৈ পৰিল। অলঙ্কাৰ বিহীনা কন্নকী,—জীৰ্ণ শীৰ্ণ অৱস্থাত জীৱনটো তেওঁ অতিবাহিত কৰিবলৈ ধৰিলে।

এইদৰেই মন্থৰ গতিত অপৰিসীম দুখ-বেদনাৰ মাজেদি কন্নকীৰ দহটা বছৰ ক্ৰমাৎ উৰঁলি যাবলৈ ধৰিলে। প্ৰত্যেকটো বছৰেই যেন সীমা বিস্তৃতি হৈছে। এতিয়াতো তিনিশ পয়ষষ্ঠী দিনীয়া এটা বছৰ নহয়, প্ৰত্যেকটোৱেই বিৰাট যুগ। দিন গৈ আছে, এই বেদনাগধূৰ দিনবোৰ। এনেতে মাধৱীৰ বাস-গৃহত হোৱা কভালানৰ এটা দুটাকৈ লাঞ্ছনাৰ কথাবোৰ তেওঁৰ কাণত আহি পৰিবলৈ ধৰিলে। দিন বঢ়াৰ লগে লগে লাঞ্ছনা-গঞ্জনাও বাঢ়িবলৈ ধৰিলে। এই বাতৰি যিমানেই পাবলৈ ধৰিলে, কন্নকী সিমানেই মৰ্ম্মাহত হল। উপায় বিহীনা হৈ তেওঁ স্বামীৰ কুশলৰ কাৰণে ভগৱানৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনালে। কন্নকীৰ প্ৰাণত আশাৰ এটি ক্ষীণ বন্তি ঢিমিক-ঢামাক্‌কৈ জ্বলি উঠিল। প্ৰিয়তমৰ কিজানিবা প্ৰত্যাৱৰ্ত্তন হয়েই। দিন বৈ গল। সময়ৰ সোঁতত আশাৰ সেই ক্ষীণ বন্তিগছিও ম্ৰিয়মান হৈ পৰিল। ই নিষ্প্ৰভ হৈ গল। মন মৰহি গল,—কোনো আশাই যে আৰু নাই।

## চিত্ৰপতিৰ কৌশল ঃ

মাধৱীৰ সংস্পৰ্শত ওপজা প্ৰণয়ৰ সোঁতত কভালানে উটুৱাই দিলে সকলো ঐশ্বৰ্য্য-সম্পত্তি। মনোৰম ৰেশমৰ সাজসজ্জা, সোণ-ৰূপ, হীৰা, মণি-মাণিক আদি বহুমূলীয়া ৰত্নৰাজিৰে মাধৱীক তেওঁ ওপচাই পেলালে। বাছকবনীয়াকৈ মাধৱীক সজোৱাটোৱেই যেন তেওঁৰ একমাত্ৰ ধ্যান-ধাৰণা। একেখন চহৰৰে এটা অঞ্চলত প্ৰণয়ৰ তপত উচ্ছ্বাস, ঐশ্বৰ্য্য-সম্ভাৰৰ পয়োভৰ। আন এটা অঞ্চলত পৰিত্যক্ত, নিঃসঙ্গ এটা মলঙা জীৱন, বুকু ভৰা বেদনা।

এনেদৰে দহটা বছৰ প্ৰণয়-উচ্ছ্বাসৰ মাজেদি অতিবাহিত হোৱাৰ পিছত কভালানৰ ঐশ্বৰ্য্য-সম্পদ ক্ৰমাৎ টুটি আহিবলৈ ধৰিলে। ভৰ বাৰিষা নৈৰ বুকুত খাগৰি-জাঁজি উটি যোৱাৰ দৰে প্ৰণয়-বন্যাত কভালানৰ ধন-বিভূতি সকলো উটি গল। মাধৱীৰ ওচৰলৈ শুদা হাতে যাব নোৱাৰা হল। শুদা হাতে যোৱা মানে চিত্ৰপতি নাইবা লিগিৰী ছেলামৰ কটু চাৱনি নাইবা বাগ্মায় ভৎসনা। দুৱাৰ মুখত থিয় হোৱা দেখিলেই তেওঁলোকে কিবা এটা উপহাৰৰ প্ৰস্তাৱ নিদিয়াকৈ নেথাকে,—দিবই দিব। কভালানেও প্ৰায়েই একোটা উপহাৰ লৈ যায়। লিগিৰী লৰি গৈ আনন্দত অধীৰ হোৱা মাধৱীৰ হাতত উপহাৰটি তুলি দিয়েগৈ। মাধৱী আপোনপাহৰা হৈ যায়।

"সোণজনী, কালিয়েই তুমি মোক এই উপহাৰটোৰ কথা নকলা কিয়? তোমাৰ কথাতো মই কেতিয়াও পেলোৱা নাই।"

মাধৱী মৰমতে কভালানৰ বুকুত ঢলি পৰিল। "প্ৰিয়তম, আমাৰ এই ভালপোৱা প্ৰাণৰ। প্ৰাণৰ ভালপোৱা যে কি নিৰ্ম্মল

বস্তু! তুমি মোৰ দেৱতা। তুমি মোৰ স্বামী। তুমি মোৰ সৰ্ব্বস্ব।” চকু কেইটা অলপ অলপ চলচলীয়া কৰি মাধৱীয়ে আকৌ কবলৈ ধৰিলে ঃ “তোমাক স্বামী বুলিবলৈ মোৰ জানো কিবা অধিকাৰ আছে? সেই অধিকাৰ কন্নকীৰহে।”

“ওঁহো, তুমি ভুল ভাবিছা। সেই অধিকাৰ তোমাৰহে। কন্নকীৰ নহয়। তেওঁ আজি মোৰ স্মৃতি-লোকত নাই। মোৰ কাৰণে তেওঁ আজি বিস্মৃতিৰ গৰ্ভত লুপ্তপ্ৰায়। মোৰ কল্প-লোকত জীয়াই আছা তুমি,—তুমি সোণ।”

কভালানৰ সকলো সম্পত্তি শেষ হৈ গল। যিবা আছিল সিয়ো দিন যোৱাৰ লগে লগে অন্ত পৰি আহিল। মাধৱীৰ সম্বন্ধ সম্পত্তিৰ লগত। এই শিক্ষা তেওঁক পোনপটীয়াকৈ চিত্ৰপতিয়েই দিছে। বৰ বঢ়িয়াকৈ। স্বাভাৱিকতে কভালানৰ সম্পত্তি কমি অহাৰ লগে লগে আদৰো কমি আহিল। ক্ৰমাৎ বহুমূলীয়া উপহাৰ দূৰৰ কথা, —একো উপহাৰকে যাচিব নোৱাৰা তেওঁৰ অৱস্থা হল। চিত্ৰপতি আৰু ছেলামে,—দুয়ো তেওঁক পোনপটীয়াকৈয়ে অসন্মান কৰিবলৈ ধৰিলে। আনকি মাধৱীও যেন অন্যমনস্কা হৈ পৰিল।

কভালানৰ প্ৰয়োজন শেষ হৈ আহিছে। চিত্ৰপতিয়ে দিনে নিশাই মন্ত্ৰণা দিবলৈ ধৰিলে জীয়েকক। “তাৰ নিচিনা দৰিদ্ৰ এটাৰ লগত থাকি লাভ কি? তাক পৰিত্যাগ কৰ, সময় থাকোঁতেই। তোৰ কাৰণে বলিয়া হোৱা এতিয়াও বহুত ঐশ্বৰ্য্য-শালী বণিক-কোঁৱৰ আছে। তাৰে এটা বাছি ল। এইটো দোষণীয় কথা বুলি নেভাবিবি। এইয়ে নৰ্ত্তকীৰ জীৱন। নৰ্ত্তকীৰ ধৰ্ম্ম।”

“এনে অশোভনীয় কথা মোক নকবা। মই বেজাৰ পাওঁ। আজি আমাৰ এই ধন-দৌলত তেওঁৰেই দান নহয় জানো? ইয়াৰ পূৰ্ব্বে আমাৰ কেনে দুৰৱস্থা আছিল। সেইবোৰ কথা তুমি পাহৰি গৈছা। আজি আমি ইমানবোৰ ঐশ্বৰ্য্যৰ গৰাকী। ধন-সম্পত্তিৰ কথা বাৰু এৰা। তুমি জানাই দেখোন, মই যে তেওঁক প্ৰাণেৰে

সৈতে ভাল পাওঁ। এনে এজন মানুহ, যাক পালে যি কোনো নাৰীয়েই নিজকে ভাগ্যৱতী বুলি ভাবিব, সেইজন মানুহকেই মই পাইছো। আৰু মণিমেখলাই,—তাই যে দেউতাকক এৰি এক মুহূৰ্ত্তও থাকিব নোৱাৰে। মোক নকবা। এনে এটা অসৎ কাম কৰিবলৈ মোক উদগনি নিদিবা। মই নোৱাৰো। এইয়া যে অসম্ভৱ কথা। আমাৰ সম্বন্ধ মৰমৰ। মঙহৰ নহয়।”

“মাধৱী, তোৰ কথা শুনিলে মোৰ খং উঠে। একেবাৰে চুলিৰ আগ পায়গৈ। তই নেজান,—সি যে তোৰ পৰা এতিয়াও কিমান সম্পত্তি লুকুৱাই ৰাখিছে। বন্ধু-বান্ধৱ, আত্মীয়স্বজন আনকি কন্নকীৰ হাততো এতিয়াও কিমান সম্পত্তি সি আমি কব নোৱাৰা-কৈ ৰাখিছে, তাৰ জানো তই কিবা ভু ৰাখিছ। সেইবোৰ মইহে জানো। দেখাত সি একেবাৰেই আঁকৰা, অজলাটো। কিন্তু আচলতে কিমান দগবাজ, সেইটো কথা জনাইহে জানে। তাৰ পেটৰ কথা তই নুবুজ। সি অসম্ভৱ নোম টেঙৰ। পেটৰ পাকে পাকে তাৰ বুদ্ধি। সি মণিমেখলাইক কেতিয়াও আমাৰ নৰ্ত্তকী ধৰ্ম্ম পালন কৰিবলৈ নিদিয়ে। দিব জানো? নিদিয়া মানে পৰিয়ালৰ যুগমীয়া গৰিমা নষ্ট হোৱাটো নহব জানো? কথাবোৰ অলপ দূৰলৈকে ভাবিবি। সেইবোৰ কথা এৰ। মই কৈছো, —ইয়াক আঁতৰাবই লাগিব। নহলে আমাৰ এই ঐতিহ্যপূৰ্ণ নৰ্ত্তকী পৰিয়ালটোৰ ইয়াতেই অৱসান ঘটিব। বুজিছ নে নাই?”

“ওঁহো, মোক এনে উপদেশ কেতিয়াও নিদিবা। নিদিবা বুলিছোঁ, নিদিবা। কভালানক মই পৰিত্যাগ কৰিব নোৱাৰো। নোৱাৰো, নোৱাৰো,—এশবাৰ নোৱাৰো। তেওঁৰ অবিহনে মই এক মুহূৰ্ত্তও জীয়াই থাকিব নোৱাৰো। তেওঁক পৰিত্যাগ কৰা মানে মোৰ মৃত্যু অনিবাৰ্য্য।”

“তোৰ এইবোৰ বৰ বৰ কথা মই শুনিব নোখোজো। তই ভাবিছ বিৰহত জহিখহি গোটেই জনী নোহোৱা হৈ যাবি। মই

কৈছো নহৱ। সকলোবোৰ মিছা। কন্নকীৰ নিচিনা এজনী পতিব্ৰতা নাৰী জীয়াই আছে স্বামীৰ অবিহনে,—আৰু তই কৱ, মৃত্যুৰ কথা। এইবোৰ ভাটৌ-শ্লোক মোৰ আগত নেমাতিবি। এসপ্তাহমান আঁতৰি থাক। দেখিবি সকলোবোৰ ঠিক হৈ যাব। সহ্য হৈ যাব।"

"বাৰু, যৎপৰোনাস্তি চেষ্টা কৰি চাম। এসপ্তাহমানৰ ভিতৰতে অসহ্য যেন যদি লাগে তেন্তে সৰ্ব্বহাৰা হলেও তেওঁক জীৱনত পৰিত্যাগ কৰা কথা মই আৰু কল্পনা নকৰো। তেতিয়া তুমি মোক দোষাৰোপ নকৰিবা। এই কাম কৰিবলৈ উদগনিও নিদিবা। দিলে মই অসম্ভৱ আঘাত পাম—বুজিছা ?"

"হেৰ', তোকতো মই একেবাৰে অনাথিনী কৰিব খোজা নাই। তোৰ ৰূপ-যৌৱনে কত জনক আকৰ্ষণ কৰিব। মই তোক এটা বাস্তৱ কথাহে কৈছোঁ। অবাস্তৱ একো কোৱা নাই নহয়।"

"তোমাৰ কথাবোৰ মই নুবুজো। সেইটো জানো সম্ভৱ হব পাৰে ? এজনক এৰি আনজনক এইদৰে আকোৱালি লোৱাটো সাধাৰণ পশু-পক্ষীৰ পক্ষেও সম্ভৱপৰ নহয়। আমি মানুহ,—নহয় জানো ?" মাধৱীয়ে মাকক শল-ঠেকত পেলাওঁ বুলিয়েই এইদৰে চোকাকৈ কৈ পেলালে।

"নৰ্ত্তকীৰ জীৱনত তেনে কোনো নীতি বাণীৰ ঠাই নাই, বুজিছ ?"

"কব নোৱাৰো। কিন্তু এইটো তুমি ঠিক জানিবা,—এইয়ে হৈছে আমাৰ আজি নৈতিক অধঃপতনৰ ঘাই কাৰণ।"

"কভালানৰ প্ৰতি তই আকৃষ্ট হৈছিলি কিয় ? তাৰ ঐশ্বৰ্য্য-বিভূতিৰ কাৰণেহে। মিছা জানো ?"

"মিছা তো। মোক আকৰ্ষণ কৰিছিল তেওঁৰ সেই সৰল, সহজ ভালপোৱাই। তেওঁৰ সহজাত ব্যক্তিত্বই।"

"এইবোৰ পু·নি কথা এৰ বাৰু। এইবোৰ লৈ খৰিয়াল কৰি লাভ কি ? মাত্ৰ এসপ্তাহ পৰিত্যাগ কৰি চা। অৱশ্যে এইটো

ঠিক,—ইমান কম সময়ৰ ভিতৰতে উপযুক্ত আন এজন প্ৰণয়প্ৰাৰ্থী যোগাৰ কৰাটো সহজ নহব। পৰহিৰ পৰাতো 'ইন্দ্ৰোৎসৱ' আৰম্ভ হলেই। এতিয়াৰ পৰাই তাক পৰিত্যাগ কৰিবলৈ সাজু হ।"

"ওঁহো, মই নোৱাৰো। ইমান কদৰ্য্য কাম এটা মই কেতিয়াও কৰিব নোৱাৰো। তেওঁক আমি পৰিত্যাগ কৰিব লাগে? তেওঁৰ সকলো ঐশ্বৰ্য্য-সম্পত্তি শেষ পাই আহিছে, সেই কাৰণে, নহয়? ওঁহো, সম্ভৱ নহয়, আই। মই তো নিদাৰুণ হব নোৱাৰো। ইমানবোৰ মৰম-চেনেহ উপেক্ষা কৰি তেওঁক পৰিত্যাগ কৰো কেনেকৈ আই?"

"থৈ দে মাধৱী, তোৰ এইবোৰ মূল্য নোহোৱা যুক্তি। মই তাক ভালকৈ চিনি পাওঁ,—এটা অত্যন্ত অহঙ্কাৰী মানুহ। তাৰ সেই শৰীৰৰ সৌন্দৰ্য্য, অন্তৰৰ নিৰ্ম্মল ভালপোৱা, বিপুল ঐশ্বৰ্য্যৰ সহায়ত তোৰ সি অন্তৰ জয় কৰিছে,—এইয়ে তোৰ বিশ্বাস। তোক সি অন্তৰ দিয়া নাই। তয়ো দিয়া নাই। এইয়া তোৰ মোহহে। ভালপোৱা নহয়।"

"এইয়া ভালপোৱা নহয়? তুমি কি কোৱা? এইয়া ভাল-পোৱা, অপৰিসীম ভালপোৱা,—যি ভালপোৱাৰ বৰ্ণনা নাই, ভাষা নাই। তেওঁ মোক অন্তৰৰ সকলোখিনি মৰম-চেনেহ উবুৰিয়াই ভাল পাইছে। ময়ো অন্তৰ উবুৰিয়াই ভাল পাইছোঁ। মোৰ কোনো অনুযোগ নাই। অনুতাপো নাই।"

"তাৰ আছে কিটো, মাধৱী? বেপাৰ-বাণিজ্য, ঐশ্বৰ্য্য-সম্পত্তি সকলোবোৰ ধ্বংস হৈ গৈছে। সি এতিয়া নিঠৰুৱা। দৰিদ্ৰ। মই দৰিদ্ৰক ঘিন কৰো। আৰু তই? তই এটা ভিকহুৰ প্ৰেমত বলিয়া। মোৰ দুখ লাগে,—তই একেবাৰে মোহাচ্ছন্ন হৈ গৈছ।"

"তুমি কি পাহৰি গৈছা, আই? আমিয়েইতো তেওঁৰ এই অভাৱ অনাটন, দুৰৱস্থাৰ ঘাই কাৰণ। আমিয়েইতো তেওঁক এই বিপুল বাণিজ্য-সম্ভাৰৰ পৰা আঁতৰাই এই পতনমুখী অৱস্থালৈ

আনিলো। এইবোৰ কথা ভাবিলে মোৰ অন্তৰখন গভীৰ হৈ উঠে।”

“বুজিছ, তাৰ এই অধঃপতন তাৰ নিজা দুৰ্ব্বলতাৰ সৃষ্টি। সি যদি সবল হলহেঁতেন, তইহে নেলাগে, তোৰ নিচিনা কুৰিজনী সুন্দৰী যুৱতীয়েও তাক এইদৰে উন্মাদ কৰিব নোৱাৰিলেহেঁতেন।”

“বাৰু, মই আৰু আপত্তি নকৰো। মোৰ পৰা আঁতৰি থাকিলে তেওঁ হয়তো বাণিজ্য আদিতো মনোনিবেশ কৰিব পাৰিব। কন্নকীৰ প্ৰতিও কিছুদূৰ কৰ্ত্তব্য পালন কৰিব পাৰিব। গতিকেই মই আৰু আপত্তি নকৰো, আই। এতিয়া কোৱাচোন কি ব্যৱস্থা অৱলম্বন কৰাটো উচিত হব ?”

“শুন, তই আৰু কভালান যেতিয়া সান্ধ্য ভ্ৰমণৰ কাৰণে বাহিৰলৈ ওলাই যাবি, ছেলামে তেতিয়া ‘নৰ্ত্তকীৰ নিঃকিন প্ৰিয়তমলৈ বিদায় বাণী’ বোলা সেই বিখ্যাত গীতটো গাব ঃ

আঁতৰি পলোৱা তুমি প্ৰিয়তম মোৰ,
নৰ্ত্তকীৰ প্ৰেম-প্ৰীতি নহয় বুকুৰ।
... ... ...

এই গীতটোৱে তাক অস্থিৰ কৰি তুলিব। সি আত্ম-সম্মান থকা মানুহ। গীতটোৰ মৰ্ম্ম-কথা সি নুবুজাকৈ নেথাকে। বুজা মাত্ৰকে সি তোৰ পৰা আঁতৰি পলাব,—সেই বিষয়ে সন্দেহ নাই।”

“তুমি তেওঁক একেবাৰে ভুল বুজিছা, আই। মোৰ দুখ লাগে,—আজি ইমান দিনে তুমি তেওঁক চিনিকে নেপালা। মোক তেওঁ অপৰিসীম ভাবে ভাল পায়,—বুকুৰ তেওঁৰ প্ৰত্যেকটো নিশ্বাসে মোক ভাল পায়। প্ৰত্যেকটো তেজৰ কণিকাই ভাল পায়। সকলো, প্ৰয়োজন হলে, আত্মসম্মান বিসৰ্জ্জন দি হলেও তেওঁ মোৰ কাষৰতে থাকিব।”

“কেতিয়াও নহয়, মাধৱী। তই একেবাৰেই অনভিজ্ঞা। আজিৰ দিনতো এনেকৈ আজলী হৈ থাকিব নেপায়। চাবি, মই

কৈছো,—সি কুকুৰ পলোৱা দি আঁতৰি পলাব। এক মুহূৰ্ত্তও বাট নেচায়।”

“বাৰু, চেষ্টা কৰি চাম।”

“চেষ্টাৰ কথা নহয়। তই এই ভিকহুটোৰ পৰা অব্যাহতি পাবই লাগিব। যদি ইমানতো নেযায়, এটা কাম কৰিবি ;—‘সমুদ্ৰ তীৰৰ দূৰণিৰ প্ৰিয়তমলৈ’ বোলা সেই গীতটো গাবি, কৃত্তিম ব্যথা-বেদনা মিহলাই। এনে এটা পৰিস্থিতিৰ সৃষ্টি কৰিবি, তাৰ যাতে অন্তৰত এক গভীৰ সন্দেহৰ উদ্ভৱ হয়,—তই ইতিমধ্যে আন কাৰোবাক হিয়া সমৰ্পণ কৰিছ বুলি।”

“বেচ, মই বঢ়িয়াকৈ ভাও দিম সাগৰৰ পাৰত। মিছাকৈয়ে গীত গাই মোৰ সোণটোক অস্থিৰ কৰি তুলিম। খুব ধেমালি হব। এইদৰে এসপ্তাহ মোৰ পৰা তেওঁক আঁতৰাই থম। এই সপ্তাহটোৰ বিচ্ছেদ তেওঁ সহ্য কৰিব পাৰিবতো? মোৰ যে বুকুখন চমকি উঠিছে।”

‘ইন্দ্ৰোৎসৱ’ৰ শেষ দিনা পুৱা। অতি মনোৰম। নগৰখন নানা তৰহৰ বাছকবনীয়া সাজ পিন্ধা মানুহেৰে ভৰপুৰ। কেউপিনে উত্ৰাৱল। কোনোৱে গীত গাইছে। কোনোৱে নাচিছে। কোনোৱে হাঁহিছে। কোনোৱে আকৌ জুম বান্ধি খেল-ধেমালি হৰিষ মনেৰে চাই ফুৰিছে। সকলোৰে কাৰণে এইটো এটা আনন্দৰ পুৱা, তৃপ্তিৰ পুৱা। কেৱল কভালানৰ কাৰণেহে আছিল বেদনাম্লান পুৱা, বিষাদৰ পুৱা। এটা বছৰৰ উৎসৱ-সমাৰোহ। প্ৰত্যেক বছৰেই এই উৎসৱৰ পুৱা তেওঁ বহুমূলীয়া উপহাৰ-সম্ভাৰেৰে মাধৱীক ওপচাই আহিছে। আজিৰ এইটো এটা ৰিক্ত পুৱা। আজিৰ এই মহোৎসৱৰ দিনা মাধৱীক উপঢৌকন দিবলৈ কভালানৰ হাতত একোৱেই নাছিল। তেওঁ নিঃকিন হব পাৰে, দৰিদ্ৰ হব পাৰে, তথাপি মাধৱীৰ প্ৰতি যি অপৰ্য্যাপ্ত

ভালপোৱা, তাৰ শেষ নাই। মাধৱীৰ ভালপোৱাৰ ওপৰতো তেওঁৰ গভীৰ বিশ্বাস। গতিকেই সাগৰৰ পাৰলৈ যাবলৈ তেওঁ মাধৱীক লগ ধৰিলে,—কিজানিবা বিষাদ-মলিন মনে এধানিমান সকাহ পায়েই।

মাধৱীৰ বাস-ভৱনৰ দুৱাৰ মুখতে ছেলামৰ লগত তেওঁৰ সাক্ষাত হল। "চাওঁ, মাধৱীহঁতক দিবলৈ তুমি নো আজি কি বহুমূলীয়া উপহাৰ আনিছা ?" মুখত এটা বিষাদৰ ছাঁ লৈ তাইৰ ওচৰৰ পৰা তেওঁ নীৰৱে আঁতৰি গল। ইয়াৰ পিছত অকস্মাৎ দেখা হল চিত্ৰপতিৰ লগত। "আজি এই মহোৎসৱৰ দিনা তুমি পুহৰ নগৰীৰ শ্ৰেষ্ঠতম সুন্দৰী গৰাকীৰ লগত সাক্ষাত হবলৈ আহিছা শুদা হাতেৰে, নহয় জানো ? বৰ আচৰিত!" লাজ, অপমানত জৰ্জ্জৰিত হৈ কভালান পালেগৈ মাধৱীৰ কাষ। মাধৱীয়ে তেতিয়াও সাজ-পোচাক পিন্ধাই নাই। "মাধৱী, বেয়া নেপাবা সোণ। তোমাৰ কাৰণে আজি মই একোকে আনিব নোৱাৰিলোঁ।" মাধৱী মাথোন নীৰৱে থাকিল। কভালানক বাহিৰৰ কক্ষটোতে বহিবলৈ কৈ তেওঁ সাজসজ্জাত লাগিল। কথাৰ ভিতৰত আনে দিয়া অা-অলঙ্কাৰ, উপহাৰ আদিৰ কথা। কভালানে ইমান দিনে দি অহা উপহাৰৰ কোনো উল্লেখেই নাই। কভালানৰ মনত বেজাৰৰ ঢৌ খেলি গল। নানা ভাবে জুমুৰি দি ধৰিলহি,—আগেয়েতো কেতিয়াও সাজসজ্জাৰ সময়ত মাধৱীয়ে তেওঁক বাহিৰত বহিবলৈ কোৱা নাছিল। সদায়েই তেওঁ ওচৰতে আছিল। মাধৱীৰ দেহাটোতো তেওঁৰ কাৰণে অচিনাকি নহয়!

উৱঁলি যোৱা মন এটা লৈ কভালান বাহিৰৰ কক্ষটোত বহি থাকিল। লাজ-অপমান, খং-বেজাৰ, এটাইবোৰে তেওঁক আগুৰি ধৰিলে। এটা এটাকৈ মনত উদয় হল,—অতীতৰ স্মৃতিবোৰ। প্ৰেম-প্ৰীতিৰ ডুখৰীয়া ছবিবোৰ। জীৱনক সাৰ্থকতা দিয়ে ঐশ্বৰ্য্য-বিভূতিয়ে,—এইষাৰ কথা যদি আগতীয়াকৈ উপলব্ধি কৰিব

পাৰিলোহেঁতেন! এনেদৰে নানা কথা ভাবি চিন্তি বিষাদ মনেৰে কভালান বহি আছে,—এনেতে ছেলাম আহি উপস্থিত। "এনে উৎসৱৰ দিনাও তোমাৰ গাত সাধাৰণ, পুৰণি সাজপাৰ দেখোন? এনেকৈতো তুমি একেলগে উৎসৱলৈ মাধৱীৰ লগত যাব নোৱাৰিবা।"

"মাধৱীয়ে এনে নীচ ভাবক প্ৰশ্ৰয় নিদিয়ে,—বুজিছা? তেওঁ এই মানুহটোকহে ভাল পায়। সাজসজ্জাবোৰকতো নহয়!" ছেলামে মাথোন এবাৰ বেঁকাকৈ চাই বিদ্ৰূপৰ সুৰত হাঁহিলে। মনতে 'তই মূৰ্খ, একোকে বুজা নাই,'—এই ভাব। এনেতে চিত্ৰপতিৰ আৱিৰ্ভাব হল। "ছেলাম, এটা গীতকে নেগাৱ কিয়? এনেয়ে যে সময় নিয়াইছ। এওঁৰ অন্ততঃ ভাল লাগিব,—বেচেৰা অকলশৰে বহি আছে।" ছেলামে 'নৰ্ত্তকীৰ বিদায় বাণী' বোলা সেই গীতটো আৰম্ভ কৰি দিলে। গীতটো যে কি মাৰাত্মক! কি অৰ্থব্যঞ্জক! গীতৰ প্ৰত্যেকটো শব্দই কভালানৰ প্ৰাণত ধুমুহাৰ সৃষ্টি কৰিলে—সাগৰৰ ধুমুহা। চিত্ৰপতি আৰু ছেলাম,—দুয়ো তেওঁৰ মুখৰ সেই উদ্দীপ্ত পৰিৱৰ্ত্তন নীৰৱে লক্ষ্য কৰিলে। অনিন্দ-সুন্দৰ মুখখন জলভৰা আকাশৰ চিয়াঁহি বুলীয়া ডাৱৰ কিছু মানে যেন ঢাকি পেলালেহি। ছেলামে দুষ্টালিৰ সুৰত সুধিলে ঃ "গীতটো বৰ ধুনীয়া, নহয়নে?"

"গীতটোৰ ভাবটো কিন্তু মনোৰম। বাস্তৱ জীৱনৰ লগত ইয়াৰ সম্বন্ধ আছে। কি কোৱা?" এই বুলি আঘাতৰ উপৰি আঘাত দিয়াৰ মানসেৰে চিত্ৰপতিয়ে গীতৰ অন্তত যোগ দিলে।

এনেতে মাধৱী আহি উপস্থিত। তেওঁৰ আগমনত চাৎকৰে চিত্ৰপতি আৰু ছেলাম,—দুয়ো আঁতৰি গল।

## সমুদ্ৰ তীৰত সন্ধিয়া ঃ

বাছকবনীয়া সাজপাৰ পিন্ধি ৰূপহীজনী হৈ মাধৱী ওলাই আহিল। কলা চুলিকোছা সুগন্ধী তেলৰ পৰশত চিকমিকাই উঠিল। গাত আঁতি পিন্ধা ৰেশমী শাৰীখনৰ শোভাই শৰীৰৰ সৌন্দৰ্য্য অধিক উজ্জ্বল কৰি তুলিলে। দিঙিত মুকুতাৰ গলপতা, সোণৰ মণি, নাকত হীৰাৰ নাকফুল, হাতত সোণৰ খাৰু, বাহুত পোৱালমণিৰ মালা, কাণত হীৰা-পতোৱা ফুল আদিৰে সু-শোভিত হৈ মাধৱী উপস্থিত হল। কভালান আচৰিত হৈ গল। ইমান দিনে তেওঁ উপহাৰ দিয়া এপদ অলঙ্কাৰো মাধৱীৰ গাত নাই। মনটো বেয়া লাগি গল। লাজ, অপমানত তেওঁ তেনেই ম্ৰিয়মান হৈ পৰিল। মাধৱীয়ে বেদনাক্লিষ্ট কভালানক কলে ঃ “বলা, আগৰ দৰেই উৎসৱ অন্ত পৰাৰ পিছত সাগৰৰ পাৰত বহি জোনাক নিশা গীত গাম, বলা। আজি তাতে পূৰ্ণিমা।”

বসন্তমালাক লগত লৈ গাড়ীৰে মাধৱী সাগৰৰ পাৰলৈ ওলাল। কাষে কাষে ঘোঁৰাৰ পিঠিত কভালান। নগৰৰ হাট-বজাৰ, বেহা-বেপাৰৰ প্ৰধান কেন্দ্ৰবোৰ অতিক্ৰম কৰি যাবলৈ ধৰিলে। অৱশেষত ঘাই ৰাজ-বাটেদি গৈ সাগৰৰ পাৰত তেওঁলোক উপনীত হল। সমুদ্ৰ-তীৰত আজি বিৰাট জনতাৰ সমাবেশ। কাৱেৰী নদীৰ মোহনাত অৱস্থিত ‘চন্দ্ৰকুণ্ড’ আৰু ‘সূৰ্য্যকুণ্ড’-ত স্নানৰ বাবে বহু নৰ-নাৰী সেইদিনা সাগৰৰ পাৰত সমবেত হৈছে। মানুহৰ বিশ্বাস, এই কুণ্ডদ্বয়ত স্নান কৰিলে প্ৰণয়ী-প্ৰণয়িনীৰ মিলন যাউতি-যুগীয়া হয়। কভালানেও যাতে মাধৱীৰ লগত তেওঁৰ মিলন

যাউতিযুগীয়া হয়,—এই উদ্দেশ্যে তাত স্নান কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। মাধৱীয়ে সেই প্ৰস্তাৱ সমৰ্থন নকৰিলে। ইমানবোৰ মানুহৰ আগত তেনেকৈ স্নান কৰাটো জানো উচিত হব?

কভালান আৰু মাধৱী,—দুয়ো তাৰ পৰা আঁতৰি গল, এডোখৰ নিৰ্জ্জন ঠাইলৈ—মনোৰম সন্ধ্যাটো দুয়ো অকলে সঙ্গীতৰ সুৰত উটুৱাই দিয়াৰ মানসেৰে।

হাঁহি-ধেমালিৰ মাজেদি দুয়ো বহুত সময় কটালে। কভালানৰ হাতত বীণখন তুলি দি মাধৱীয়ে "গীত এটা গোৱা না" বুলি অনুৰোধ জনালে। বীণ ঝঙ্কাৰি উঠিল; সুৰ-স্পন্দনৰ লগে লগে কাৱেৰী নৈৰ উদ্দেশ্যে কঁপনি তুলি কভালানে গোৱা গীতটো বাগৰি গল। গীতৰ ধ্বনিত মাধৱীৰ বুকুত কঁপনি জাগিল। হিয়াত উখল-মাখলৰ সৃষ্টি হল। গীতৰ ভাবধাৰা হল:

> "হে কাৱেৰী আই, তুমি চোলাৰাজ্যৰ জননী স্বৰূপিনী। সতীত্ব গুণৰে বিভূষিতা নাৰীৰ দৰেই তোমাৰ প্ৰেম-প্ৰীতি অতল, অচল, গভীৰ। কুলু-কুলু ধ্বনিৰে আকাশ-বতাহ মুখৰিত কৰি তুমি বৈ থাকা। তোমাৰ পাৰৰ গৰখীয়াৰ বনৰীয়া গীতে মায়াপুৰী সজাই তোলে। এই নতুনোৎসৱৰ আগমনত সকলোৰে কণ্ঠত তোমাৰেই গুণ-গৰিমা ধ্বনিত হয়।"

কভালানৰ এই 'কাৱেৰী সঙ্গীত' শেষ হোৱাত মাধৱীয়ে এটি গীত গালে,—সমুদ্ৰৰ উদ্দেশ্যে:

> "হে সমুদ্ৰদেৱ, পুৰুষৰ প্ৰেম-প্ৰীতিত কিমান যে অসত্য লীলাখেলা লুকাই আছে, পুহৰৰ এই সৰল, সহজ নাৰীৰ পক্ষে বুজা অসম্ভৱ। কিমান প্ৰণয়-প্ৰাৰ্থীয়ে হাতত ধুনীয়া উপঢৌকন লৈ আমাৰ কাষ চাপে। সেই চলনাত আমি হৈ যাওঁ অথিৰ, অস্থিৰ। ৰোহ পাতি ডিঙিৰ মালা ছিঙি ফুলবোৰ আমি সাগৰৰ বুকুলৈ দলিয়াই

দিওঁ। আমাৰ প্ৰণয়-প্ৰাৰ্থীবোৰে লৰি গৈ সেইবোৰ বুটলি আনি বুকুত সাৱটি লয়। বুকুৰ স্পৰ্শতহে হেনো তেওঁলোকৰ অন্তৰত জ্বলি থকা প্ৰেম-বহ্নিৰ উত্তাপ কমে। সাগৰৰ মনোৰম তীৰ, বাধাহীন ঢৌবোৰৰ সঙ্গীত, ৰূপোৱালী বালিচৰ, আকাশৰ দীপলিপ জোনালী, প্ৰিয়তমাৰ মুখৰ বিমল কান্তি, ক'লা চুলিকোছাৰ মৃদু সৌৰভ,—এই এটাইবোৰে হেনো তেওঁলোকৰ প্ৰাণৰ গহন কোণত উতলা স্পন্দন তোলে। আমাৰ ৰূপ-লীলাত তেওঁলোক হেনো মুগ্ধ হয়। আমাৰ চকুৰ এটা কটাক্ষ চাৱনিয়ে তেওঁলোকৰ হিয়া ভাঙি চূৰমাৰ কৰে। এটা কোমল চাৱনি, এটা মৃদু হাঁহিয়ে হেনো সৰগীয় সুখ দিয়ে।"

এই 'সমুদ্ৰ সঙ্গীত' শেষ কৰি মাধৱীয়ে পুনৰ কাৱেৰী নৈৰ উদ্দেশ্যে এটা গীত গালে :

"হে বিশ্ববিমোহিনী কাৱেৰী, তোমাৰ সমৃদ্ধি, তোমাৰ গৰিমা বৃদ্ধি পাওক। ৰজা-প্ৰজা সকলোৰে তুমি মাতৃৰূপিনী,—সকলোৰে প্ৰতি তোমাৰ স্নেহ যাতে মাতৃময়ী হয়।"

ইয়াৰ পিছত আকৌ এটি গীত তেওঁ জুৰিলে। এইবাৰ পুনৰ সেই 'সাগৰ সঙ্গীত' :

"হে সমুদ্ৰ দেৱতা, আমাৰ প্ৰণয়-প্ৰাৰ্থীবোৰ,—তেওঁলোক আমাৰ কাষ চাপে হাতত কিছুমান মণি-মুক্তা লৈ, আমাৰ সেন্দুৰীয়া ওঁঠৰ পৰশ বিচাৰি। আমাক যে কিমান প্ৰলোভন দেখুৱায়। কিমান যে দাম্পত্য-প্ৰেমৰ মধুময় ছবি আঁকি দেখুৱায়। আমাৰ আঙুলিত যে কিমানবোৰ সোণৰ আঙটি পিন্ধাই দিয়ে। কেনে আলফুলকৈ যে প্ৰণয় বিলায়। তাৰ পিছত? উদ্দেশ্য সিদ্ধি হোৱাৰ লগে লগে আঁতৰি পলায়। আমাক পৰিত্যাগ কৰি

উধাও হয়। তেওঁৰ স্মৃতি-লোকৰ পৰা মই আজি সম্ভৱতঃ বিস্মৃত হৈছোঁ। মোৰ স্মৃতি-পটত তেওঁ সদায়েই জিলিকি থাকিব। এই গছ গছনিবোৰৰ পাতৰ ৰূপৰ লহৰে, এই মধুময় জোনালী নিশাই মোৰ প্ৰাণত বিষাদৰ ক্লান্তি-ময় সুৰ অতিকৈ তীব্ৰ কৰি তোলে। হে সমুদ্ৰ-দেৱতা, মোৰ অন্তৰৰ এই কৰুণ কাহিনীৰ বতৰা তুমি নোপোৱা। সমুদ্ৰৰ বুকুত সাঁতুৰি নাদুৰি ফুৰা ৰাজহাঁহযোৰৰ কি অসীম আনন্দ। যোৱা,—তোমালোক উৰা মাৰি যোৱা। প্ৰিয়তমক এই নিষ্ঠুৰ বেদনাৰ কথা সোঁৱৰাই দিয়াগৈ। সূৰ্য্যদেৱ ধীৰে ধীৰে অস্ত গল। এইয়া সন্ধ্যাদেৱীৰ শান্ত, মৃদু আগমন। প্ৰাণ আকুল কৰি দিয়া সন্ধ্যা। জোনালীৰ ৰূপগুৰি সানি মুখ উজ্জ্বল হোৱা সন্ধিয়া। দূৰৈৰ পখীৰ কণ্ঠ-কাকলি কাণত আহি নপৰে। সাগৰৰ সৌম্য ছবি। মোৰ সেই প্ৰিয়তমক চিৰকাল মই অন্তৰৰ মণিকূটত অৰ্চ্চনা কৰিম। এনে এটা সন্ধ্যাৰ নিষ্ঠুৰ মুহূৰ্ত্তত মোৰ প্ৰিয়তমে মোক পৰিত্যাগ কৰি আঁতৰিছে। হে সমুদ্ৰ-দেৱতা, প্ৰিয়তমৰ বুকুত প্ৰেমৰ পূৰবী ৰাগিনী জগাই তুলি তেওঁক মোৰ ওচৰলৈ ঘূৰাই আনা।"

ইমান সময়ে কভালানে মৌন হৈ থাকি গীতটোৰ মৰ্ম্ম-কথা প্ৰাণে প্ৰাণে উপলব্ধি কৰিবলৈ যত্ন কৰিলে। এই গীতটোৰ নিশ্চয় কিবা এক নিগূঢ় ৰহস্য আছে। কোনোবা দূৰণিৰ প্ৰিয়ৰ উদ্দেশ্যে গোৱা ই এটা বেদনাগধুৰ সুৰ। অতীতৰ প্ৰিয়ৰ লগত মিলন-আশা এওঁৰ জাগি উঠিছে। সম্ভৱতঃ মোক পৰিত্যাগ কৰা উদ্দেশ্যেই। বৰ্ত্তমান মোৰ দাৰিদ্ৰ্যই কেৱল চিত্ৰপতি, ছেলাম, বসন্তমালাৰেই যে অন্তৰত বিদ্বেষৰ সৃষ্টি কৰিছে, এনে নহয়,— মাধৱীৰ অন্তৰতো কৰিছে। মই দৰিদ্ৰ। মোৰ সঙ্গ-সুখ মাধৱীৰ কাম্য নহয়।

মাধৱীৰ শৰীৰৰ পৰা ধীৰে ধীৰে কভালানে হাতখন আঁতৰাই আনিলে। “নিশা বাঢ়ি আহিছে। এতিয়া যাওঁগৈ বলা,”—এই বুলি কভালান উঠি পৰিল। মাধৱী তেতিয়াও বহাৰ পৰা উঠা নাই। উঠিবলৈ লেশমানো ইচ্ছাও তেওঁ নেদেখুৱালে। কভালানে তেওঁলৈ আৰু বাট নেচালে। নিমিষতে তাৰ পৰা তেওঁ আঁতৰি আহিল। তেওঁ যেতিয়া একেবাৰেই দৃষ্টিৰ অগোচৰ হৈ পৰিল, মাধৱী তেতিয়াহে যাবলৈ সাজু হল। বেজাৰত উৰ্ৱলি পৰা এখন অন্তৰ লৈ মাধৱী গাড়ীত উঠি বহিল,—কাষৰত তেওঁৰ প্ৰাণৰ প্ৰিয়তম আৰু নাই। শূন্য হিয়া এখন লৈ তেওঁ ঘৰলৈ উলটিল। মন, প্ৰাণ, জীৱন,—সকলো বেদনাৰ উদ্দাম তৰঙ্গমালাই, বান-পানীয়ে পথাৰ সামৰা দি আগুৰি পেলাইছে।

---

অন্তৰত বিষাদ, জীৱনৰ প্ৰতি বিতৃষ্ণা, অনুশোচনা,—আনপিনে মাধৱীৰ নিচিনা নৰ্ত্তকী-প্ৰিয়াৰ মোহজাল আৰু কন্নকীৰ নিচিনা ন্যায়পৰায়ণা ভাৰ্য্যাৰ সহজ আকৰ্ষণ, দুয়োটাৰ মাজত মনতে এক ৰিজনিৰ অৱতাৰণা কৰি কভালান আহি নগৰ সোমালহি। বাটত তেওঁৰ চকুত পৰিল এটা সদাশিৱৰ মন্দিৰ। লানি নিছিগাকৈ জ্বলি আছিল বন্তিৰ পোহৰ। মন্দিৰৰ ভিতৰৰ পৰা উটি আহিছিল উপাসনাৰ এটি ক্ষীণ ধ্বনি। ধীৰে ধীৰে কভালান মন্দিৰটোৰ ভিতৰ সোমাই গল। বেদনাত ম্লান তেওঁৰ কণ্ঠত এটি স্তুতি গীত অজানিতে ধ্বনিত হৈ উঠিল।

স্তুতি গীতটিয়ে বিষাদগধুৰ কভালানৰ প্ৰাণলৈ আনিলে অশেষ শান্তি। দেৱতাৰ চকুত যেন এই ব্যাথাতুৰ জনৰ প্ৰতি এটি কৰুণাৰ ধাৰ বৈ গল। এই কৰুণাৰ ধাৰেই তেওঁৰ প্ৰাণত শান্তিৰ নিজৰা এটি বোৱাই দিলে। মন্দিৰৰ কাষৰতে তেওঁ আথেবেথে বহি পৰিল। সেই ঠাইতে এজন গায়কে কৰি তিৰোভান্নুভাৱৰ ৰচিত 'ফুৰাল' কাব্যৰ পৰা কিছুমান স্তুতি গীত পাঠ কৰিছিল। কভালানে প্ৰাণ উজাৰি সেই গীতবোৰ শুনিলে। তেওঁৰ ক্লান্ত মনে বহুতখিনি শান্তি পালে।

গায়কে গালে ঃ "ধন-সোণৰ লগত জড়িত প্ৰেম-প্ৰীতি মৃত দেহৰ দৰেই অসাৰ, মৰণৰ দৰেই অন্ধকাৰময়।"

"কেনে সত্য!" কভালানৰ চকু উপচি পৰিল জীয়া বেদনাৰে।

"প্ৰকৃত সহধৰ্ম্মিণী কোন? প্ৰকৃত সহধৰ্ম্মিণী প্ৰেম-প্ৰীতি,

করুণা, সহানুভূতিৰ প্ৰতিমূৰ্ত্তি। পৱিত্ৰ প্ৰেমত নাই প্ৰৱঞ্চনা, নাই অভিনয়, নাই প্ৰতাৰণা।"

অজ্ঞাতসাৰেই কভালানৰ মুখৰ পৰা নিগৰি পৰিল্ঃ "কন্নকী সঁচাকৈয়ে প্ৰকৃত সহধৰ্ম্মিণী।"

"কামনাৰ যি দাস, সি অন্ধ। সিয়েই বিচাৰে চৰিত্ৰহীনা, হিয়াহীনা নাৰীৰ সঙ্গসুখ।"

"উস্, মইতো কামনাৰেই দাস। ময়ো অন্ধ।"

"নিজৰ বাহুবলেৰে সাধিত কাৰ্য্যইহে পুৰুষক প্ৰকৃত মৰ্য্যাদা দিয়ে। নিজৰ শ্ৰম-উপাৰ্জ্জিত সাধাৰণ বস্তু এটিৰ মূল্য আনৰ পৰা পোৱা সম্পত্তিতকৈ অনেক গুণে মহত্বপূৰ্ণ।"

"সত্য কথা! মই যে কি মূৰ্খ। নিজা ব্যৱসায়-বাণিজ্য পৰিত্যাগ কৰি পিতৃ-সম্পত্তি সকলো নাশ কৰিলো। কি যে সৰ্ব্বনাশী কথা।"

"দৰিদ্ৰৰ ক'তো স্থান নাই। দৰিদ্ৰ সকলোৰে ঘৃণিত। সমৃদ্ধিশালীজন সকলোৰে আদৰৰ।"

কভালানৰ সহ্য নহল। মুখৰ পৰা তেওঁৰ নিশব্দে ওলাই গল ঃ "আজি মোৰোতো তেনে নিকৰুণ অৱস্থা।"

"ভাগ্যক ধিয়াই থকাজনৰ অধোগতি অনিবাৰ্য্য। ব্যক্তিৰ উন্নতিৰ মূলতেই হৈছে নিজা পুৰুষাৰ্থ।"

কভালানে মনতে সঙ্কল্প কৰিলে,—হুনাই তেওঁ দৃঢ় ভাবে পুৰুষাৰ্থ কৰিব।

"পতিব্ৰতা নাৰী যাৰ কাষৰত, তাৰ কেতিয়াও একোৰে অভাব নহয়।"

"মোৰোতো তেনে সকলো আছে। মোৰোতো কন্নকী আছে। তেওঁ মোক ক্ষমা কৰিব নে বাৰু?"

"ক্ষমা স্বৰ্গীয় বস্তু। অন্তৰ যাৰ পৱিত্ৰ, বিশুদ্ধ,—তেওঁ আনক নিৰাশ কৰিব লাগে কেনেকৈ সেই কথা নেজানে।" গায়কৰ গীতত ধ্বনিত হল।

কভালানে মনতে ভাবিলে জীৱনৰ এটা দুঃস্বপ্ন শেষ হৈ গৈছে। ভুলবো শুধৰণি আছে। কন্নকীৰ ওচৰলৈ তেওঁ উলটি যাব। এখোজ দুখোজকৈ কভালান মন্দিৰৰ বাহিৰ ওলাল। ধীৰে ধীৰে তেওঁ মাধৱীৰ বাসস্থানৰ কাষতে সজা তেওঁৰ সেই দুদিনীয়া বাস-ভবনলৈ বাট বুলিলে। বাস-ভৱনত সোমায়েই দেখে বসন্তমালা অপেক্ষাৰতা। তাইৰ হাতত মাধৱীয়ে দি পঠোৱা কিছুমান চম্পক, মাধৱী, এনে তৰহৰ ফুল,—লগতে এখন চিঠিও।

> “বসন্তৰ মৃদু পৰশত মানুহৰ যে মনবোৰ কি হৈ যায়, তুমি হয়তো নেজানা। এই সময়তে জীৱনত বহুত ভুল ঘটে। এই বসন্ত কালতেই চকুত আবেশ আঁকি লৈ ডেকা গাভৰু,—ইটোৱে সিটোৰ বুকুত ঢলি পৰে। জোনটোৰ গাতো কালিমা আছে। মানুহৰ জীৱনতো এনে দুটি এটি কালিমা থকাটো জানো দোষণীয়? সেই বুলিয়েইনো মোক তুমি পৰিত্যাগ কৰি আঁতৰি যোৱাটো জানো যুক্তিসঙ্গত হৈছে? প্ৰিয়ৰ বুকুত প্ৰিয়া। সেই মুহূৰ্ত্তত জোনালীৰ কিৰণবোৰো যেন অতি স্নিগ্ধ, অতি কোমল হৈ পৰে। সেই একে জোনালীৰ কিৰণবোৰ হৈ পৰে বিষাক্ত, তিক্ত—প্ৰিয়তমৰ বিচ্ছেদত, মোৰ সোণ।”

বসন্তমালাৰ হাততেই কভালানে চিঠিখন পঢ়িলে,—নিজ হাতেৰে ইয়াক আনকি স্পৰ্শও নকৰিলে। মাধৱীৰ অষ্টবিধ নৃত্য ভঙ্গীতেই সম্পূৰ্ণ ব্যুৎপত্তি আছে। তেওঁৰ ‘কুন্দভেৰী’ নাচোনৰ তালত চকুত বিকশিত হয় মৃদু মাদকতা। এই মাদকতাই প্ৰেমিকৰ হিয়াত উখল-মাখলৰ প্লাৱন নমায়। ‘কালভেৰী’ নৃত্যভঙ্গীত বিকশিত হয় ওঁঠৰ মনোৰম লহৰ। এই মৌ-সনা লহৰে পাষাণকো অস্থিৰ কৰি তোলে। ‘উলভেৰী’ নৃত্যত ৰাজ-হংসৰ মৃদু ভঙ্গিমা, পখীৰ সু-মধুৰ কণ্ঠস্বৰ, ময়ূৰৰ মনোৰম পেখম প্ৰতিফলিত হয়।

'পূৰৱী' নৃত্যত শৰীৰৰ মধ্যদেশত এনে এটি লহৰ উঠে, দৰ্শক কামনাত বিহ্বল হৈ পৰে। 'কিলভেৰী' নৃত্যত বুকুৰ এনেদৰে কঁপনি উঠে, তাৰ সৌন্দৰ্য্যত দৰ্শক হৈ পৰে উন্মাদ। 'টাৰচিভেৰী' ভঙ্গিমাত বিচ্ছেদৰ বেদনাক্লিষ্ট অনুভূতি সুন্দৰকৈ প্ৰতিফলিত হয়। আনহাতে 'কাটছিভেৰী' নৃত্যৰ তালে তালে বেদনাবোৰ বাস্তৱত মুখৰ হৈ উঠে। অৱশেষত 'ইহুতকলভেৰী' ভঙ্গিমাৰ ছেৱে ছেৱে অচেতন হৈ তেওঁ প্ৰিয়জনৰ গাত বাগৰি পৰে। এই সকলোবোৰ নৃত্যভঙ্গী মাধৱীৰ জীৱনৰ বস্তু হৈ পৰিছে। মাধৱী এজনী সাধাৰণ নৰ্ত্তকী।

বসন্তমালাই মাধৱীক সকলোখিনি কথা বিবৰি কলে। "সদায় কৰি অহা অভিমানৰ দৰে আজিও তেওঁ এইয়া অভিমানহে কৰিছে। আজি নিশা যদি উলটি নাহে, তেন্তে কাইলৈ পুৱাই মই নিজে যাম।" এই বুলি হাঁহি এটা মাৰি মাধৱীয়ে বসন্তমালাক আশ্বাস দিলে। গোটেই নিশাটো বেদনাৰ বোজা বুকুত বান্ধি তেওঁ উজাগৰে কটালে। এটা বেদনাক্লান্ত নিদ্ৰাহীন নিশা।

সেইদিনা নিশা 'সাস্তা' মন্দিৰৰ পূজাৰিণী দেৱান্দীৰ লগত কন্নকীৰ সাক্ষাত হল। দেৱান্দীৰ জীৱন-কাহিনী অপূৰ্ব্ব। মালতী নামেৰে কপি গোত্ৰৰ এগৰাকী ব্ৰাহ্মণ কন্যা আছিল। জন্ম মুহূৰ্ত্ততে কন্যা গৰাকীৰ সন্তানটিৰ মৃত্যু হল। তেওঁৰ এগৰাকী সপত্নী আছিল। সপত্নীৰ সন্তানটিকে নিজৰ সন্তান বুলি তুলি তালি তেওঁ ডাঙৰ দীঘল কৰিলে। এদিন অকস্মাৎ সেই সন্তান-টিয়েই স্তন পান অৱস্থাত ভয়ঙ্কৰ কাহ উঠি মৃত্যুৰ মুখত পতিত হল। এনে এটা প্ৰচণ্ড আঘাতত ম্ৰিয়মান হৈ মালতীয়ে সেই শিশুৰ মৃত-দেহ বুকুত বান্ধি লৈ চন্দ্ৰ-সূৰ্য্য, বলোৰাম, শিৱ, ইন্দ্ৰ আদিৰ মন্দিৰত কান্দি কান্দি প্ৰাৰ্থনা জনাবলৈ ধৰিলে। এই দৰেই দেৱতাৰ চৰণত প্ৰাৰ্থনা জনালে,—হেৰোৱা সন্তানৰ জীৱন দান বিচাৰি। প্ৰাৰ্থনা ক'তো ৰক্ষা নপৰা দেখি অৱশেষত 'সাস্তা'

মন্দিৰলৈ তেওঁ আহিল। মন্দিৰৰ দুৱাৰ মুখত অকস্মাৎ এগৰাকী জ্যোতিৰ্ম্ময়ী নাৰী আৱিভূ'ত হৈ কলে ঃ "কোনো দেৱতাই তোমাৰ প্ৰাৰ্থনা ৰক্ষা কৰিব নোৱাৰে। তুমি এক প্ৰায়শ্চিত্ত কৰিব লাগিব। মোৰ হাতত মৃতদেহ সমৰ্পণ কৰা।" মৃতদেহটি কোঁচত লৈ দেৱী গৰাকীৰ পিচে পিচে মালতী শ্মশানলৈ গল। শ্মশানত ডাকিনী এজনী আবিৰ্ভাব হৈ মৃত দেহটো এফালৰ পৰা ভক্ষণ কৰিলে। এনে অমানুষিক ঘটনা দেখি মালতীয়ে চিঞৰত গছৰ পাত সৰুৱালে। সেই বুকু-ভগা কান্দোনত বিচলিত হৈ দেৱী সাস্তা নিজে আৱিৰ্ভাব হল।

"চিন্তা নকৰিবা,—তোমাৰ সন্তান দুনাই সঞ্জীৱিত হৈ উঠিব।" কথাষাৰ শেষ হবলৈ নৌ পাওঁতেই অকস্মাৎ জীৱিত শিশু আহি আৱিভূ'ত হল। মালতীয়ে শিশুটিক নি মাকৰ কোঁচত গটালেগৈ। এই স্বৰ্গীয় শিশুটিয়েই যৌৱন-প্ৰাপ্ত হৈ দেৱান্দীক বিয়া কৰালে। দুয়ো সুখে সন্তোষেৰে ভালেমান দিন অতিবাহিত কৰিলে। পিছত এদিন সকলোখিনি ঘটনা বিবৰি কৈ 'সাস্তা' মন্দিৰত দেৱ-জ্যোতিষ্মান তেওঁৰ স্বামী অন্তৰ্দ্ধান হল। বিদায়ৰ মুহূৰ্ত্তত পত্নী দেৱান্দীক তেওঁ সেই মন্দিৰৰ পূজাৰিণী হবলৈ উপদেশ দি গল।

দেৱান্দীয়ে স্বামীৰ আজ্ঞা পালি কৰ্ত্তব্যত মনোনিবেশ কৰিলে। কন্নকীৰ জীৱন-কথা শুনি তেওঁ আচৰিত হৈ গল। সেই নিৰ্ম্মল নাৰী-চৰিত্ৰই তেওঁৰ অন্তৰ গভীৰ ভাবে স্পৰ্শ কৰিলে। মই মানৱী। মোৰ স্বামী দেৱতা। কন্নকী দেৱী। তেওঁৰ স্বামী এটা সাধাৰণ মানুহ। কন্নকীৰ বিষাদৰ বৰ্ণনাই সম্যক ভাবে দেৱান্দীক অস্থিৰ কৰি তুলিলে। 'ইন্দ্ৰোৎসৱ'-ৰ শেষ দিনা মন্দিৰত পূজা-অৰ্চ্চনা শেষ কৰি, হাতত পূজাৰ নিৰ্ম্মালি লৈ, এই গৰাকী পূজাৰিণীয়েই বিৰহ-কাতৰা কন্নকীক শুভাশীষ দিলে ঃ "তোমাৰ স্বামীৰ অনতি-পলমে প্ৰত্যাগমন হওক।" এই আশীষ বাণী শুনি কন্নকীয়ে কেৱল নিশ্বাস পেলালে ঃ "মোৰ দৈৱৰ বিষয়ে মই সম্পূৰ্ণ অজ্ঞ।

তেওঁৰ প্ৰত্যাগমন হব, মোৰ জীৱনলৈ সুখ-শান্তি ঘুৰাই আহিব সেইযাৰ কথা মোৰ বিশ্বাস নহয়। দেৱান্দী, মই এটা বিভীষিকাময় নিদাৰুণ সপোন দেখিছিলোঁ। তেওঁ আৰু মই,—আমি দুয়ো যেন একেলগে কোনোবা এখন মহানগৰীত প্ৰৱেশ কৰিছো। তাত যেন কাৰোবাৰ কু-অভিসন্ধিত পৰি তেওঁ দণ্ডিত হল। মই যেন উতলা হৈ উঠিলো। মহাৰাজৰ সম্মুখত নিজে গৈ মই এই অন্যায়-অবিচাৰৰ প্ৰতিবাদ জনালো। কেউপিনে যেন এক ভীষণ বিপদৰ ছঁয়া ঘনীভূত হৈ আহিল। সেই বিপদৰ অৱসান ঘটাৰ অন্তত তেওঁ আৰু মই,—আমি দুয়ো যেন চিৰশান্তি লাভ কৰিলো।”

“মৰমৰ কন্নকী, তোমাকতো স্বামীয়ে একেবাৰেই পৰিত্যাগ কৰা নাই। তেওঁ নিশ্চয় উলটি আহিব। বৰ্ত্তমান তোমাৰ এই শোকাৱহ অৱস্থা পূৰ্ব্বজন্মৰ কিবা কৰ্ম্ম-ফলহে। কিবা প্ৰতিজ্ঞা পালনত তুমি অৱহেলা কৰিছিলা। ই তাৰেই প্ৰতিদান। কাৱেৰী নৈ আৰু সমুদ্ৰৰ সঙ্গম স্থলত যে ‘সূৰ্য্য’ আৰু ‘চন্দ্ৰ’ কুণ্ড আছে, তাত পৱিত্ৰ ভাবে স্নান কৰিলেই তোমাৰ স্বামীৰ সৈতে মিলন অৱশ্যম্ভাৱী। চিৰ মোক্ষ লাভ। ওলাবা, আমি তাত এদিন দুয়ো স্নান কৰি আহিমগৈ।”

“ক্ষমা কৰা,—সেই কুণ্ডত স্নান কৰি দেৱতাক তুষ্ট কৰা অভিলাষ মোৰ নাই। স্বামীয়েই মোৰ একমাত্ৰ আৰাধ্য দেৱতা। তেওঁৰ বাহিৰে আন দেৱতাৰ পূজা মোৰ পক্ষে অসম্ভৱ।”

এই কথোপকথনৰ পিছত দেৱান্দী ঘৰমুৱা হল।

কন্নকীৰ অন্তৰত বেদনাৰ এক অসহনীয় বোজা। ইয়াৰ যেন অন্ত নাই। ঘৰৰ দুৱাৰ বন্ধ। এনেতে বাহিৰৰ দুৱাৰত এটা শব্দ তেওঁৰ কাণত পৰিল। ধীৰে ধীৰে গৈ তেওঁ দুৱাৰখন মেলি দিলে। কন্নকী আচৰিত হৈ গল। সমুখত স্বামীৰ বাস্তৱ ৰূপ। কভালানৰ জীৰ্ণ শীৰ্ণ অৱস্থা। পতিব্ৰতা নাৰীৰ দুচকু উপচি বৰষাৰ ঢল নামিল। স্বামীৰ চৰণ তেওঁ চকুলোৰে ওপচাই দিলে।

কভালানৰো হিয়া বিষাদত উথলি উঠিল,—প্ৰিয়তমা পত্নীৰ শেঁতা মুখ, ক্ষীণ দেহ, শৰীৰত মাথোন সামান্য এখন কাপোৰ, এইবোৰ কল্পনাতীত দৃশ্য দেখি তেওঁ শোকত অভিভূত হল। আথে-বেথে কন্নকীক তেওঁ বুকুত তুলি ললে। "সেই পাতকিনী নৰ্ত্তকীৰ ভুৱা প্ৰণয়-সোঁতত মোৰ সকলোখিনি ঐশ্বৰ্য্য-বিভূতি ধূলি হৈ গল। আজি মোৰ সমুখত শত সহস্ৰ লাঞ্ছনা, অপমান আৰু অপযশ। সকলো মই নীৰৱে সহ্য কৰিবলৈ বাধ্য হৈছো।"

অন্তৰত গধুৰ বেদনা লৈ মুখত মধুৰ হাঁহিৰে অনুশোচনাত বুৰ যোৱা স্বামীক তেওঁ সান্ত্বনা জনালে। "চিন্তিত নহবা। মোৰ এই বহুমূলীয়া খাৰুযোৰ তোমাক গটালোঁ। ইয়াক বেচি যি ধন পোৱা, তাৰেই তুমি তোমাৰ লুপ্ত সন্মান পুনৰ উদ্ধাৰ কৰিব পাৰিবা।"

কভালানে তাইৰ তপত বুকুখনৰ মাজত মুখখন লুকুৱাই কেঁচুৱা লৰা এটাৰ দৰে ফেকুৰিবলৈ ধৰিলে: "সোণ, তুমি মোক ভুল নুবুজিবা। মাধৱীক মই পৰিত্যাগ কৰি আহিছো। মোৰ অতীত জীৱন মই পৰিত্যাগ কৰি আহিছো। মই আজি তোমাৰ কাষলৈ আহিছো শান্তি বিচাৰি। মোক ক্ষমা কৰিবানে তুমি?" এইদৰে ভালেমান সময় দুয়ো দুয়োৰে বুকুত অতিবাহিত কৰিলে। কভালানে কলে: "দুৱাৰখন খোলা আছে। বন্ধ কৰি দিওঁনে?"

"নেলাগে। গোটেই সংসাৰখনে আজি জানক আমাৰ এই মধু মিলনৰ কথা। জীৱনৰ নুমাই যোৱা বন্তি আজি জ্বলি উঠিছে। এই বন্তিৰ পোহৰত জীৱন উজ্জ্বল হওক।"

"এই ঠাইত মই আৰু এক মুহূৰ্ত্তও থাকিব নোৱাৰো। মোৰ কাৰণে ই অসম্ভৱ কথা। ইয়াৰ প্ৰত্যেকটো বস্তুৱেই মোৰ অপমান, অপযশৰ কথা ৰিঙিয়াই কয়। এইখন নগৰতেই মোৰ সৰ্ব্বস্ব গল। মই হৈ পৰিলো নগ্ন, দৰিদ্ৰ। আজিয়েই মই মাদুৰালৈ যাম। সেই চহৰখনত মোক কোনেও নেজানে। তাত মই

সম্পূৰ্ণ অপৰিচিত। সেই নগৰতেই মই পুনৰ বেপাৰ-বাণিজ্য আৰম্ভ কৰিম। তাত সা-সম্পত্তি গোটাই দুনাই ইয়ালৈ মই প্ৰত্যাগমন কৰিম। এতিয়া সমস্যা হৈছে মূলধনৰ। অৱশ্যে মূলধন গোট নোখোৱাকৈ নেথাকে।”

“মূলধনৰ কাৰণে তুমি অকণো চিন্তা নকৰিবা। মোৰ এই বহুমূলীয়া খাৰুযোৰ লোৱা। ইয়েই তোমাৰ হাতলৈ লগাখিনি ধন আনি দিব।”

“তোমাৰ অলঙ্কাৰত মই আৰু হাত নিদিওঁ। মই নিজেই পুৰুষাৰ্থ কৰি চাওঁ। তুমি বাধা নিদিবা।”

কন্নকীৰ চকু তিৰবিৰাই উঠিল, চকুৰ পানীৰে: “তুমি ইমান দিনৰ মূৰত উলটি আহিছা,—তোমাৰ আৰু মোৰ মাজৰ ব্যৱধানটো সোঁৱৰাই দিবলৈকে নেকি? তোমাৰ বা মোৰ সম্পত্তিৰ মাজত কিবা জানো পাৰ্থক্য আছে?”

“নেকান্দিবা কন্নকী,—তুমি যি ভাল দেখা, মই তাকেই কৰিম। মোক এতিয়া সুদূৰ মাদুৰালৈ যাবলৈ বিদায় দিয়া। মই এই বছৰটোৰ ভিতৰতে উলটি আহিম।”

“ময়ো তোমাৰ লগতে যাম। এদিনৰ কাৰণে, এক মুহূৰ্ত্তৰ কাৰণেও, মই তোমাৰ পৰা আৰু আঁতৰি থাকিব নোৱাৰো।”

“তুমি ইমান দূৰ বাট বুলিবা কেনেকৈ? মাদুৰা নগৰী ভালেমান দূৰ,—বহুত নদী, পৰ্ব্বত, হাবি জঙ্গল অতিক্ৰম কৰি যাব লাগিব। বাটত কিমান যে বনৰীয়া হিংস্ৰ জন্তু আমি পাম!”

“সকলোবোৰ বিপদ-বিঘিনি সহ্য কৰিবলৈ মই সাজু। সেই-খিনি মনৰ বল মোৰ আছে। তোমাৰ লগত যাবলৈ মই প্ৰস্তুত।”

“তেন্তে আজি নিশাই আমি সকলোৰে অজ্ঞাতে ইয়াৰ পৰা আঁতৰি যাম,—উষাদেৱীৰ উদয়ৰ আগে আগে।”

---

দাক্ষিণাত্যলৈ ঃ

পুৱঁতি নিশা কভালান, কন্নকী, দুয়ো নগৰ এৰি বাহিৰ ওলাল। বাটত বিষ্ণু আৰু শিৱৰ মন্দিৰত তেওঁলোকে একোটা সেৱা জনাই গল। সাতোটা বৌদ্ধ-বিহাৰ, লগতে বৌদ্ধ-বৃক্ষ জোপাও পাৰ হৈ গল। অৱশেষত অশোকবৃক্ষ জোপাই গাম্ভীর্য্য বঢ়োৱা জৈন মন্দিৰটোও অতিক্ৰম কৰি গল। সকলোৰে অন্তত নগৰৰ উপকণ্ঠৰ সীমান্ত দ্বাৰ, ৰাজ-উদ্যান, কুঞ্জবন আদিও পাৰ হৈ তেওঁলোকে বাট বুলিবলৈ ধৰিলে।

দুয়ো গৈ এটা আহল-বহল, ওখ বাটত উপনীত হল, কেউকাষে ওখ, ওখ গছৰ ক্ৰম। এই বাটটোৱেদিয়েই গৈ থাকিলে কাৱেৰী নৈৰ ঘাট পাব পাৰি। ইয়াৰ পিছত তেওঁলোক এখন আশ্ৰম পালে গৈ। এইখন আশ্ৰমতেই জৈন ধৰ্ম্মৰ পূজাৰিণী কভান্দী থাকে। কেতিয়াও কন্নকীয়ে ইমান দূৰ একেৰাহে খোজ কঢ়া নাই। ভাগৰত লালকাল হৈ তেওঁ সুধিলে ঃ "মাদুৰালৈ আৰু কিমান বাট ?"

"আৰু বেচি বাট নাই, সোণ।"

আশ্ৰমত দুয়ো প্ৰৱেশ কৰি পূজাৰিণীক সেৱা জনালে। কভান্দীয়ে তেওঁলোকক ভালকৈ নিৰীক্ষণ কৰি চালে। অৱশেষত সুধিলে ঃ "তোমালোক কোনোবা উচ্চ পৰিয়ালৰ মানুহ, নহয় ? এইদৰে খোজকঢ়া অভ্যাস তোমালোকৰ একেবাৰেই নাই, মই বুজিছোঁ। এনেদৰে বাৰু অনাই-বনাই ফুৰিছা কিয় ?"

কভালানে উত্তৰ দিলে ঃ "জীৱিকা উপাৰ্জ্জনৰ পথ বিচাৰি আমি মাদুৰালৈ ওলাই আহিছো।"

"মাতুৰালৈ ? এই আলসুৱা ছোৱালীজনীয়ে বাটত বৰ কষ্ট পাব। অৱশ্যে যাত্ৰা কৰি যেতিয়া ওলাই আহিছা, যোৱাটো নিশ্চয় সমীচীন হব। সেই বিখ্যাত মাতুৰা নগৰলৈ যাওঁ যাওঁ বুলি ময়ো ভালেমান দিনৰ পৰা সঙ্কল্প কৰিছো। তালৈ গৈ আমাৰ পৰম দেৱতা অৰিভনক পূজা কৰা, জৈন ঋষি-মুনি সকলৰ মুখত ধৰ্ম্ম ব্যাখ্যা শুনা, এইয়ে হৈছে মোৰ সেই ঠাইলৈ যাবলৈ ওলোৱাৰ প্ৰধান উদ্দেশ্য।"

কথাষাৰ শুনি কভালানে বৰ ৰং পালেঃ "আপুনি তেন্তে এতিয়াই ওলাওক। আপোনাক লগত পালে আমাৰ চিন্তা বহুতখিনি পাতলিব।"

"আমাৰ বাট বিচাৰি উলিওয়াটো কিছুদূৰ টান হব, বুজিছা ? হাবিৰ মাজৰ বাটটোৱেদি গলে এওঁ ভালেখিনি সুবিধা পাব। ৰ'দৰ প্ৰকোপৰ পৰাও হাত সাৰিব পাৰিব। বাটত ভালেমান ফল-মূলো পোৱা যাব। বাট কিন্তু সাৱধানে বুলিব লাগিব। হাবিৰ মাজত চিকাৰীয়ে খান্দি থোৱা ডাঙৰ ডাঙৰ খাল, ফান্দ, এইবোৰো আমি পাম। হাবিৰ মাজেদি নগৈ পথাৰৰ মাজৰ মুকলি বাটেদি যদি যাওঁ, তাতো আকৌ সাপৰ ভয়। এই দুটা বাটৰ বাহিৰে আৰু বাট নাই। আমি এই হাবিৰ মাজৰ বাটটোৱেদিয়েই যাব লাগিব। যাওঁতে মাথোন অলপ সাৱধান হব লাগিব।"

কথা শেষ কৰিয়েই পূজাৰিণীয়ে হাতত ভিক্ষাৰ জোলোঙাটো আৰু কেইটামান ম'ৰা চৰাইৰ পাখী ললে। যাত্ৰাৰ পূৰ্ব্বে পঞ্চবিধ জৈন গুৰুলৈ সেৱা জনাই যাবলৈ ওলাল। তেওঁৰ লগে লগে কভালান, কন্নকীয়েও বাট বুলিলে।

কাৱেৰী নৈৰ পাৰে পাৰে তেওঁলোক যাবলৈ ধৰিলে। যাওঁতে বাটত কাৱেৰী নৈৰ পৰা পথাৰৰ বুকুলৈ পানী তোলা নানা বিধ কৌশল চকুত পৰিল। পথাৰবোৰত নানা তৰহৰ খেতি—ফল, ধান, কুঁহিয়াৰ ইত্যাদি। নৈৰ পাৰত জাকে জাকে চৰাই,—হাঁহ, বগলি,

পানী কাউৰী, ভাটৌ ইত্যাদি। ইয়াৰ উপৰিও বাটত যে সাপ, কেকোঁৰা ইত্যাদিও পোৱা নাছিল, এনে নহয়। দূৰণিৰ পথাৰত জাকে জাকে গৰু-ম'হ। ৰ'দত দেই পুৰি শ্ৰম কৰা খেতিয়কবোৰ। আনফালে দেখিবলৈ পালে—গাভৰুহঁতে পথাৰত লেছেৰি বুটলিছে। ধেমালিতে ইজনীয়ে সিজনীৰ গালৈ বোকা ছটিয়াইছে। মৃদু-ধ্বনিত সুৰৰ লহৰ তুলিছে। হালোৱাই হাল বাইছে,—মুখত গীতৰ সুৰ। মানুহে ভঁৰালত কাম কৰিছে,—তাতো মুখত বনৰীয়া সুৰ।

মানুহবোৰৰ ফালে আঙুলিয়াই কভান্দীয়ে সহযাত্ৰী দুজনাক কলে: "কৃষিয়েই মানুহৰ প্ৰধান সম্পদ। কৃষিয়েই মানুহৰ প্ৰধান বাণিজ্য। কৃষকেই সমাজৰ ঘাই খুটা। কৃষকৰ পতন মানেই সমাজৰো পতন। কৃষকহে আচলতে স্বাধীন। আন সকলোবোৰেই একপ্ৰকাৰ পৰাধীন। কৃষকে অন্ন বিচাৰি কেতিয়াও আনৰ ওচৰত হাত পাতিব নেলাগে। তেওঁলোকেই আনক অন্ন দান কৰে। সমাজৰ এনে এটা আৱশ্যকীয় অঙ্গ,—তেওঁলোকৰো জীৱন কেনে কঠিন।"

ধুনীয়া ঘৰৰ গাওঁবোৰ দলটোৱে ক্ৰমাৎ অতিক্ৰম কৰিলে। এই গাওঁবোৰতেই ব্ৰাহ্মণসজ্জনৰ বাস। ব্ৰাহ্মণৰ পূজা-পাতল, যজ্ঞাদিৰ ধূপ-ধূনাই আকাশখন মেঘাচ্ছন্ন কৰি থৈছে। ঘৰবোৰ যেনিবা কুঁৱলীৰে আগুৰি থকা একোটা সৰু সৰু টিলাহে। আকাশ আৱৰি থকা এই যজ্ঞ-ধোঁৱাৰ মেঘবোৰ দেখি কভালানে কৈ উঠিল: "এই ব্ৰাহ্মণসজ্জনে ইচ্ছানুযায়ী কিজানি ধৰণীৰ বুকুত বৃষ্টিপাতো কৰাব পাৰে।"

এই গাওঁবোৰ অতিক্ৰম কৰাৰ পিছত তেওঁলোকৰ চকুত পৰিল আকৌ কিছুমান সমৃদ্ধিশালী কৃষকৰ গাওঁ। প্ৰত্যেকটো ঘৰৰ দুৱাৰ মুখতেই একোখনকৈ কুঁহিয়াৰশাল, চোতালত একোটা পৰ্ব্বত-আকাৰ শস্যৰ দ'ম।

খৰকৈ নগৈ তেওঁলোকে নিতৌ অলপ অলপকৈ বাট বুলি

যাবলৈ ধৰিলে। এনেকৈ কেইবাদিনো অতিবাহিত হোৱাৰ শেষত শ্ৰীৰঙ্গম বোলা নগৰখনত তেওঁলোকে প্ৰৱেশ কৰিলেগৈ। সেই নগৰতে এজন জৈন মুনিৰ লগত তেওঁলোকৰ সাক্ষাত হল। কভান্দী আৰু সহযাত্ৰী দুগৰাকীয়ে মুনিজনক সেৱা জনালেঃ "আমাৰ যেন সকলো পাপ মোচন হয়",—এই বুলি প্ৰাৰ্থনাও জনালে। কভালান আৰু কন্নকীক দেখা মাত্ৰকে অন্তৰ্যামী মুনিৰ আত্মালোকত তেওঁ লোকৰ অতীত জীৱনৰ শোকাৱহ কাহিনী উজলি উঠিল। তেওঁ সিদ্ধ মুনি। পাৰ্থিৱ দুখ-শোক, হাঁহি-অশ্ৰু,—সকলো বিষয়-বাসনা জয় কৰিছে। মুনিৰ চকুত অতীত যেনেকৈ উজলি উঠে, ভবিষ্যতো তেনেকৈয়ে উজলি উঠে। মুনিয়ে অন্তৰ দৃষ্টিত ধৰা পৰা আগন্তুক একো কথাকে তেওঁলোকক জানিবলৈ নিদিলে, নাইবা সেই যাত্ৰাৰ পৰা বিৰত থাকিবলৈকো উপদেশ নিদিলে। মাথোন কলেঃ "কভান্দী, সকলো প্ৰাণীয়েই কৰ্ম্মফল ভুগিবই লাগিব। অসৎ কৰ্ম্মৰ প্ৰতিদান অসৎ ফল, সৎ কৰ্ম্মৰ প্ৰতিদান সৎ,—এইটো অৱশ্যম্ভাৱী কথা। জীৱনটো প্ৰচণ্ড ধুমুহাৰ সমুখৰ এটা বন্তি। যি কোনো মুহূৰ্ত্ততে ই নুমাই যোৱা সম্ভৱ। ভগৱৎ উপাসনা, সৎ ধৰ্ম্মত মনোনিবেশ ইত্যাদিৰ সহায়তহে জীৱনৰ ক্ষুদ্ৰ গণ্ডী অতিক্ৰম কৰিব পাৰি।" কভান্দীয়ে কলেঃ "সত্যৰ' প্ৰতি মোৰ প্ৰৱল অনুৰাগ। ভগৱান অৰিভন হৈছে মোৰ ইষ্ট দেৱতা। তেওঁৰ চৰণ কমলত মই আশ্ৰয় বিচাৰো।" মুনিয়ে আশীৰ্ব্বাদ দিলেঃ "তোমাৰ মোক্ষ লাভ হওক।"

কেউগৰাকী যাত্ৰী একেলগে কাৱেৰী নৈ পাৰ হল। দক্ষিণ পাৰত তেওঁলোকৰ চকুত পৰিল,—মনোৰম উদ্যান, সুশোভন মন্দিৰসমূহ। কভালান আৰু কন্নকী দুয়ো উদ্যানৰ মাজে মাজে বিচৰণ কৰিবলৈ ধৰিলে,—মৰ্ত্ত্যত যেন ৰতি-কামদেৱহে যুগল মূৰ্ত্তি। সেই সময়তে সেই ফালেদি লগত এজনী তিৰোতা লৈ এটা লুৎসা প্ৰকৃতিৰ মানুহ গৈছিল। যুটীয়া জীৱনৰ এনে এক মনোৰম

ছবি দেখি সি বিদ্রূপৰ সুৰেৰে কভান্দীক সুধিলে ঃ "এই দুটা কোন ? কামদেৱ আৰু ৰতি নেকি ?" "তেওঁলোক কোনো দেৱতা নহয়। তেওঁলোক মোৰেই সন্তান।" এই বুলি কভান্দীয়ে উত্তৰ দিলে।

কথাষাৰ শুনি সিহঁতে বিদ্রূপৰ সুৰত কবলৈ আৰম্ভ কৰিলে ঃ "দেৱী, বৰ আচৰিত কথা। কেতিয়াবা একে মাতৃৰ সন্তানক স্বামী স্ত্রী হিছাপে পোৱাটো জানো সম্ভৱ ?" এনে এটা উপহাসমূলক কথা শুনি কন্নকীয়ে চকু দুটা মুদি দিলে। কভান্দীৰ খং উঠি গল। তেওঁ সিহঁতক অভিশাপ দিলে,—এই বিদ্রূপৰ প্রায়শ্চিত্ত হিছাপে শিয়াল, শিয়ালীলৈ ৰূপান্তৰিত হৈ সিহঁত ওচৰৰে কাঁইটীয়া বনত বাস কৰিব।

চকুৰ আগতে এনে এটা অভূতপূর্ব্ব ঘটনা দেখি কন্নকী-কভালানে ভক্তিভৰে কভান্দীক সুধিলে ঃ "সিহঁতৰ এই দোষ সম্পূর্ণৰূপে অজ্ঞতাৰ বাবে নহয় জানো ? হে দেৱী, এই পাপ সিহঁতৰ কেতিয়া মোচন হব ?"

"আজিৰ পৰা এবছৰৰ পিছত সিহঁতে এই অভিশাপৰ পৰা মুক্তি পাব।" ইয়াৰ পিছত তিনিও উৰয়ৰ বা বাৰানম নগৰলৈ যাত্রা কৰিলে। বাটত কভান্দীয়ে সুধিলে ঃ "এই পুৰণি নগৰখনৰ নাম বাৰানম কিয় হল, জানা নে ?"

"ওঁহো, নেজানো। অনুগ্রহ কৰি কব নে কিয় হল ?"

কভান্দীয়ে কবলৈ আৰম্ভ কৰিলে ঃ "পূর্ব্বে এই নগৰখন আছিল এখন বৃহৎ হাবি। ইয়াতে দুটা ঘনচিৰিকা চৰায়ে গছ এজোপাত বাহ সাজি পোৱালি জগাইছিল। ভৰদুপৰীয়া এদিন ৰ'দৰ তাপত সেই গছজোপাৰ তলতে এটা হাঁতী জিৰাইছিলহি। বাহটোত চৰাইজনীয়ে কণী উমনি দি থকা দেখিও হাঁতীটোৱে উলাহতে ডালটো আঁজুৰি ভাঙি পেলালে। কণী কেইটা মাটিত পৰি চূৰমাৰ হল। চৰাই কেইটাই চিঞঁৰত গছৰ পাত সকৱালে। শেষত উপায়ন্তৰ হৈ সিহঁতে ওচৰচুবুৰীয়াহঁতৰ লগত,—মৌ-মাখি,

বাঢ়ৈ টোকা, ভেকুলী, এইবোৰৰ লগত পৰামৰ্শ কৰিলে। সকলোৱে একগোট হৈ হাঁতীটোৰ এই নিৰ্ম্মম ব্যৱহাৰৰ বাবে উপযুক্ত শাস্তি বিহিবলৈ ঠিৰাং কৰিলে। মৌ-মাখি কেইটাই হাঁতীটোৰ চকুৰ আগত ভোন-ভোনাবলৈ ধৰিলে। ভয়ত সি চকু মুদি দিলে। এই সুযোগতে বাঢ়ৈটোকাজনীয়ে খোট মাৰি থাপতে তাৰ চকু এটা উলিয়াই আনিলে। হাঁতীটোৱে উচাপ খাই আনটো চকু মুদি দিলে। বাঢ়ৈটোকাজনীয়ে সুবিধাই পালে। আনটো চকুও তাৰ চকুৰ নিমিষতে উলিয়াই আনিলে। হাঁতীটো বিষত জৰ্জ্জৰিত হৈ লৰি ফুৰিবলৈ ধৰিলে,—পানী বিচাৰি। কিজানিবা পানীত চকু দুটা ধুলে বেদনাৰ উপশম পায়েই। এই দৰে উন্মত্ত ভাবে পানী বিচাৰি সি পৰ্ব্বতৰ টিঙে টিঙে লৰি ফুৰিবলৈ ধৰিলে। এনেতে ভেকুলীটোৱে পূৰ্ব্বৰ দিহা মতে তলৰ পৰা টোৰ্ টোৰাবলৈ ধৰিলে। ভেকুলীৰ মাত শুনি হাঁতীটোৱে পানী পোৱাৰ আশাত টিঙে টিঙে লৰিবলৈ ধৰিলে। অৱশেষত অকস্মাৎ পৰ্ব্বতৰ এটা টিঙৰ পৰা চকুৰে মনিব নোৱাৰা তললৈ সাউতকৈ সি সৰি পৰিল। এই দৰেই এই অশোভনীয় আচৰণৰ হাঁতীটোৰ মৃত্যু ঘটিল। এই স্থানতেই তাৰ মৃত্যু হৈছিল। শিৱি ৰাজ্যৰ বংশধৰ চোলা ৰজাই ঠাই ডোখৰক 'বাৰানম' নাম দি ৰাজ্যৰ ৰাজধানী পাতিলে। ইয়াৰ অৰ্থ হৈছে,—ৰাজ্যত অন্যায় অবিচাৰৰ কোনো স্থান নাই।

ঘটনাটো শুনি কভালানে মনত পৰম আনন্দ পালে। অৱশেষত নিজৰ সকলো দুখৰ কাহিনী তেওঁ কভান্দীক বিবৰি কলে। বেদনাময় এই কথাখিনিত অন্তৰ তেওঁৰ বিষাদেৰে উপচি পৰিল। কভান্দীয়ে কভালানক আশ্বাস দিবলৈ ধৰিলে,—বহুত সজ কথাৰে। শাস্ত্ৰাদিৰ পৰা উদ্ধৃত কৰি।

"কওকচোন, মোৰ নিচিনা পাপাত্মাৰ পৰিত্ৰাণ ক'ত ?"

"অন্তৰ পৱিত্ৰ ৰাখা। অপৱিত্ৰ অন্তৰ সকলো দুখ-শোকৰ আধাৰ। পৱিত্ৰ আত্মাই জীৱন জ্যোতিৰ্ম্ময় কৰি তোলে।"

"অবিভন দেৱতাৰ চৰণত কাতৰ প্ৰাৰ্থনা জনালে মোৰ পাপ খণ্ডন হব নে বাৰু?"

"নিশ্চয় হব। অন্তৰত ভক্তি লৈ সেৱা-ধৰ্ম্ম ধৰা। এইয়ে মুক্তিৰ একমাত্ৰ পথ।" কভালানে আকৌ সুধিলে: "প্ৰকৃততে অসত্যৰ বিৰুদ্ধে সত্যৰ চিৰকাল অভিযান চলিব নে?"

কভান্দীয়ে কলে: "নিশ্চয় চলিব, শুনা।"

"ডাৱৰ আঁতৰি হয় ভানু জ্যোতিৰ্ম্ময়,
দিনৰ শেষত হয় জোনৰ উদয়।
সত্যৰেই লীলাভূমি জগতত এই,
চিৰকাল হয় হেৰা সত্যৰেই জয়।
অসত্যৰ পদক্ষেপ ভীষণ গতিৰ,
অসত্যৰ অভিযান বিপুল ভঙ্গীৰ।
সত্যই সকলো ভাঙি কৰে চূৰমাৰ,
উজলায় স্বৰ্গ-জ্যোতি সৰগ সুধাৰ।"

## মাদুৰা নগৰী ঃ

অশোক গছজোপাৰ ছাঁত অৱস্থান কৰি কভান্দীয়ে জৈন প্ৰণালীৰে প্ৰাৰ্থনা জনালে। প্ৰাৰ্থনাৰ অন্তত সৎ-অসৎ জীৱন লৈ কিছু আলোচনা চলিল। সেই নিশাটো তাতে শেষ কৰি ৰাতি নৌ পুৱাওঁতেই তেওঁলোকে আকৌ যাত্ৰা কৰিলে,—মাদুৰালৈ বুলি। সূৰ্য্যোদয়ৰ মুহূৰ্ত্তত এক কুঞ্জবনত তেওঁলোক উপনীত হল। ডাঙৰ এটা পুখুৰী। ওচৰতে এখন শিলেৰে সজোৱা উপাসনাৰ বেদী। তাতে তেওঁলোকৰ ব্ৰাহ্মণ এজনৰ লগত সাক্ষাত হল। সেই ব্ৰাহ্মণৰ পৰাই যাত্ৰীদলটোৱে পান্ধ্য ৰাজ্যৰ বিষয়ে যাৱতীয় খা-খবৰ ললে। তেওঁ পান্ধ্যাধিপতি নেদাম ছেলিয়ামক প্ৰশংসা কৰি কলে ঃ "এই জনা নৃপতিয়ে আৰ্য্যসকলক পৰাস্ত কৰি বিৰাট খ্যাতি আৰ্জ্জিছে। এওঁৰ কণ্ঠদেশ ফুলৰ মালাৰে সু-শোভিত। বিজয়ী পতাকাত মৎস্য চিহ্ন অঙ্কিত। এওঁৰ পৰাক্ৰমৰ কাহিনী হিমালয়ৰ পৰা আৰম্ভ কৰি সমুদ্ৰতীৰ পৰ্য্যন্ত ব্যাপ্ত হৈ আছে। এই জনা নৃপতিৰ বিচাৰ অতি কঠোৰ। তেওঁৰ ৰাজ্যত অসৎ জনৰ কোনো স্থান নাই। ৰাজ্যখন অতি সমৃদ্ধিশালী।"

কভালানে ব্ৰাহ্মণক সুধিলে ঃ "আপোনাৰ অতীত গৃহভূমি ক'ত? ইয়ালৈ কিয় বা আহিছিল, জানিব পাৰো নে?"

"মোৰ আদিম বাসস্থান কুতুমণি পৰ্ব্বতৰ মনকদূতত। তিৰোপতি, ৰামেশ্বৰ, কুমাৰী, মাদুৰা, শ্ৰীৰঙ্গম আদি তীৰ্থস্থান মই পৰ্য্যটন কৰি আহিছো। কাৱেৰী নৈৰ ওপৰত তিৰোথি নামেৰে

ওপঙি থকা এটা মন্দিৰ আছে। তাতে বিষ্ণুৰ অনন্তশয়ন মূৰ্ত্তি দৰ্শন কৰি আহিছো।”

কভালানে ব্ৰাহ্মণজনৰ পৰা মাদুৰালৈ যোৱা বাট সুধি ললে। তেওঁৰ মতে ইয়ালৈ যোৱা অতি সুন্দৰ পথটো হৈছে হাবি, পথাৰ, মৰুভূমি আদি অতিক্ৰম কৰি। বাটত যাওঁতে তিৰোয়ন কুণ্ডমত সুন্দৰ গুহা, পুখুৰী আদি পোৱা যায়। পুখুৰী তিনটাত,— সাৰাভনম, ভৱকৰণি, ইষ্টসিদ্ধিত স্নান কৰি মানৱে পৰম-ৰূপৰ জ্যোতি পায়। বাটত যাওঁতে ঘোৰ অৰণ্যত থকা বনদেৱীসকলেও কভালানক আহুকাল দিব পাৰে। তাৰ বাবে তেওঁ সতৰ্কতা অৱলম্বন কৰা উচিত। বাটত যাওঁতে পোৱা তিৰোয়ন কুণ্ডমত পূজাপাতল কৰি যাবলৈকো তেওঁলোকক উপদেশ দিলে।

কভান্দীয়ে কলে: “আমাৰ সেই গুহাবোৰ পৰিদৰ্শন কৰা বা পুণ্য সলিলত স্নান কৰা উদ্দেশ্য নহয়। সত্য আৰু অহিংসাৰ মাজেদি জীৱন অতিবাহিত কৰি জানো পুণ্য অৰ্জ্জন কৰিব নোৱাৰি?”

“আপোনাসকলে যি ভাল দেখে তাকেই কৰক! ভগৱানৰ অসীম, অনন্ত ৰূপ দৰ্শন মানৱৰ পক্ষে দুঃসাধ্য।”

যাত্ৰা আকৌ আৰম্ভ হল। দুপৰীয়া পিয়াহত লালকাল দি কভান্দী কন্নকী গছ এজোপাৰ তলতে জিৰণি ললে। কভালানে পানী বিচাৰি ওচৰত জলাশয় এখনলৈ গল।

এনেতে বনকুঁৱৰী এজনীয়ে মায়া কৰি বসন্তমালাৰ ৰূপ লৈ কান্দি কাটি কবলৈ ধৰিলে: “মাধৱী কান্দি কাটি অস্থিৰ হৈছে। তেওঁ মোক নানা প্ৰকাৰে ভৎসনাও কৰিছে। মাধৱী এতিয়া মূৰ্চ্ছিতা অৱস্থাত। মাজে মাজে ব্যাকুল হৈ তেওঁ চিঞৰি উঠে: “নৰ্ত্তকীৰ জীৱন ঘৃণনীয়, নৰ্ত্তকী সকলোৰে অনাদ্ৰিতা।” ব্ৰাহ্মণজনৰ কথা তেওঁৰ স্মৰণ হল। ততালিকে তেওঁ শক্তিৰ মন্ত্ৰ এফাকি উচ্চাৰণ কৰিলে। মন্ত্ৰ শুনাৰ লগে লগে বনদেৱীয়ে নিজা ৰূপ ধাৰণ কৰি কভালানৰ ওচৰত ক্ষমা বিচাৰিলে। লগতে এই

ঘটনাটোৰ কথা কন্নকী আৰু কভান্দীৰ আগত ব্যক্ত নকৰিবলৈকো মিনতি জনালে।

পত্নমপাত এখিলাত কভান্দী আৰু কন্নকীলৈ কভালানে পানী আনিলে। ৰ'দৰ তাপ অতি প্ৰখৰ হোৱাত সেই দিনালৈ তেওঁলোক আগ নেবাঢ়িল। জিৰণি লওঁ বুলি তিনিওজনে এটা কালী মন্দিৰত প্ৰৱেশ কৰিলে। এই মন্দিৰটো আছিল 'মৰাভা' সকলৰ। অতি সমাৰোহেৰে দস্যুৰ দলে ইয়াতেই পূজা অৰ্চ্চনা কৰে।

সন্ধ্যাৰ লগে লগে সেই মন্দিৰত দেৱীৰ পূজাঅৰ্চ্চনা চলিল। এগৰাকী যুৱতীয়ে কালীৰ ৰূপ ধাৰণ কৰিলে। যুৱতীগৰাকী আছিল সেই মন্দিৰৰে পূজাৰীৰ বংশৰ। প্ৰত্যেক বছৰেই এই বংশৰ পৰাই একোজনকৈ মানুহ বলি দিয়া হয়,—দেৱীৰ আগত। নৰ্ত্তকী গৰাকীৰ শৰীৰৰ আভৰণ আছিল এখন ব্যাঘ্ৰচৰ্ম্ম। শিঙাল হৰিণ এটাৰ পিঠিত আৰোহণ কৰি তেওঁ প্ৰৱেশ কৰিলে। নাচনীৰ হাতত এখন ধনু। বেণীত এটা গাহৰীৰ দাঁত। ৰূপৰ এটা অৰ্দ্ধচন্দ্ৰও। ডিঙিত বাঘৰ দাঁতৰ এধাৰ মালা। সমুখত শালিনী নামৰ এগৰাকী নৰ্ত্তকীয়ে ন্যচিবলৈ ধৰিলে। নাচোনৰ তালে তালে তাইৰ মুখৰ পৰা কিছুমান কথা নিজে নিজে নিগৰি পৰিল: "নগৰবোৰত মানুহৰ সমৃদ্ধি দিনক দিনে বৃদ্ধি পাইছে। আনহাতে মৰাভাসকল, তোমালোক দিনক দিনে নিশকতীয়া হৈ পৰিছা। সাধাৰণ মানুহৰ দৰে তোমালোক শান্ত হৈ পৰিছা। তোমালোকৰ দৰে পৰাক্ৰমী এটা ফৈদৰ এইয়া কি যে শোকলগা পতন! স্বাধীন ভাবে যদি জীৱন যাপন কৰিব খোজা, তেন্তে দেৱীৰ পূজাঅৰ্চ্চনা কৰা।"

শালিনীৰ কথাত অনুপ্ৰাণিত হৈ কিছুমান মৰাভা যুৱক আগবাঢ়ি আহিল। হাতৰ তৰোৱালেৰে খোচ মাৰি কপালৰ তেজ নিজে উলিয়াই দেৱীৰ চৰণত সানি দিলে। শালিনীয়ে তেওঁ লোকক আশ্বাস বাণী শুনালে: "তোমালোকৰ এই ভক্তি প্ৰদৰ্শনত

দেৱী মুগ্ধ হৈছে। এতিয়াৰ পৰা এমাহৰ অন্তত তোমালোকৰ অভিযান সাৰ্থক হব। পান্ধ্য ৰাজ্যৰ ন্যায়পৰায়ণতাৰ অন্ত পৰিব। তোমালোকে সেই পতনৰ পৰা বহুত ধন-সম্পত্তি লুণ্ঠন কৰি আনিবলৈ সক্ষম হবা।”

তাৰ পাচত ভয়ত কুচিমুচি হৈ থকা কন্নকীৰ ফালে চাই নৰ্ত্তকী গৰাকীয়ে কলে: “ইয়াতেই আছে এই গৰাকী নাৰী। এওঁ হব সমগ্ৰ তামিল দেশৰ আৰাধ্যা দেৱী।” কথাষাৰ শুনি কন্নকীয়ে মাথোন স্বামীৰ কাণে কাণে কলে: “কেনে অসম্ভৱ।”

এইদৰেই নৃত্য-গীতৰ অন্ত পৰিল। সুৰাপান, বলিদান আদিৰ সৈতে উৎসৱৰো অন্ত পৰিল। নিশা ভালেমান হল। কভালানে ৰাতিয়েই যাত্ৰা কৰাৰ প্ৰস্তাৱ দিলে: “দিনত বেলিৰ প্ৰখৰ তাপত কন্নকীৰ পক্ষে খোজ কঢ়াটো অসম্ভৱ হব। আমি পাৰিম। তেওঁ নোৱাৰে।”

এইদৰে যাত্ৰা কৰি পিছ দিনা তেওঁলোক এখন গাৱঁত উপনীত হল। এই গাওঁখন কিছুমান ব্ৰাহ্মণৰ। বৰ্ত্তমান তেওঁলোকৰ ব্যৱসায় হৈছে সঙ্গীত আৰু নৃত্য। গাৱঁৰ মুখিয়াল মানুহজনৰ ঘৰতে কভান্দী আৰু কন্নকীক বিশ্ৰাম লবলৈ দিহা কৰি দি কভালান ওলাই গল, স্নানাদিৰ কাৰণে। বাটত মাধৱীয়ে তেওঁৰ অন্বেষণত পঠোৱা কুশিকৰৰ লগত সাক্ষাত হল।

“অৱশেষত ইমান অন্বেষণৰ পাচত তোমাক লগ পালো,— বঢ়িয়া কথা। এটা কথা জানা নে নেজানা? তোমাৰ যে পিতৃ-মাতৃ শোকত তেনেই বিহ্বল। আত্মীয়স্বজনো কান্দি কাটি তেনেই উদ্বাউল। তোমাক বিচাৰি পিতাৰাই কেউদিশে মানুহ পঠাইছে। পুহৰ নগৰীৰ অৱস্থা আজি তাহানি ৰামৰ বনবাসত ম্ৰিয়মান হোৱা অযোধ্যা প্ৰায়। বসন্তমালাৰ পৰা নিষ্ঠুৰ এই সংবাদ পাই মাধৱী একেবাৰে মুৰ্চ্ছিতা। মই কত বুজনি দিলো,—তাৰ কোনো প্ৰতিফলেই নহল। মাধৱীয়ে মোক মাথোন কৈছে: মই আপোনাৰ

চৰণত ধৰিছো,—এই বিৰহ-অনলৰ পৰা মোক ৰক্ষা কৰক। এই পত্ৰখনত কিবা লেখি তেওঁ মোক কলে ঃ মোৰ প্ৰাণৰ দেৱতাক দিব। দাক্ষিণাত্যত মই তোমাৰ অন্বেষণত ভ্ৰমিলোঁ। ইমান কষ্টৰ অৱশেষত এইয়া তোমাৰ লগত মোৰ সাক্ষাত। মণিমেখলাইয়ে তোমাক মুখেৰেই কবলৈ কৈছে ঃ দেউতা, মোৰ ওচৰলৈ ঘূৰি আহা। মাৰ দোষৰ বাবে তুমি মোক পৰিত্যাগ কৰিলা কিয়? মায়েতো একো দোষ লগাওঁ বুলি লগোৱা নাছিল। সোনকালে গুছি আহা,—আমি সকলোটি, তুমি, মই, মা, কন্নকী মা,—এই সকলোটিয়ে একেলগে আনন্দত দিন অতিবাহিত কৰো, আহা।"

কথা শুনি কভালানৰ অজ্ঞাতসাৰে চকুলো নিগৰি পৰিল। "তাই ভালে আছে নে?"

"ভালে আছে, কিন্তু তাই যে ইমান কান্দিছে। মাধৱীৰো সেই একে অৱস্থা। কোনো নাৰীকে কেতিয়াও মই ইমান শোকাতুৰা হোৱা দেখা নাছিলো। এইখন মাধৱীৰ চিঠি।"

পত্ৰৰ সংস্পৰ্শত মাধৱীৰ মধুৰ স্মৃতি তেওঁৰ চকুৰ আগত ওপঙি উঠিল। "মোৰ দোষ ক্ষমা কৰা। অন্তৰ মোৰ পৱিত্ৰ। মই কেৱল ধেমালিহে কৰিছিলোঁ। তোমাক বেজাৰ দিওঁ বুলি দিয়া নাই। মোৰ ভুলৰ কাৰণে আজি তুমি পিতৃ-মাতৃ, স্বদেশ সকলো পৰিত্যাগ কৰি পৰ্ব্বতে প্ৰান্তৰে অনাই বনাই ফুৰিছা। উলটি আহা, মোৰ সোণ, উলটি আহা। মোক শান্তি দিয়া। মোক জীয়াই থাকিবলৈ দিয়া।"

চিঠি পঢ়ি কভালানে এক দীৰ্ঘ নিশ্বাস পেলালে ঃ "প্ৰকৃততে মাধৱীৰ গাত কোনো দোষ নাই।" এই বুলি তেওঁ কুশিকৰৰ হাতত এখন চিঠি দিলে ঃ "এই পত্ৰখন মোৰ পিতৃ-মাতৃক দিব। মাধৱীক যাতে তেওঁলোকে দোষাৰোপ নকৰে,—মই ইয়াকেই বিচাৰো। মোৰ আৰু কন্নকীৰ বিষয়ে তেওঁলোকে যাতে অকণো চিন্তা নকৰে। পুহৰ নগৰীত মই দৰিদ্ৰৰ দৰে বাস কৰিবলৈ

নিবিচাৰো। মাদুৰাত ধন আৰ্জ্জিহে মই দেশলৈ উলটিম। এই সংবাদ মাধৱী, মণিমেখলাইকো দিব। মণিক মই আশীৰ্ব্বাদ কৰিছো—তাই যাতে ধৰ্ম্মপৰায়ণা হয়।”

কুশিকৰে কাৱেৰী পট্টমলৈ প্ৰত্যাগমন কৰিলে। কভালান, কন্নকী কভান্দীৰ ওচৰ পালেগৈ। ব্ৰাহ্মণসকলে তেতিয়া দুৰ্গাদেৱীৰ উপাসনা কাৰ্য্যত ব্যস্ত। নৃত্য-গীতৰ পয়োভৰ চলিছে। হাতত বীণখন তুলি লৈ কেইটামান স্তুতি গীত গাই কভালানে সকলোকে মোহিত কৰিলে। এনেতে শিৱ আৰু মিনাক্ষী মন্দিৰৰ ডবাৰ শব্দ, বেদমন্ত্ৰ উচ্চাৰণ তেওঁলোকৰ কাণত আহি পৰিলহি। ঘোঁৰা, হাঁতী, ৰথ,—এইবোৰৰ সমাবেশ হল। এই সমাবেশৰ ধ্বনিত আকাশ মুখৰিত হল। নগৰবাসী সকলো তাত আজি সমবেত। সেই শব্দধ্বনি তৰঙ্গ কল্লোলৰ দৰে উটি আহি তেওঁলোকৰ কাণত পৰিলহি। কাষৰৰ উদ্যানবোৰৰ শোভাৰাশি উচলি পৰিল। নৈৰ পানী পূজাৰ ফুলেৰে উপচি পৰিল। কভালানে চিঞৰি উঠিল ঃ “এইয়া যে পুষ্প সলিল।”

তাৰ পাচত তিনিও এখন নাৱত উঠি পাৰ হল। সিপাৰত এখন ফুলে-ফলে জাতিস্কাৰ উদ্যান। তাতে তেওঁলোকে বিশ্ৰাম কৰিলগৈ। নগৰত অৱস্থিত প্ৰত্যেক গৰাকী দেৱদেৱীৰ মন্দিৰৰ উদ্দেশ্যে তেওঁলোকে সেৱা জনালে। ধীৰ মন্থৰ গতিৰে অৱশেষত তেওঁলোক গছৰ শাৰীবোৰ পাৰ হৈ গল। নগৰৰ দাঁতিকাষৰীয়া ঘৰ, ধানৰ পথাৰ, পুখুৰী, উদ্যান,—এই এটাইবোৰ ক্ৰমাৎ অতিক্ৰম কৰি তেওঁলোক যাবলৈ ধৰিলে। দূৰৈৰ পৰাই এটা এটাকৈ তেওঁলোকৰ চকুত পৰিবলৈ ধৰিলে,—শিৱ, মিনাক্ষী, বিষ্ণু, বলোৰাম, সুব্ৰমন্য আদি দেৱ-দেৱীৰ মন্দিৰসমূহৰ উচ্চ চূড়াবোৰ।

কভালানে কন্নকীক তাতে কভান্দীৰ হাতত গতাই নগৰৰ ভিতৰত প্ৰৱেশ কৰিলে,—তেওঁলোকৰ থকা মেলাৰ কিবা দিহা কৰাৰ মনেৰে। দুৰ্গৰ সমুখৰ দ্বাৰ খনেৰে তেওঁ প্ৰৱেশ কৰিলে।

গোটেই বিয়লি বেলিটো নগৰত অনাই বনাই ফুৰিলে। সন্ধ্যা সময়ত চকুত পৰিল, নগৰৰ উদ্যানত চালি ধৰি থকা মনোৰম নৰ্ত্তকীবোৰ। বন্তি জ্বলাৰ লগে লগে চকুত পৰিল অট্টালিকাবোৰৰ সমুখত ফুলৰ মাজে মাজে ৰূপহী যুৱতীবোৰ। বজাৰত ভীষণ কোলাহল। ৰূপ, সোণ, হাঁতীদাঁত, হীৰা, মণিমুক্তা আদিৰে বজাৰ তেনেই ভৰপূৰ।

নগৰৰ পৰা উলটি আহি কভালানে সকলোখিনি বৰ্ণনা কন্নকী আৰু কভান্দীৰ আগত প্ৰকাশ কৰিলে। মদালান নামৰ এজন ব্ৰাহ্মণ কান্যকুমাৰীৰ পৰা প্ৰত্যাগমন কৰি সেই নগৰত সোমাইছিলহি। তেওঁৰ লগত কভালানৰ সাক্ষাৎ হল। কভালানৰ যশখ্যাতিৰ কথা তেওঁ ভালেমান দিন ধৰি শুনি আহিছে। "মই শুনিছো কেনেকৈনো তুমি সেই ব্ৰাহ্মণজনক বনৰীয়া হাঁতীৰ গৰাহৰ পৰা ৰক্ষা কৰিলা। তেওঁক কেনেকৈ ধন-সোণ দি তুষিলা, সেইযাৰ কথাও মই শুনিছো। কেনেকৈনো তুমি আন এজনৰ প্ৰাণৰ কাৰণে প্ৰাণ দিবলৈ সাজু হৈছিলা,—সেইযাৰ কথাও মই ৰাজকৰ্ম্মচাৰীৰ মুখৰ পৰা শুনিছো। কিন্তু মোৰ সোণ, পূৰ্ব্বজন্মৰ অসৎ কৰ্ম্মৰ বাবে তুমি অলপতে অসীম দুখকষ্টৰ সম্মুখীন হব লাগিব। দিব্যজ্ঞানৰ প্ৰভাৱত সকলো কথাৰ বুজ মই পাইছো।"

"মোৰ মনতো এনে ধৰণৰ আশঙ্কাৰ সৃষ্টি নোহোৱাকৈ থকা নাই। সপোনত দেখিছিলো,—এটা অতি নীচকুলীয়া মানুহে যেন মোক কদাকাৰ ম'হ এটাৰ পিঠিত তুলি দিছে। ঘটনাটো দেখি কন্নকী যেন শোকত বিহ্বলা হৈ পৰিছে। অৱশেষত আমাৰ দুয়োৰে,—কন্নকী আৰু মোৰ মোক্ষ লাভ হৈছে।"

কভালান আৰু কন্নকীক কভান্দী আৰু মদালানে উপদেশৰ সুৰত কলে: "এই ঠাই সন্ন্যাসীৰ কাৰণেহে। তোমালোক দুয়ো ইয়াৰ পৰা আঁতৰি নগৰত প্ৰৱেশ কৰাটোহে মঙ্গল হব।"

এনেতে খাদাৰী নামেৰে এগৰাকী দেৱান্দীৰ শিষ্যা আহিল।

কভান্দীয়ে কন্নকী আৰু কভালানৰ ভাৰ খাদাৰীৰ হাতত অৰ্পণ কৰিলে। খাদাৰীয়ে তেওঁলোকক নিজৰ বাসস্থানলৈ লৈ গল। তাতে থকা মেলাৰ সকলো যোগাৰ কৰা হল। খাদাৰীৰ কন্যা আয়াই কন্নকীৰ শুশ্ৰূষাৰ সকলো ভাৰ গ্ৰহণ কৰিলে। কন্নকীয়ে নতুন এটা পাত্ৰত কভালানৰ কাৰণে আহাৰ সজালে। খোৱা শেষ কৰি কভালানে কলে: "সোণ, মোৰ অন্তৰ বেদনাৰে উপচি পৰিছে। নৰ্ত্তকীৰ প্ৰেমত নিজকে উটুৱাই দিয়া জনৰ পৰিত্ৰাণৰ বাবে কিবা আশা আছে নে? বৃদ্ধ পিতৃ-মাতৃৰ প্ৰতিও কৰ্ত্তব্য কৰিবলৈ মই পাহৰিলোঁ। তোমাৰ নিচিনা পতিব্ৰতা নাৰীৰ অন্তৰতো কষ্ট দিলো। তোমাৰ ধৈৰ্য্য দেখি মই স্তম্ভিত হৈছো।"

"তুমি সৰু পথৰ পৰা আঁতৰি গৈছিলা, মই জানো। তথাপি তুমি মোৰ দেৱতা। তোমাৰ প্ৰাণৰ কথা মই উপলব্ধি কৰিব পাৰিছো। গতিকেই সেৱিকা হৈ মই আজি তোমাৰ লগ লৈছো।"

"তুমি যে সকলো পৰিত্যাগ কৰিলা,—পিতৃ-মাতৃ, আত্মীয়-স্বজন, সুখ-সম্ভোগ, সকলো। জীৱনত তোমাৰ সাৰথি হল পতিব্ৰত। তুমি কিমান উজ্জ্বল। কিমান বিশুদ্ধ। তোমাৰ এই অলঙ্কাৰ বজাৰত বেচি তাৰ মূল্যৰেই মই ব্যৱসায় আৰম্ভ কৰিম। কথাষাৰ ভাবি মোৰ যে হিয়াখন ভাঙি গৈছে। মোৰ কাৰণে ই যে কি অসহ্য!"

চলচলীয়া চকুৰে হাতত অলঙ্কাৰ লৈ কভালান প্ৰৱেশ কৰিলে নগৰৰ অন্তৰথলীত। ক্ৰয় কৰোঁতো বিচাৰি।

অবিচাৰ ঃ

কভালানৰ সমুখেদি বৃহৎ কুঁজৰ ষাঁড় এটা পাৰ হৈ গল। এইটো এটা অমঙ্গলৰ চিন। কভালানে ইয়াৰ কোনো সম্ভেদ পোৱা নাছিল। বজাৰত সোমায়েই তেওঁৰ চকুত পৰিল সমৃদ্ধিশালী স্বৰ্ণকাৰৰ দোকান এখন। দোকানৰ বাণিজ্যবাহুল্য লক্ষ্য কৰি কভালানে ঠিৰাং কৰিলে,—এৱেঁই নিশ্চয় ৰাজবাৰীৰ স্বৰ্ণকাৰ হব। মানুহজনৰ ওচৰ চাপি তেওঁ সুধিলে ঃ "এই অলঙ্কাৰ ধাৰৰ মূল্য নিৰূপণ কৰি দিব পাৰিব নে ?"

স্বৰ্ণকাৰ, অলঙ্কাৰ পাত হাতত লৈ, আনন্দত অধীৰ হৈ পৰিল। এসপ্তাহমান আগতে নমুনা চাবলৈ বুলি ৰাজ্যেশ্বৰীয়ে তেওঁৰ অলঙ্কাৰৰ পেৰাটো স্বৰ্ণকাৰৰ হাতত দিছিল। সেই সুযোগতে তাৰে এটা বহুমূলীয়া অলঙ্কাৰসম্ভাৰ তেওঁ লুকুৱাই থৈ সদাগৰ এজনক বেচিলে। সদাগৰে অলঙ্কাৰ লৈ দূৰ দেশলৈ আঁতৰি গল। দুদিনৰ পিছতেই ৰাণীৰ অলঙ্কাৰ চুৰি হল বুলি ৰাজ্যত কোঢ়াল লাগিল। স্বৰ্ণকাৰে নিজৰ ৰিপৰাধৰ কথা বৰ্ণাই ৰজাৰ আগত কলে। ৰজা তেওঁৰ কথাত পতিয়ন নগল ঃ "এইটো বৰ আচৰিত কথা। আমাৰ আন কাৰো ওপৰত সন্দেহ নহয়। তুমিয়েই পেৰাটো হাতত তুলি লওঁতে অলঙ্কাৰপাত কোনোবা তলকত সৰকালা। এসপ্তাহৰ সময় দিলো। ইয়াৰ ভিতৰতেই অলঙ্কাৰ যেনে তেনে উলিয়াবই লাগিব। নহলে, এই অপৰাধৰ বাবে গুৰুতৰ শাস্তি বিহিম।" এই দুৰ্ব্বহ ঘটনাটোৱে স্বৰ্ণকাৰক মহা চিন্তাত পেলালে। দিনে নিশাই তেওঁ দেৱ-দেৱীৰ উপাসনা

কৰিবলৈ ধৰিলে,—বিপদৰ পৰা যাতে ৰক্ষা পৰে, সেই মানসৰে। কিবা এক ভাগ্যৰ ফেৰত এই অচিনাকি মানুহজন আহি ওলালহি,—হাতত এই বহুমূলীয়া অলঙ্কাৰ লৈ। অলঙ্কাৰ পাত দেখাত, ওজনত,—সকলোপিনৰ পৰা হেৰোৱা ৰাজ-অলঙ্কাৰ পাতৰ লগত হুবহু মিলে।

ধূৰ্ত্ত স্বৰ্ণকাৰে ভাবিলেঃ ৰাজবাৰীৰ পৰা আহোঁ বুলি এওঁক ইয়াতেই বহুৱাই থওঁ। ৰাজ-কৰ্ম্মচাৰীৰ হাতত দোষী সাব্যস্ত কৰি তাৰ পাচত পঠাই দিম। শুনা মাত্ৰকে মহাৰাজেতো এনে গুৰুতৰ অপৰাধৰ বাবে তাক মৃত্যুদণ্ড বিহিবই। আগন্তুক বিপদৰ পৰা ৰক্ষা পৰা এইয়ে মোৰ উত্তম উপায়। স্বৰ্ণকাৰে কথাষাৰ ভাবি চিন্তি কভালানক কলেঃ "ডাঙৰীয়া, আপোনাৰ এই অলঙ্কাৰ ধাৰৰ মূল্য যথেষ্ট। মহাৰাণীৰ বাহিৰে আমাৰ ইয়াত সঠিক মূল্য দি ইয়াক কিনাটো কাৰো পক্ষে সম্ভৱ নহয়! আপুনি অলঙ্কাৰ লৈ ইয়াত বাট চাই থাকক। মই ৰাজবাৰীৰ পৰা আহোঁ গৈ।"

কভালানক আথেবেথে তাতে বহিবলৈ দি উৎফুল্ল মনেৰে স্বৰ্ণকাৰ ওলাল,—ৰাজবাৰীলৈ। ইমান সহজেই যথেষ্ট মূল্য পোৱাৰ আশাত কভালানৰ মন নাচিবলৈ ধৰিলে। বিপুল আনন্দত।

সেইদিনা মহাৰাণীৰ ভীষণ অভিমান। হেৰোৱা অলঙ্কাৰৰ বিষয়ে তৎপৰ নোহোৱা কাৰণে তেওঁ মহাৰাজক ভৎসনা কৰিবলৈ ধৰিলে। আজি এসপ্তাহ জুৰি মহাৰাজ ব্যস্ত নগৰৰ সুন্দৰী সকলৰ সঙ্গ-সুখত। মহাৰাণীয়ে এই কথাটি লক্ষ্য নকৰা নহয়। কক্ষৰ পৰা মহাৰাজ ওলাইছেহে মাথোন,—এনেতে স্বৰ্ণকাৰে সাষ্টাঙ্গে প্ৰণিপাত কৰি কবলৈ ধৰিলেঃ "ধৰ্ম্মৰাজ, অলঙ্কাৰৰ সৈতে মই চোৰ ধৰা পেলাইছোঁ। সি সেই অলঙ্কাৰ অৰ্দ্ধেক মূল্যত কিনিবলৈ মোক খাটিছেহি। এতিয়াও সি মোৰ ঘৰতেই আছে। এই মাত্ৰই মহাৰাজে কৰ্ম্মচাৰী প্ৰেৰণ কৰক,—চোৰ হাতে হাতে ধৰা পৰিব।"

অলঙ্কাৰ উদ্ধাৰ হোৱা সংবাদে মহাৰাজক উত্ৰাৱল কৰিলে। মহাৰাণীৰ পৰিতোষণৰ উদ্দেশ্যৰে কোনো বিচাৰ নোহোৱাকৈ তেওঁ চোৰক শাস্তি দিবলৈ উদ্যত হল। তৎক্ষণাত তিনিজন প্ৰহৰী মাতি পঠোৱা হল। "এই মাত্ৰই যা, সেই চোৰটোক মৃত্যুদণ্ড দে গৈ। তাৰ হাতত থকা মহাৰাণীৰ অলঙ্কাৰ ইয়ালৈ লৈ আহিবি। ৰাণীৰ অলঙ্কাৰ তইঁতেতো চিনি পাৱই।"

স্বৰ্ণকাৰে প্ৰহৰী কেইটা লৈ হৰিষ মনেৰে ঘৰলৈ উভটিল। "মই যিহকে হোৱাটো বিচাৰিছিলোঁ, সেইটোৱেই কাৰ্য্যত পৰিণত হৈছে।" কভালানৰ ওচৰ চাপি স্বৰ্ণকাৰে হাঁহি হাঁহি কলেঃ "ৰাজ আজ্ঞাত এওঁলোকে তোমাৰ হাতৰ অলঙ্কাৰ পৰ্য্যবেক্ষণ কৰিবলৈ আহিছে।"

প্ৰহৰীকেইটা অলঙ্কাৰ পৰীক্ষা কৰাত ব্যস্ত হৈ পৰিল। তেওঁলোকে ৰাজবাৰীৰ হেৰোৱা অলঙ্কাৰৰ লগত ইয়াৰ সম্পূৰ্ণ সাদৃশ্য দেখিলে। কভালানৰ চকুলৈ চালে মানুহজন যে চোৰ, এইষাৰ কথা মনলৈ নাহে। প্ৰহৰী কেইটাৰ বিশ্বাস হল,—এনে এজন মানুহ কেতিয়াও চোৰ হব নোৱাৰে। কথা গুণি চাই স্বৰ্ণকাৰৰ কাণে কাণে সিহঁতে কলে ঃ "ইয়াক দেখিলে তো সমুলি চোৰ যেন নেলাগে।" কথা শুনি স্বৰ্ণকাৰৰ খঙে মূৰৰ চুলি পালেগৈ ঃ "মূৰ্খ, তহঁতে চোৰৰ বিষয়ে কি জান? হাতে হাতে মানুহটো ধৰা পৰিছে। তথাপি তহঁতৰ পতিয়ন নহয়,—নহয় নে? জধা মূৰ্খ; তহঁতে এইটোও বুজিব পৰা নাই,—সি তহঁতক ভুৱা দিবলৈহে এনেখন অজলাৰ ভাও জুৰিছে। সেই চোৰটোৰ কথা মনত নাই নে,—ৰাজদূতৰ ভাও জুৰি কেনেকৈ যুৱৰাজৰ হীৰাৰ হাৰডাল চুৰ কৰি নিছিল? মূৰ্খ তহঁত। চৌৰ্য্যবিদ্যাৰ বিষয়ে জানিবলৈ তহঁতৰ এতিয়াও বহুত আছে,—বুজিছ?" স্বৰ্ণকাৰৰ কথাত পতিয়ন গৈ প্ৰহৰী এটাই মুহূৰ্ত্ততে তৰোৱালখন চলাই দিলে। কভালানৰ দেহা খণ্ডবিখণ্ড হৈ তেজেৰে ৰাঙলী হৈ পৰিল।

প্ৰহৰী কেইটাই ৰাণীৰ হেৰোৱা অলঙ্কাৰ ঘূৰাই পাই আত্মহাৰা হৈ পৰিল। লগতে স্বৰ্ণকাৰো। মহাৰাজে স্বৰ্ণকাৰ আৰু প্ৰহৰী, —সকলোকে অলঙ্কাৰ উদ্ধাৰ হোৱা বাবে যথাযোগ্য পুৰস্কাৰ বিতৰণ কৰিলে। তাৰ পিছত তেওঁ হাঁহি মুখেৰে ৰাণীৰ কাষ পালেগৈ: "প্ৰিয়তমে, এইয়া তোমাৰ হেৰোৱা সম্পত্তি। তুমি আৰু মোক নুচুৰিবা দেই।" কপাৰুণ দেৱী ৰাজেশ্বৰীয়ে হেৰোৱা অলঙ্কাৰ পুনৰ পাই আনন্দত অধীৰ হল। সকলো অভিমানৰ এইদৰেই অন্ত পৰিল। পত্নীৰ মুখত হাঁহি থকাসৰকা হোৱা দেখি মহাৰাজ আনন্দত উত্ৰাৱল হৈ পৰিল।

তেতিয়াও কভালান উভটি নহা দেখি কন্নকীৰ চিন্তাৰ অন্ত নোহোৱা হল। "আজি গোটেই গাটোতে মোৰ কিবা এক অস্বাভাৱিক কঁপনি উঠিছে। তেওঁ বাৰু এতিয়াও উলটি নাহিল কিয় ?" এই সকলোবোৰ কথা মাদাৰীক আয়াই বিবৰি কলেগৈ। "মোৰ সোণ, মোৰো দেখোন অকস্মাতে অন্তৰখন কঁপি উঠিছে। আনকি ইমান যত্ন কৰিও দেখোন জুইত মাখনখিনিকে গলাব নোৱাৰিলোঁ। গৰুবোৰে দেখোন একেলগে জুম বান্ধি মহা আতঙ্কত হেম্বেলিয়াইছে। ডিঙিৰ পৰা সিহঁতৰ টিলিঙাবোৰ অকস্মাৎ খহি খহি পৰিছে। এইবোৰ নিশ্চয় কিবা ভয়ঙ্কৰ বিপদৰহে আগ-জাননী। এই অমঙ্গল দূৰ কৰিবলৈ আমি এতিয়া 'কুৰৱী' নৃত্যৰে বলোৰাম, শ্ৰীকৃষ্ণৰ অৰ্চ্চনা কৰো, আহাঁ।"

কেইবা গৰাকী যুৱতী সেই ঠাইত আহি গোট খালে। তেওঁ-লোকে কুৰৱী নৃত্য আৰম্ভ কৰিলে। পান্ধ্যাধিপতি নেদাম ছেলিয়ামৰ গুণ বখানি গীত জুৰিলে। নৃত্য শেষ কৰি কেউগৰাকী যুৱতীয়ে ভৈগাই নদীত স্নান কৰিলে। মাদাৰীয়ে হাতত ধূপ-ধূনা, ফুল-চন্দন লৈ নেডুমনৰ উপাসনা কৰিলে। তাতে নগৰৰ পৰা অহা কাৰোবাৰ মুখে তেওঁলোকে ৰাণীৰ অলঙ্কাৰ চুৰিৰ অপৰাধত কভালান মৃত্যুদণ্ডত দণ্ডিত হোৱা বুলি সংবাদ পালে।

মাদাৰী তৎক্ষণাত বাসস্থানলৈ প্ৰত্যাগমন কৰি চকুলোৰে শৰীৰ তিয়াই কন্নকীৰ সমুখত উপস্থিত হল গৈ। কন্নকী একেবাৰে বাউলী হৈ পৰিল ঃ "মোৰ আৰু সহ্য নহয়। কৈ পেলোৱা কি

সংবাদ আছে। গোটেই শৰীৰতে মোৰ কিবা এক আশঙ্কাৰ কঁপনি উঠিছে! তোমাৰ এই বিহ্বল অৱস্থা দেখি মই প্ৰায় মূৰ্চ্ছিতা।”

মাদাৰীয়ে অৱশেষত কান্দি কান্দি আৰম্ভ কৰিলেঃ “ৰাজ-কৰ্ম্মচাৰীয়ে ৰাণীৰ অলঙ্কাৰ অপহৰণ কৰা অপৰাধত তেওঁক মৃত্যুদণ্ড বিহিলে।” কথাষাৰ শুনা মাত্ৰকে কন্নকী বিজুলী চমকা দি চমকি উঠিলঃ “কেনে অন্যায়, কেনে অবিচাৰ! ক'ত তুমি প্ৰিয়তম!” বুলি তেওঁ চিঞৰি চিঞৰি মাটিত বাগৰি পৰিল। “মোৰ স্বামী অপহৰণকাৰী! হে সূৰ্য্য দেৱতা! তুমিয়েই তো সমগ্ৰ বিশ্ব-ব্ৰহ্মাণ্ডৰ সাক্ষী।” এনেতে এক আকাশী-বাণী শুনা গলঃ “তোমাৰ স্বামী কলঙ্কহীন। এই অবিচাৰৰ বাবে গোটেই নগৰখন অগ্নিৰ বুকুত ভস্মীভূত হব।”

কন্নকীয়ে হাতৰ বাকী অলঙ্কাৰপাত লৈ শোক-সহানুভূতিত অভিভূত হৈ থকা যুৱতীবোৰক সম্বোধন কৰি কলেঃ “আইদেউহঁত, তোমালোকৰ এই বিধৰ্ম্মী ৰজাৰ ৰাজ্যতে বাসস্থান, নহয়? মোৰ যদি সতীত্ব আছে, মুহূৰ্ত্তলৈ হলেও মৃত স্বামীক মোৰ সঞ্জীৱিত কৰিমেই কৰিম।”

কন্নকী বাউলী হৈ নগৰত প্ৰৱেশ কৰিলে,—লগত সেই যুৱতী-বোৰ। নগৰবাসী প্ৰায় সকলোৱেই তেওঁক আগুৰি ধৰিলে। “আমাৰ মহাৰাজৰ ন্যায়-দণ্ড বক্ৰ হল। অতীতৰ সেই টানাভান মহাৰাজৰ কীৰ্ত্তি লোপ পালে। অন্যায়ৰ পৰিণাম কি ভীষণ! সতী নাৰীগৰাকীৰ অৱস্থা কি শোক লগা।” ইয়াৰ পিছত জন-সমদলটোৱে কন্নকীক স্বামীৰ সমাধিস্থললৈ লৈ গল। সন্ধিয়াৰ ছাঁ তেতিয়া ধীৰে ধীৰে নামিছে। কন্নকীৰ ক্ৰন্দন ধ্বনিয়ে গোটেই নগৰখনতেই শোকাৰ্ত্ত প্ৰতিধ্বনি তুলিলে। পুৱা যাৰ বুকুৰ পৰশ তেওঁ লভিছিল, যাৰ হাতৰ মালাই তেওঁৰ শৰীৰ সু-শোভিত কৰিছিল, তেওঁ আজি ধূলিত লুণ্ঠিত। স্বামীৰ মৃতদেহ বুকুত সাৱটি

লৈ চকুলোৰে তেওঁ বুৰাই দিলে। "এনে এটা মনোৰম সন্ধ্যাত তোমাৰ সুন্দৰ সুঠাম দেহে আজি ধূলিত শয়ন কৰিছে! তুমি মোক এযাৰিও কথা নকবা নে? এবাৰ মুখ তুলি চোৱা। এইয়া মই তোমাৰ ওচৰতে সোণ।......এই নগৰখনত এনে কোনো সদাশয় লোক নাই নে, এনে কোনো নাৰী নাই নে যি এনে নৃশংস অত্যাচাৰৰ বিপক্ষে বিদ্ৰোহ কৰি উঠিব? এই নগৰৰ ধৰ্ম্মানুষ্ঠানবোৰ, দেৱ-দেৱীৰ মন্দিৰবোৰ ধ্বংসপ্ৰাপ্ত হল নেকি? প্ৰিয়তম, মোক মাথো এযাৰি মাত দিয়া,—ইয়াতোকৈ সৰহ মই একোকে নিবিচাৰো।"

সতীৰ স্পৰ্শত কভালানৰ মৃতদেহ খন্তেকলৈ সজাগ হৈ উঠিল। অস্পষ্ট ভাবে চকু দুটা মেলি তেওঁ ধীৰে ধীৰে কলে: "পূৰ্ণমাৰ জোনটোৰ লেখীয়া তোমাৰ কমনীয় মুখখনিৰ সৌন্দৰ্য্য তেনেই লোপ পাই গল!" তৎক্ষণাত কন্নকীয়ে কান্দি কান্দি স্বামীৰ চৰণ সাৱটি ধৰিলে। কভালানে পুনৰ সেহাই সেহাই কলে: "তুমি মোৰ কাষৰৰ পৰা আঁতৰি নেযাবা দেই।" এই কেইষাৰ কথা কৈয়েই পুনৰ তেওঁ অচেতন হৈ পৰিল। কভালানৰ আত্মা সৰগলৈ প্ৰয়াণ কৰিলে।

এই অভূতপূৰ্ব্ব ঘটনাটো দেখি কন্নকী নিজেই বিচলিত হল: "ই প্ৰকৃত সত্য নে কেৱল এটা ছঁয়ামযা সপোন?" তেওঁ ভাবিলে, —"পোন প্ৰথমতে এই নিষ্ঠুৰ ভূপতি গৰাকীৰ সাক্ষাত হৈ তেওঁৰ অত্যাচাৰৰ কথা সোঁৱৰাই দিওঁ। মোৰ প্ৰিয়তমৰ মৃতদেহ সমগ্ৰ নগৰখনৰ সৈতে একেলগে ভস্মীভূত হৈ যাওক।" এনেতে কন্নকীৰ মনত পৰিল সেই ভয়ঙ্কৰ সপোনটোৰ কথা। সপোনটোৰ কথা দেৱান্দীয়ে জানে। "এনে অমঙ্গলীয়া সপোনবোৰ, বৰ আচৰিত, কেনেকৈ সত্যত পৰিণত হয়।"

অৱশেষত কন্নকী ওলাল ৰাজবাৰীৰ উদ্দেশ্যে, মহাৰাজৰ অন্বেষণত।

## প্ৰতিশোধ বহ্নি ঃ

ৰাণী কপাৰুণ দেৱীয়ে সেই দিনা নিশা টোপনিত ভালেমান ভয়ঙ্কৰ স্বপ্ন দেখিলে। মহাৰাজক এই স্বপ্নৰ কথা তেওঁ পুৱাই বিবৰি কলে ঃ "মই সপোনত দেখিছো আপোনাৰ ছত্ৰদণ্ড, তৰবাৰি আদি খহি পৰিছে। সিংহদ্বাৰৰ বিৰাট টিলিঙাটোৱেও যেন বিকট শব্দ কৰি উচ্ছৃঙ্খলতাৰ পৰিচয় দিছে। চকুৰ আগতে দেখিলো উল্কাপাত, মাজনিশা আকাশত ৰামধেনু। অতীততে তোমাৰ উপৰি পুৰুষ উগ্ৰপান্থ্যই যেতিয়া অস্ত্ৰেৰে সমুদ্ৰক আক্ৰমণ কৰি সমুদ্ৰ দেৱতাৰ কোপানল জগাই তুলিছিল, সেই সময়তহে এনেবোৰ অশুভ লক্ষণ পৰিলক্ষিত হৈছিল। সমুদ্ৰ দেৱতাৰ কোপত উচলি উঠি পাহৰুনিয়া নদী কুমাৰী দেশ বিয়পি পৰিছিল। এনে অশুভ লক্ষণৰ যে প্ৰতিফল কেনে ভয়ানক!"

এনেতে প্ৰহৰী এটা আহি মহাৰাজক সেৱা জনালে ঃ এগৰাকী উগ্ৰবেশী তিৰোতাই মহাৰাজৰ সাক্ষাত বিচাৰিছে। হাতত এপাত মূল্যৱান অলঙ্কাৰ, গোটেই মুখমণ্ডল তেওঁৰ চকুলোৰে তিতি থকা।

কন্নকীক আনি ৰাজ-দৰবাৰত উপস্থিত কৰা হল।

"চকুলোৰে ভৰপূৰ মুখশ্ৰী লৈ তুমি ক'ৰপৰা আহিছা, নাৰী?"

"মোৰ বাসস্থান পুহৰ নগৰীত। সেই ৰাজ্যৰে শিৱিৰাজে নিজ শৰীৰৰ মাংস কাটি দি কপৌ এটাৰ প্ৰাণ ৰক্ষা কৰিছিল। সেই ৰাজ্যৰ মহাৰাজে নিজ সন্তানক মৃত্যুদণ্ড বিহিছিল,—গোবধৰ প্ৰায়শ্চিত্তস্বৰূপে। সেই ৰাজ্যৰে মাছাতুভানৰ পুত্ৰ কভালানক কিবা দৈৱ দুৰ্ব্বিপাকত অলঙ্কাৰ এপাত বেচিবলৈ আহোঁতে

অন্যায়ভাবে হত্যা কৰা হৈছে। মই তেওঁৰ সহধৰ্ম্মিণী। মোৰ নাম কন্নকী।"

"এই মৃত্যুদণ্ডক তুমি অন্যায় হত্যাকাণ্ড বুলিছা কিয়? ৰজা সদায়েই দুষ্টক দমন কৰিবলৈ প্ৰস্তুত থকা উচিত।"

"এজন নিৰপৰাধীক মৃত্যুদণ্ড বিহাটো ন্যায় বিচাৰ কেতিয়াও হব নোৱাৰে। ই হৈছে প্ৰকৃততে হত্যা।"

"তুমি তেওঁৰ সহধৰ্ম্মিণী। গতিকে স্বামীক নিৰপৰাধী বুলি ভবাটো একো আচৰিত কথা নহয়। হাতে হাতে ৰাণীৰ অলঙ্কাৰ অপহৰণ কৰা কাৰ্য্যত তেওঁ ধৰা পৰিছে।"

"এইটো সম্পূৰ্ণ অসত্য কথা। তেওঁ কেতিয়াও কাৰো অলঙ্কাৰ অপহৰণ কৰা নাই। মুহূৰ্ত্তৰ উত্তেজনাৰ বশৱৰ্ত্তী হৈ মহাৰাজে এজন নিৰপৰাধীক এনেদৰে মৃত্যুদণ্ড বিহাটো ঘোৰ অন্যায় হৈছে। আপোনাক সকলোৱে ধৰ্ম্মৰাজ বোলে। আপোনাৰ পক্ষে এই সন্মান কেনে অশোভনীয় হৈছে,—অন্ততঃ আপোনাৰ নিচিনা এজন হত্যাকাৰীৰ পক্ষে।"

ৰাজ্যেশ্বৰ ছেলিয়াম খণ্ডত গৰ্জ্জি উঠিল: "তুমি কি সাহসেৰে এনে কথা কোৱা?"

"ই সম্পূৰ্ণ সত্য। মোৰ যথেষ্ট প্ৰমাণ আছে।"

"তেন্তে তাৰ প্ৰমাণ দিয়া। নহলে মৃত্যুদণ্ডৰ সন্মুখীন হবলৈ এতিয়াই সাজু হোৱা।" এই বুলি কন্নকীৰ হাতত অলঙ্কাৰপাত তেওঁ তুলি দিলে।

"এতিয়াই মই ইয়াৰ প্ৰমাণ দিম। মহাৰাণীৰ অলঙ্কাৰৰ ভিতৰখন কিহেৰে নিৰ্ম্মিত? কব নে মোক?"

"কিয়, বহুমূলীয়া মুকুতাৰে।"

"কিন্তু মোৰ অলঙ্কাৰৰ ভিতৰত আছে অতি মনোৰম ৰঙচুৱা পোৱাল মণি। চাওক, এইয়া অলঙ্কাৰৰ ভিতৰত কি আছে।" এই বুলি গাৰ সকলো শক্তি প্ৰয়োগ কৰি অলঙ্কাৰপাত তেওঁ

মাটিলৈ দলিয়াই দিলে। বস্তুটো ভাগিছিগি পোৱাল মণিবোৰ ছিটিকি পৰিল। সেই মুহূৰ্ত্ততে ৰাজছত্ৰ নিজে নিজে কাটি হৈ পৰিল। বিচাৰদণ্ড বক্ৰ হৈ পৰিল। কন্নকীয়ে খণ্ডত সিপাত অলঙ্কাৰো মাটিলৈ দলিয়াই দিলে। তাৰ পৰাও ছিটিকি ওলাই পৰিল মনোৰম ৰঙা পোৱালবোৰ।

এনে আচৰিত ঘটনা দেখি মহাৰাজ নেদাম ছেলিয়াম হতভম্ব হল। "উস! মই এটা ধূৰ্ত্ত স্বৰ্ণকাৰৰ কথাতেই পতিয়ন গলো। এটা নিৰপৰাধীক মৃত্যুদণ্ড বিহিলোঁ। এই মহাপাপৰ প্ৰায়শ্চিত্ত মৃত্যুৰ বাহিৰে আন একোৱেই হব নোৱাৰে।" কথা শেষ হওঁ নহওঁতেই মূৰ্চ্ছা গৈ পৰি তেওঁৰ মৃত্যু হল।

মহাৰাণী কপাৰুণাদেৱী স্বামীৰ চৰণত লুণ্ঠিতা হৈ পৰিল। "তোমাৰ অবিহনে এই ধৰণীত জীয়াই থকাটো মোৰ পক্ষে অসম্ভৱ। মোক পৰিত্ৰাণ দিয়া।"

কন্নকীৰ অন্তৰ এই মৰ্ম্মস্পৰ্শী ঘটনাই গভীৰ ভাবে স্পৰ্শ কৰিলে: "হে ৰাজ্ঞী, মোৰ অতি মন্দভাগ্য। অন্যায় অবিচাৰৰ সমুচিত প্ৰতিফল চিৰকালেই বিদ্যমান। সতীত্বৰ মহিমা অসীম, অপাৰ। আমাৰ নগৰৰ বহু সতী তিৰোতাই অনেক আচৰিত কাম কৰি গৈছে। এগৰাকী তিৰোতাই নিজৰ বিশুদ্ধতাৰ পৰিচয় দিবলৈ আনকি নিৰ্জ্জীৱ গছৰ হতুৱায়ো কথা কোৱাব পাৰিছিল। আন এগৰাকীয়ে স্বামীৰ মূৰ্ত্তি বুকুত বান্ধি সমুদ্ৰ কল্লোলৰ মাজতো ৰক্ষা পৰিছিল। মহাৰাজ কাড়িবলৰ কন্যাই কাৱেৰী নৈৰ ভয়ঙ্কৰ তৰঙ্গ-বন্যাৰ বুকুৰ পৰা নিজৰ স্বামীক ৰক্ষা কৰিছিল। আন এগৰাকী, স্বামীৰ বিচ্ছেদ সহিব নোৱাৰি, যেতিয়ালৈকে তেওঁৰ প্ৰত্যাগমন নহয়, তেতিয়ালৈকে সমুদ্ৰ তীৰত শিলা হৈ আছিল। এগৰাকীয়ে আকৌ সপত্নীৰ সন্তানটো পানীত পৰা দেখি নিজৰ বুকুৰটোকো উটুৱাই দি দুয়োটাকে একেলগে উদ্ধাৰ কৰিছিল। সেই সতীৰ তেজেৰে উদ্ভাসিত পুহৰ নগৰীৰে মই অধিবাসিনী।

এই অন্যায় অবিচাৰৰ প্ৰতিশোধ নোলোৱাকৈ কেতিয়াও নেথাকো। নগৰখন মুহূৰ্ত্ততে অগ্নি-দেৱতাৰ সহায়ত ভস্মীভূত কৰিম।”

সেই মুহূৰ্ত্ততে ৰাণীৰ প্ৰাণবায়ু নোহোৱা হল। কন্নকীয়ে নিজৰ বুকুত হাতখন থৈ উচ্চাৰণ কৰিলেঃ “যদি নাৰীৰ পৱিত্ৰতাই অগ্নি প্ৰজ্জ্বলিত কৰিব পাৰে, তেন্তে এতিয়াই নগৰ ব্যাপি অগ্নি প্ৰজ্জ্বলিত হওক। কেৱল ব্ৰাহ্মণসজ্জন, গৰু-গাই, বৃদ্ধ আৰু শিশুৰ বাহিৰে সকলো অগ্নিৰ বুকুত ভস্মীভূত হৈ যাওক। ৰাজ্যাধিপতিৰ অন্যায় অত্যাচাৰৰ কাৰণে আজি হব এই নগৰ দাহ।”

তৎক্ষণাত ব্ৰাহ্মণৰ বেশ ধৰি শ্যাম কলেবৰ, শিৰত ৰক্তবৰ্ণ পাগুৰি, মুখত হাঁহিৰে অগ্নি-দেৱতা কন্নকীৰ সমুখত উপস্থিত হলহি। “মই তোমাৰ আদেশ পালিবলৈ প্ৰস্তুত।” এই বুলি কৈয়েই দেৱতাই তেওঁৰ লেলিহান জিহ্বা প্ৰসাৰিত কৰিলে। সমগ্ৰ নগৰ আগুৰি অগ্নিৰ প্ৰচণ্ড লীলা চলিবলৈ ধৰিলে। এই লোমহৰ্ষক বহ্নিৰ কথা গম পাই দেৱ-দেৱীসকলে আগতীয়াকৈয়ে নগৰ পৰিত্যাগ কৰিলে। অগ্নিৰ তাণ্ডৱ নৃত্যত সমগ্ৰ নগৰখন ভস্মীভূত হৈ গল।

## পতিব্ৰতা ঃ

অগ্নিৰ গৰাহৰ পৰা ৰক্ষা পাওঁতা ব্ৰাহ্মণসজ্জন কোনেও কন্নকীক এই ঘটনাৰ বাবে দোষাৰোপ কৰা নাছিল। তেওঁলোক কন্নকীৰ এই সুগভীৰ সতীত্বৰ আদৰ্শত বিমোহিত হল। বহুত ভাবি চিন্তি চাই তেওঁলোকে কন্নকীৰ নাম ৰাখিলে পতিব্ৰতা নাৰী। নহয়, পতিব্ৰতা দেৱী। নগৰখন সম্পূৰ্ণৰূপে ভস্মীভূত হৈ গল। নগৰৰ মুখ্য অধিষ্ঠাত্ৰী দেৱী মথুৰাপতিয়ে শোকত অভিভূতা হৈ নগৰ-অঞ্চলৰ ধ্বংস সমূহ পৰিদৰ্শন কৰি ফুৰিবলৈ ধৰিলে। অবশেষত তেওঁ কন্নকীৰ সমুখত আৱিৰ্ভাব হল। কন্নকীৰ প্ৰগাঢ় শক্তিয়ে তেওঁক অভিভূত কৰিলে। "দেৱী, মোৰ শোকৰ কথা শুনাচোন।"

"কোন বাৰু তুমি,—মোক এনেকৈ অনুসৰণ কৰিছা? মোৰ প্ৰতি হোৱা অন্যায়-অবিচাৰৰ সম্ভেদ তুমি কিবা পোৱা জানো?"

দেৱী মথুৰাপতিয়ে উত্তৰ দিলে ঃ "মই সকলো শুনিছো। আজি প্ৰলয়ৰ আগমুহূৰ্ত্তলৈকে গোটেই নগৰখন স্পন্দিত হৈ আছিল বেদমন্ত্ৰেৰে। অতীজৰ মনু-শাস্ত্ৰনীতিজ্ঞ চোলা বা শিৱি ৰজাৰ তৰহৰ ভূপতি এই ৰাজ্যত নোহোৱা নহয়। এসময়ত স্বনামখ্যাত বেদজ্ঞ পৰাশে চেৰা ৰাজ্যৰ নৃপতিৰ পৰা ভালেমান দান-দক্ষিণা লৈ টেংগান গাৱঁৰ ভিতৰেদি প্ৰস্থান কৰিছিল। তাতে এটা সাধাৰণ ব্ৰাহ্মণ সন্তান আলামাৰ ছেলভানে বৈদিক মন্ত্ৰ উচ্চাৰণ কৰি থকা তেওঁ শুনিবলৈ পাইছিল। সেই মন্ত্ৰ উচ্চাৰণত পৰিতৃপ্ত হৈ তেওঁ তাক কিছুমান মণি-মুক্তা উপহাৰ দিয়ে। ৰাজ্যৰ ৰাজকৰ্ম্মচাৰী

সকলে সাধাৰণ দৰিদ্ৰ বালক এটাৰ হাতত ইমানবোৰ বহুমূলীয়া ঐশ্বৰ্য্য বস্তু দেখি তাক অযথা দোষী সাব্যস্ত কৰি কাৰাদণ্ড বিহিলে। এই ঘটনাত তাৰ মাক একেবাৰে বাউলী হৈ গল।

"এই অন্যায় অবিচাৰৰ বাবেই আচম্বিতে কালী মন্দিৰৰ দুৱাৰ বন্ধ হৈ গল। ৰাজ্যৰ কিবা অন্যায় অবিচাৰ হৈছে বুলি ৰজাৰ সন্দেহ হল। অৱশেষত তেওঁ জানিবলৈ পালে সেই নিৰপৰাধী ব্ৰাহ্মণ শিশুৰ নিৰ্য্যাতনৰ কথা। কথাষাৰ বুজিব পাৰিয়েই ৰাজ্যেশ্বৰে শিশুটিৰ পিতৃ বৃদ্ধ ব্ৰাহ্মণৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিলে। টাংগান, ভায়ালুৰ আদি গাওঁ তেওঁ ব্ৰাহ্মণক দান দিয়ে। লগতে লৰাটিৰ মুক্তি দিয়ে। সেই মুহূৰ্ত্ততে নগৰ মুখৰ কৰি মন্দিৰৰ দুৱাৰ আপোনা-আপুনি মুকলি হল। মূৰ্খ অতি-তৎপৰ কৰ্ম্মচাৰী কেইটাক কামৰ পৰা অব্যাহতি দিয়া হল।

"দৈৱ দুৰ্ব্বিপাকত আজি সেই জন মহাৰাজেই তোমাৰ বিপক্ষে ষড়যন্ত্ৰত লিপ্ত হল। অষ্টমীৰ দিনা শুক্ৰবাৰে, কাৰ্ত্তিক বৰাণি নক্ষত্ৰৰ সংযোগ ক্ষণত এইজনা মহাৰাজৰ মৃত্যু আছিল। তেওঁৰ ৰাজ্য যে ভস্মীভূত হব,—এই বিষয়েও এক অভিশাপ আছিল। এই অভিশাপেই তেওঁৰ অবিচাৰৰ মূল কাৰণ। সকলো কৰ্ম্মফল, —সকলো ঘটনাৰেই একোটা নিগূঢ় ৰহস্য আছে। অতীজতে বসু আৰু কুমাৰ নামেৰে দুজন শাসনকৰ্ত্তা আছিল। তেওঁলোকৰ ৰাজ্যৰ নাম আছিল সিংহপুৰ আৰু কপিলপুৰ। দুয়োখন ৰাজ্যৰ ভিতৰত প্ৰায়েই যুদ্ধ-বিগ্ৰহ হৈছিল। সিংহপুৰ ৰাজ্যৰ মাটি সাৰুৱা। গছ-গছনিৰে ভৰপূৰ। কপিলপুৰ ৰাজ্যৰ কেউকাষে বাঁহ গছেৰে ভৰপূৰ। দুয়োখন ৰাজ্যৰ ভিতৰত কোনো বিদেশী মুদৈ সদাগৰক এই শাসনকৰ্ত্তা দুজনে, নগৰৰ বাৰ যোজনৰ ভিতৰত প্ৰবেশ কৰিবলৈ নিদিছিল। এই বাধা অগ্ৰাহ্য কৰি মাবৈ নামৰ এজন বিদেশী সদাগৰে পত্নীক লগত লৈ বেহা-বেপাৰৰ উদ্দেশ্যৰে নগৰ প্ৰৱেশ কৰিলে। পূৰ্ব্ব জন্মত তোমাৰ স্বামী এইজনা নৃপতিৰে

প্ৰধান কৰ্ম্মচাৰী আছিল,—তেওঁৰ নাম আছিল ভাৰত। নিৰপৰাধী সদাগৰ জনক কাবোবাৰ চোৰাংচোৰা বুলি ভাবি তেওঁ তৎক্ষণাত মৃত্যুদণ্ড বিহিছিল। সদাগৰ-পত্নী নীলি শোকত অভিভূতা হৈ প্ৰায় চৈধ্য দিন ধৰি নগৰব্যাপি কান্দোনৰ প্ৰতিধ্বনি তুলিছিল। "হে নৃপতি, এইয়ে তোমাৰ বিচাৰ নে?" ইয়াৰ পিছত পোন্ধৰ দিনৰ দিনা গিৰি-শিখৰ এটাৰ পৰা জপিয়াই তেওঁ আত্মহত্যা কৰিলে। মৃত্যুৰ আগ মুহূৰ্ত্তত তেওঁ এই বুলি অভিশাপ দিছিল ঃ "আজি মোৰ স্বামীৰ প্ৰতি যি অন্যায় অবিচাৰত তেওঁ লিপ্ত হল, এই অন্যায়-অবিচাৰৰ পৰিণাম তেওঁ অহা জন্মত ভুগিব লাগিব। নিৰপৰাধী যদিও অতি গুৰুতৰ দোষত তেওঁও দণ্ডনীয় হব। তেওঁৰ পত্নী শোকত অভিভূতা হৈ চৈধ্য দিনৰ শেহত স্বামীৰ সৈতে পুনৰ মিলিত হব।"

কন্নকীয়ে এই কাহিনীটো গভীৰ ভাবে শুনিলে। তেওঁৰ আদেশ অনুসৰি মথুৰাপতিয়ে নগৰখন অগ্নিৰ কৰাল গ্ৰাসৰ পৰা ৰক্ষা কৰিলে। "মোৰ স্বামীৰ লগত পুনৰ মিলন নহয় মানে শান্তি আৰু নেপাওঁ।" কন্নকীয়ে দেৱীৰ মন্দিৰ প্ৰবেশ কৰি তাতেই গাৰ অৱশিষ্ট অলঙ্কাৰ ভাঙি চূৰমাৰ কৰিলে। তাৰ পিছত মাহুৰা নগৰীৰ পছিম দুৱাৰেদি তেওঁ বাহিৰ হল। "স্বামী আৰু মই —আমি দুয়ো একেলগে এই নগৰ প্ৰৱেশ কৰিছিলোঁ। আজি মই প্ৰত্যাগমন কৰিছো নগৰৰ পৰা অকলশৰে।" ভৈগাই নদীৰ পাৰে পাৰে কন্নকী যাবলৈ ধৰিলে। সকলো বাধা-বিঘিনি অতিক্ৰম কৰি। অৱশেষত এটা পৰ্ব্বত পালেগৈ। তাতে ভেংগাই গছ এজোপাৰ তলত তেওঁ জিৰণি ললেগৈ। "এই পৃথিৱীত মোৰ নিচিনা আৰু পাপিষ্ঠা নাই।" কিছুমান পৰ্ব্বতীয়া মানুহ কন্নকীক তেনে বিমৰ্ষা অৱস্থাত দেখি ওচৰ চাপি আহিল। কন্নকীৰ সৌন্দৰ্য্য,—তেওঁৰ শান্ত, সৌম্য মূৰ্ত্তি দেখি সিহঁত আচৰিত হৈ গল। "আপুনি ভলা দেৱী নেকি?"

"মই মানৱী হে। মোৰ স্বামীৰ প্ৰতি কৰা অন্যায় অবিচাৰৰ বাবেই সমগ্ৰ মহানগৰী আজি অগ্নিৰ বুকুত জাহ গল। ইয়ালৈ মই স্বামীৰ সৈতে পুনৰ মিলনৰ আশাৰে আহিছো। সেই আশাকে বুকুত বান্ধি মই অপেক্ষা কৰি থাকিম। চৈধ্য দিনৰ মূৰত তেওঁ আহি মোক এই মৰ্ত্ত্যৰ পৰা লৈ যাব,—সৰগলৈ।" পৰ্ব্বতীয়া মানুহবোৰ আচৰিত হৈ সেই আগন্তুক মুহূৰ্ত্তলৈ বাট চাই থাকিল। অৱশেষত দেৱৰাজ ইন্দ্ৰ নিজেই কভালানৰ সৈতে সৰগৰ পৰা ৰথেৰে নামি আহিল। সোঁশৰীৰে তাৰ পৰা কন্নকীক সৰগলৈ তুলি নিলে।

এই ঘটনাত আচৰিত হৈ পৰ্ব্বতীয়া মানুহবোৰে সকলো কথা ছেৰা ৰাজ্যৰ ভূপতি সেন গোটুভানৰ আগত বৰ্ণাই কলেগৈ। সেই সময়ত তাতে সাটান বোলা এজনো উপস্থিত আছিল। তেওঁ মাতুৰা নগৰৰ গোটেই ঘটনাটো নৃপতিৰ আগত বিবৰি কলে। কথা শেষ হলত সেন গোটুভানে মন্তব্য কৰিলে: "পান্ধ্য নৃপতিৰ মৃত্যু একো বেজাৰৰ কথা নহয়। তেওঁৰ মৃত্যুত বিচাৰ-দণ্ড পুনৰ সঞ্জীৱিত হৈ পৰিল।"

অৱশেষত ৰজাই ৰাণী ভেন্‌মলক সম্বোধন কৰি কলে: "এগৰাকী সতীয়ে স্বামীৰ মৃত্যুত পতি-গুৰুৰ চৰণ সেৱি মুহূৰ্ত্ততে মৰণক আকোৱালি ললে। আন এগৰাকীয়ে স্বামীৰ শোকত গোটেই নগৰখনকে অগ্নিদগ্ধ কৰি শেষত সোঁশৰীৰে স্বৰ্গ লৈ প্ৰয়াণ কৰিলে। এই দুগৰাকীৰ ভিতৰত কোন অধিক মহৎ?"

"সংসাৰৰ তীব্ৰ বেদনা নোহোৱাকৈ অকস্মাতে মৃত্যু হোৱা পান্ধ্যৰাণীৰ মঙ্গল হওক। যি গৰাকী দেৱীয়ে সোঁশৰীৰে স্বৰ্গযাত্ৰা কৰি মহত্বৰ এনে উচ্চতম আদৰ্শ দাঙি ধৰিছে,—তেওঁৰ উদ্দেশ্যে আমি এক মন্দিৰ স্থাপন কৰাটো উচিত হব।"

সেন গোটুভানে বিষয়াসকলৰ সৈতে এই বিষয়ে আলোচনা কৰিলে। দেৱীৰ মূৰ্ত্তি পৱিত্ৰ পাদৰিল পৰ্ব্বতৰ শিলেৰে নাইবা

শিল গঙ্গা নৈত ধৌত কৰাই নিৰ্ম্মিত কৰাটো উচিত
...ৰ্ণ সকলো বিষয়াই মত দিলে। মহাৰাজে উমা-গৌৰীৰ
...ান হিমালয় পৰ্ব্বতৰ পৰা শিল আনি মন্দিৰ নিৰ্ম্মাণ কৰাটো
...ত যুক্তিসঙ্গত হব বুলি মত প্ৰকাশ কৰিলে। ৰাজ্যেশ্বৰৰ সিদ্ধান্ত
শুনি হৰষিত হৈ প্ৰধান মন্ত্ৰী তিলভানকদায়ে মাত লগালে: "মহাৰাজৰ জয় হওক। কলিঙ্গ, কৰ্ণাটক, কথিদেশ, গঙ্গাদেশ, বঙ্গদেশ আদিৰ বিজয় অভিযানে আজিও আপোনাৰ গৌৰৱ উজ্জ্বল কৰি ৰাখিছে। আৰ্য্য নৃপতিসকলক পৰাস্ত কৰি ৰাজ-মাতৃৰ বাবে গঙ্গাস্নান সুগম কৰি দিয়া কাহিনী আজিও আপোনাৰ উজলি আছে। জয়দ্বীপৰ প্ৰত্যেক ৰাজ্যতে ঘোষণা কৰি দিয়া হওক,—হিমালয়ৰ বিজয়ী অভিযানৰ কথা।"

অতীজতে এগৰাকী ৰাজকুমাৰীৰ স্বয়ম্বৰ সভাত আৰ্য্য নৃপতি সকলে তামিল নৃপতিসকলৰ সম্বন্ধে ঘৃণিত মত প্ৰকাশ কৰিছিল: "দাক্ষিণাত্যৰ এই নগণ্য নৃপতিবোৰো আহি আৰ্য্যাৱৰ্ত্তত সিহঁতৰ ভুৱা গৌৰৱ ঘোষণা কৰিবলৈ বিচাৰে। কি আচৰিত! এই কাউৰীবুলীয়া নৃপতিবোৰৰ যে কি উৎপাত! কি অহঙ্কাৰ!"

এই সংবাদ কিছুমান সন্ন্যাসীৰ মুখে মুখে বাগৰি আহি মহাৰাজৰ কাণত পৰিলহি। সেই মুহূৰ্ত্ততেই তেওঁ আক্ৰমণ-অভিযান আৰম্ভ কৰি দিলে।

এই অভিযানত মহাৰাজৰ পুত্ৰ ভৰকণাৰ, শতকৰণীজ আদি ফৈদে সকলো প্ৰকাৰে সহায় কৰিলে। সেই সকলৰ সহায়তে তেওঁ নিৰাপদে গঙ্গা নৈ পাৰ হল। তাৰ পাচত গঙ্গা নৈৰ উত্তৰ দিশৰ প্ৰায়বোৰ নৃপতিকেই তেওঁ পৰাস্ত কৰিলে। সেই অঞ্চল সমূহৰ পৰা তেওঁলোকক সম্পূৰ্ণৰূপে বিতাৰিত কৰিলে।

অৱশেষত এই অভিযানৰ অন্তত হিমালয় পৰ্ব্বতৰ পৰা শিল সংগ্ৰহ কৰা হল,—মন্দিৰ নিৰ্ম্মাণৰ উদ্দেশ্যৰে। এই পাথৰ অতি সমাৰোহেৰে গঙ্গা নৈত ধৌত কৰা হল। সেই ঠাইতে ব্ৰাহ্মণ

সকলে মহাৰাজক সাক্ষাত কৰি কলেঃ “ধৰ্ম্মৰাজ,
কাৰণে আমি পুহৰ আৰু মাতুৰা নগৰীৰ পৰা বাতৰি ভ
মদাৰীয়ে নিজ আশ্ৰিতজনক ৰক্ষা কৰিব নোৱাৰা বাবে
জাপ দিলে। কভান্দীয়ে অনশনব্ৰত গ্ৰহণ কৰি মৃত্যুক আকোৱালি
ললে। আমি কভালানৰ পিতৃ-মাতৃক সকলো সংবাদ দিছো।
মাছাতুভানে তেওঁৰ সকলো ঐশ্বৰ্য্য-বিভূতি বিতৰণ কৰি বৌদ্ধ-ধৰ্ম্মত দীক্ষিত হল। মাধৱী তেনেই বিহ্বলা হৈ পৰিছে। তেওঁও সন্ন্যাসিনী বেশেৰে অনাই বনাই ফুৰিছে।”

“এই সকলোবোৰ অনৰ্থৰ মূল স্বৰ্ণকাৰটোৰ হল কি ?”

“সি সেই অগ্নিদাহত ভস্মীভূত হৈ গল। নেদাম ছেলিয়ামৰ ভাতৃ বীৰ ছেলিয়ামে ৰাজপাটত উঠিয়েই প্ৰায় এহেজাৰ স্বৰ্ণকাৰক আহুতি দিলে। এই আহুতিৰ পিছতেই ধাৰাসাৰে বৃষ্টিপাত হল।”

“আমি ৰাজ্য এৰি অহা আজি প্ৰায় আঢ়ৈ বছৰৰ ভিতৰতেই যে কিমানবোৰ ঘটনা হৈ গল!” তেওঁৰ সহচৰী কনক আৰু বিজয়াৰ হাতত সেই পৱিত্ৰ শিলচটা দি মাছাতুভানে ৰাজ্যলৈ প্ৰত্যাগমন কৰিলে। আৰ্য্যাৱৰ্ত্তৰ পৰা বন্দী কৰি অনা নৃপতি-সকলক মুক্তি দিলে। মন্দিৰ প্ৰতিষ্ঠাৰ দিনা এক বিৰাট যজ্ঞৰ আয়োজন কৰা হল—ধৰ্ম্মগুৰু মেদালনৰ পৌৰহিত্যত।

এটি শুভ মুহূৰ্ত্তত চেৰা ৰাজ্যৰ ৰাজধানী ভঞ্জিকৰাভৰত এই দেৱী মন্দিৰটো স্থাপন কৰা হল। এই পৱিত্ৰ দিনটোৰ উদ্দেশ্যে ৰাজ্যৰ সকলো বন্দীকে মুক্ত কৰি দিয়া হল। অতি সমাৰোহেৰে যাগ-যজ্ঞ চলিল। যজ্ঞৰ লগে লগে নানাবিধ হীৰা-মুক্তাৰে মনোৰমকৈ সজ্জিত কন্নকীৰ মূৰ্ত্তি প্ৰতিষ্ঠা কৰা হল। পূজা অৰ্চ্চনা আৰম্ভ হল। গোটেই চহৰখন মুখৰ হৈ উঠিল।

এনেতে দেৱান্দী, বিশালাক্ষী, মাৰাকাডাম, আয়া,—সেই ঠাই পালেহি। দেৱান্দীয়ে নৃপতিক উদ্দেশ্য কৰি কলেঃ “আজি যি গৰাকী দেৱীৰ উদ্দেশ্যে পূজা অৰ্চ্চনা চলিছে, সেই গৰাকী দেৱী

মোৰেই সখী।” বিশালাক্ষীয়ে কলে: “সকলো সুখ-সম্ভোগ পৰিত্যাগ কৰি বহিৰ্গমন কৰা এই দেৱী গবাকীৰ ময়েই সহচৰী।”

দেৱান্দী ধীৰে ধীৰে দেৱী-মূৰ্ত্তিৰ কায চাপি গল। “তোমাৰ সপোনৰ প্ৰকৃত মৰ্ম্ম মই এতিয়াহে উপলব্ধি কৰিব পাৰিছো।”

বিমল সৰগীয় জ্যোতিৰে জ্যোতিষ্মতী হৈ কন্নকী আকাশত আৱিৰ্ভাব হল। যাগ-যজ্ঞৰ সফলতা তেওঁ কামনা কৰিলে। এনে অভূতপূৰ্ব্ব দৃশ্য দেখি মাছাতুভান আনন্দত অধীৰ হল।

সেই অশৰীৰী আকাশী আত্মাই ধীৰে ধীৰে উচ্চাৰণ কৰিলে: “পান্ধ্যাধিপতি সম্পূৰ্ণ নিৰপৰাধী। তেওঁ আজি দেৱৰাজ ইন্দ্ৰৰ অতিথি। মোৰ প্ৰতি তেওঁৰ স্নেহ অসীম, পিতৃবৎ। সেই স্নেহে মোক আপ্লুত কৰিছে।”

নগৰৰ যুৱতীবৰ্গই দেৱীৰ সমুখত নৃত্য-গীত কৰিলে। দেৱান্দীয়ে মহাৰাজৰ আগত মণিমেখলাইৰ ভাহি উঠা যৌৱনৰ কথা কলে। ইমান কোমল বয়সতে তাই কিদৰে নো আশ্ৰমবাসিনী হবলৈ পালে,—সেই বিষয়েও কলে।

“উস্, কেনে এক অতুলনীয় ৰত্নৰাজি সাগৰৰ বুকুত নিক্ষেপিত হল,”—এই বুলি কৈ সেন গোটুভান বিষাদত ম্ৰিয়মান হল।

এনেতে কব নোৱাৰাকৈয়ে দেৱান্দীৰ সৰ্ব্বশৰীৰত এটা কম্পন অনুভূত হল,—যেন কিবা এক ঐশ্বৰিক শক্তিৰ স্পৰ্শতহে। “এই জন-সমাজৰ মাজত তিনিজনী ত্ৰুবছৰীয়া ছোৱালী আছে। এই পাত্ৰৰ পানী সিহঁতৰ গাত ছটিয়াই দিয়া,—দেখিবা সিহঁতৰ পূৰ্ব্ব-জন্মৰ সকলোবোৰ কথা স্মৰণ হব।”

দেৱান্দীৰ নিৰ্দ্দেশ অনুসৰি পাত্ৰটোৰ পানী সিহঁতৰ গাত ছটিয়াই দিয়া মাত্ৰকে ছোৱালী কেইজনীৰ পূৰ্ব্বজন্মৰ কথা স্মৰণ হল। পূৰ্ব্বজন্মত তাৰে এজনী কন্নকীৰ মাতৃ আছিল: “বুকুৰ জীউ, মোক এৰি তই এইদৰে কিয় আঁতৰি গলি?” আনজনী আছিল

পূৰ্ব্বজন্মত কভালানৰ মাতৃ। তাই কলে: "নিশাৰ ঘোৰ অন্ধকাৰত তই কন্নকীৰে সৈতে আঁতৰি আহিলি, বাছা।"

মদালানে কলে: "সিহঁত দুয়োজনী আজি একে ঘৰতে জন্ম গ্ৰহণ কৰিছে।" সেন গোটুভানে ধন-সোণেৰে মন্দিৰ ওপচাই পেলালে। দেৱান্দীক ধূপ-ধূনা, ফুল-ফলেৰে মন্দিৰত নিতৌ নিয়মীয়াকৈ পূজা অৰ্চ্চনা চলাবলৈ অনুৰোধ জনালে। মহাৰাজে নিমন্ত্ৰিত অৱন্তি অধিপতি, সিংহলাধিপতি, আৰ্য্যাৱৰ্ত্তৰ নৃপতি-সকলৰ সৈতে মন্দিৰ প্ৰদক্ষিণ কৰি বেদীত অঞ্জলি যাচিলে। প্ৰত্যেক গৰাকী নৃপতিয়ে নিজ নিজ ৰাজ্যত কন্নকী দেৱীৰ আশীষ বৰ্ষণ কামনা কৰি প্ৰাৰ্থনা জনালে। এক অশৰীৰী আত্মাৰ কণ্ঠস্বৰত আকাশ মুখৰিত হৈ উঠিল: "তোমালোকৰ মনোবাঞ্ছা পূৰ্ণ হওক।" দেৱান্দীৰ শৰীৰত আকৌ ঐশ্বৰিক শক্তি অনুভূত হল।

"তোমালোক পুণ্যাত্মা। কন্নকী দেৱীৰ কণ্ঠস্বৰ তোমালোকে নিজে শ্ৰৱণ কৰিলা। জীৱনৰ সুখ-সম্ভোগ, বিষয়-বাসনা পৰিত্যাগ কৰা। পৰম ব্ৰহ্মত অচলা ভক্তি স্থাপন কৰা। অহিংস ব্ৰতত ব্ৰতী হোৱা। দান ধৰ্ম্মত দীক্ষিত হোৱা। অসৎ সঙ্গ পৰিত্যাগ কৰা। জীৱন-যৌৱন, ঐশ্বৰ্য্য-বিভূতি সকলো খন্তেকীয়া।"

দেৱীৰ উদ্দেশ্যে মদালানে ৰচনা কৰা স্তুতি-গীত এটি সকলোৱে সমস্বৰে গালে:

"এই গৰাকী দেৱীয়ে পাপ-ৰাজ্য ভস্মীভূত কৰালে। যন্ত্ৰণাত মুমূৰ্ষু ৰাজ্যত ধাৰাসাৰে বৃষ্টিৰ প্লাবন নমালে। পান্ধ্যাধিপতিক ন্যায়পন্থা প্ৰদৰ্শালে। এই গৰাকী দেৱীৰ স্বামী দেৱতাই সৰ্ব্বস্ব। সেই দেৱতাৰ চৰণতেই তেওঁ সকলো জলাঞ্জলি দিলে। আমাৰ সকলোৰে দেৱী তুমি,—চিৰ আৰাধ্যা।"

DIBRUGARH H. S. KANOI COLLEGE
LIBRARY
Accession No.
9442